নাট্যগুৰু শ্বেকস্‌পীয়াৰৰ

অমৰ নাট "কিং লীয়াৰ"ৰ অসমীয়া ৰূপান্তৰ

অশ্ৰু-তীৰ্থ



[অনুবাদ-নাট]

ৰচোতা

শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা এম-এ, বি-এল, বি-টি

অধ্যাপক, কটন কলেজ

গুৱাহাটী

১ম ভাঙৰণ

১৮৭০ শক

বেছ ছুটকা

প্ৰকাশক
শ্ৰীগোপালচন্দ্ৰ বৰুৱা
বৰুৱা এজেন্সি, গুৱাহাটী

ছপা-কৰোঁতাঃ—শ্ৰীগিৰিজানন্দ চৌধুৰী,
আসাম প্ৰেছ' গুৱাহাটী

নিবেদন

কেইখনমান নাট আন ভাষাৰ পৰা ভঙা আমাৰ সঙ্কল্প আছিল। সেইমতে ইতিপূৰ্ব্বে 'শকুন্তলা' আৰু 'বণিজ-কোঁৱৰ' ৰাইজৰ আগত নিবেদন জনোৱা হৈছিল। 'অশ্ৰু-তীৰ্থ'ও সেই সঙ্কল্পৰে ফল। মহাকবি শ্বেক্সপীয়াৰৰ 'ৰজা লীয়েৰ' নাটকেই ৰূপান্তৰিত হৈ 'অশ্ৰু-তীৰ্থ' নামেৰে অসমীয়া ৰাইজৰ আগলৈ ওলাল। দুখৰ বিষয় এই নাটৰ সংশোধিত আৰু পৰিমাৰ্জ্জিত নকলটো এজন খ্যাতনামা অসমীয়া প্ৰকাশকে আমাৰ পৰা নি আৰু ঘূৰাই নিদিলে। আগৰ তাঙৰণত ভাষা অধিক সুশ্ৰাব্য আৰু নিমজ কৰিবলৈ ইচ্ছা থাকিল।

৪ৰ্থ অঙ্ক ১ম দৰ্শনৰ গীতটোৰ বাহিৰে এই নাটত ব্যৱহাৰ কৰা আটাইখিনি গীতেই আমাৰ খ্যাতনামা সঙ্গীত-কবি শ্ৰীযুত উমেশচন্দ্ৰ চৌধাৰী দাদাৰ। এইবাবে আমি আগৰ দৰে তেখেতৰ ওচৰত ঋণী। নাটখনিৰ এই তাঙৰণৰ প্ৰকাশৰ ভাৰ লওঁতা শ্ৰীযুত গোপালচন্দ্ৰ বৰুৱা, ছপা কামত সহায় কৰাৰ বাবে শ্ৰীযুত খগেন্দ্ৰনাথ ভূঞা, শ্ৰীযুত নিত্যানন্দ বৰদলৈ আৰু শ্ৰীযুত সত্যপ্ৰসাদ বৰুৱাদেৱ আমাৰ শলাগৰ ভাগী। আমাৰ অনুৰোধত এখনি বিশ্লেষণপূৰ্ণ পাতনি লেখি নাটখনিৰ ভিতৰুৱা তাৎপৰ্য্য বুজিবলৈ সহায় কৰাৰ বাবে বন্ধুবৰ অধ্যাপক মৌঃ মহম্মদ মায়হান ছাহেবৰ প্ৰতিও আমি বিশেষভাৱে কৃতজ্ঞ। বৰ্ত্তমানে কাগজ এক-প্ৰকাৰ দুষ্প্ৰাপ্য আৰু ছেপাকলবোৰ ভাৰাক্ৰান্ত। এনে সঙ্কটময় পৰিস্থিতিৰ মাজত কিতাপ ধুনীয়া আৰু নিৰ্ভুল কৰি উলিওৱাৰ পৰাটো একপ্ৰকাৰ অসম্ভৱ। ঠায়ে ঠায়ে দুই এটা বচন বাদ দি আৰু আন প্ৰকাৰে কলেৱৰ সঙ্কোচ কৰি কোনোমতে কাগজৰ যোৰা মৰা হৈছে। এইবাৰলৈ ইমানকে।

গুৱাহাটী, —বিনীত

১৪।৪।৪৮ শ্ৰীঅতুল হাজৰিকা—

উপহার লিপি

চিন স্বরূপে

এই

অশ্রু-তীর্থখানি

উপহার দিয়া হল।

ভূমিকা

অধ্যাপক মৌঃ মহম্মদ ৰায়হান শ্বাহ এম্‌-এ

অধ্যাপক শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকাদেৱৰ 'অশ্ৰু-তীৰ্থ' ইংলণ্ডৰ শ্ৰেষ্ঠ নাট্যকাৰ শ্বেক্স্‌পীয়াৰৰ 'ৰজা লীয়াৰ' নাটকৰ ভাঙনি।

'ৰজা লীয়াৰ' শ্বেক্স্‌পীয়াৰৰ নিজে লিখা আখ্যান নহয়, এটি পুৰণি প্ৰচলিত গল্পৰ নাট্যৰূপ মাথোন। নাটক হিচাপেও এই আখ্যানটি প্ৰথমতে শ্বেক্স্‌পীয়াৰৰ লিখনিৰ পৰা ওলোৱা নাই; কাৰণ, ১৫৯৪ চনত অৰ্থাৎ শ্বেক্স্‌পীয়াৰৰ নাটকৰ প্ৰায় ১০।১১ বছৰৰ আগতে লীয়াৰৰ আখ্যান লৈ আন এখনি নাটকো পোৱা যায়। লীয়াৰ নামে ইংলণ্ডত প্ৰকৃততে কোনোবা ৰজা আছিল নে নাছিল ইংলণ্ডৰ বুৰঞ্জী সেই বিষয়ে নিমাত। প্ৰকৃততে গল্পটি হৈছে ইংলণ্ডলৈ প্ৰথমে অভিযান কৰি অহা কেল্টিক (Celts) সকলৰ মাজত প্ৰচলিত এটি কাহিনী। ইংলণ্ডৰ সকলোতকৈ পুৰণি ইতিহাস 'Historia Regum Britanniae'ত লেটিন ভাষাত প্ৰথমে ইয়াৰ মূল গল্পটি পোৱা যায়। কিন্তু এই ইতিহাস ইমান-বিলাক কিম্বদন্তী আৰু জনশ্ৰুতিৰে ভৰা যে ইয়াক ইতিহাস নুবুলি কিছুমান পুৰণি কথাৰ ভঁৰালহে বুলিব পাৰি। ইয়াৰ পিছত গল্পটি খৃষ্টীয় দ্বাদশ শতিকাত লায়ামন নামে এজন কবিৰ Brut নামে কবিতাৰ পুথিত আৰু ত্ৰয়োদশ শতিকাত ৰবাৰ্ট অৱ্‌ গ্ল'ষ্টৰৰ কবিতাত লিখা ইতিহাসত কবি-তাৰ আকাৰত গল্পটি পোৱা যায়। ইয়াৰ পিছতো গদ্য ভাষাত ত্ৰয়োদশ শতিকাৰ শেষ ভাগত Gesta Romanorum নামে ইংলণ্ডত লিখা এটি লেটিন গল্প-সংগ্ৰহত আৰু পঞ্চদশ শতিকাৰ আগ ভাগত ফেবিয়ান আৰু হলিনশ্বেডৰ বুৰঞ্জীত লীয়াৰ গল্পটি পোৱা যায়। কবিতাৰ আকাৰতো Mirror for Magistrates, Albion's England আৰু স্পেন্সাৰৰ Faerie Queene-ত গল্পটি আছে। নাটকৰ আকাৰত প্ৰকাশিত লীয়াৰৰ কথা আগতে কোৱা হৈছে।

'অশ্রু-তীর্থৰ' পাতনি হিচাপে এই কথাখিনি আৱশ্যকীয়। ইয়াৰ পৰা বুজা যায় যে লীয়াৰৰ গল্পটি কেল্টিক অভিযানৰ সময়ৰ পৰা আজি প্ৰায় ডেৰ হেজাৰ বছৰ ধৰি ইংৰাজ জাতিৰ মাজত অতি জনপ্ৰিয় হৈ চলি আহিছে। শ্বেক্সপীয়াৰৰ নাটকৰ পিছততো গোটেই পৃথিৱীৰ মানুহেই তাক পঢ়িছে আৰু পঢ়ি আনন্দ পাইছে। লীয়াৰৰ এই সৰ্ব্বগ্ৰাহিতা আৰু সৰ্ব্বজনপ্ৰিয়তাৰ মূল কি?

লীয়াৰ হৈছে এটি দুৰ্নীতিমূলক দুৰ্ব্বলতাৰে সৈতে এটি নৈতিক দুৰ্ব্বলতাৰ সংযোগ আৰু সংঘৰ্ষ। নৈতিক শক্তিৰ প্ৰয়োগ আৰু বিশ্লেষণ হৈছে নাটক আৰু চৰিত্ৰ অঙ্কনৰ মূলবস্তু। ৰজা লীয়াৰৰ প্ৰধান নৈতিক দুৰ্ব্বলতা হৈছে অকপট বিশ্বাস। আই-বোপাইৰ ভালপোৱা কিমানদূৰ গভীৰ হব পাৰে 'লীয়াৰ' তাৰে এটি নিখুত চিত্ৰ। শ্বেক্সপীয়াৰৰ নিপুণ তুলিকাই গ্ৰীক নাট্যকাৰসকলৰ দৰে মানুহৰ মৌলিক অনুভূতি (elemental passions) বিশ্লেষণ কৰি যি ছবি আঁকিছে, জগতৰ সাহিত্যত তাৰ তুলনা নাই। লীয়াৰৰ দুৰ্ভাগ্যৰ লগত প্ৰাকৃতিক দুৰ্য্যোগৰ সমন্বয় শ্বেক্সপীয়াৰৰ তীব্ৰ কল্পনাৰ এটি পৰিচয় মাথোন।

হাজৰিকাদেৱৰ অনুবাদে হয়তো শ্বেক্সপীয়াৰৰ তীব্ৰ অথচ হৃদয়গ্ৰাহী উদ্দীপনাময়ী অথচ সংযত ভাষাৰ সৌন্দৰ্য্য সম্পূৰ্ণ ৰক্ষা কৰিব পৰা নাই। কোনো অনুবাদেই সেইটো কৰিব নোৱাৰে। কিন্তু এই অনুবাদৰ দ্বাৰা লীয়াৰে যে অন্ততঃ অসমীয়া ৰূপ ধৰি অসমীয়া পাঠকৰ মনত সোমাব পৰা হৈছে সেই কথা স্বীকাৰ কৰিব লাগিব। মূল পুথিত ব্যৱহাৰ হোৱা সামাজিক পৰিবেশৰ লগত অসমীয়া সামাজিক পৰিবেশৰ মিল নাই। সেইবাবে অনেক ঠাইত শ্বেক্সপীয়াৰৰ অতুলনীয় ভাষাত বাধ্য হৈ অসমীয়া ঠাঁচ দিবলগীয়া হৈছে, বিশেষকৈ লীয়াৰ (পগলা ৰজাৰ ভাষাত), এডগাৰ (সুৰলসিংহ পগলা অৱস্থাত) আৰু আৰ্ল অব কেণ্টৰ (অন্তঃপুৰীয়া) ভাষাত। অসমত ইংলণ্ডৰ নিচিনাকৈ

'বেৰণ' নাই। কিন্তু প্ৰকৃত প্ৰস্তাৱত বেৰণসকল ইংলণ্ডৰাজৰ পালি-ৰজা মাথোন আছিল, আৰু তেওঁলোকে বেলেগ অংশত অখণ্ড-প্ৰতাপেৰে ৰাজ্য চলাই ৰজাৰ বশ্যতা স্বীকাৰ কৰাৰ চিন স্বৰূপে এটা বাৰ্ষিক ৰাজহ দিয়েই অব্যাহতি পাইছিল। এই বাবেই 'লীয়াৰ'ৰ অসমীয়া ৰূপ দিওঁতে হাজৰিকাদেৱে বেৰণসকলৰ ঠাইত অসমীয়া পৰিস্থিতিৰ লগত ৰক্ষিতা পুৱাই জয়ন্তাৰাজ, কমতাৰাজ, জয়পুৰীয়া প্ৰভৃতি পালি-ৰজাৰ আমদানি কৰিবলগীয়া হৈছে। আশা কৰা যায়, সাধাৰণ পাঠকৰ আগত প্ৰতাপসিংহই নিশ্চয় লীয়াৰৰ সমস্যা লীয়াৰৰ হতাশা, লীয়াৰৰ ভাগ্যহীনতা, আৰু শেক্সপীয়াৰৰ অনুভূতি বিশ্লেষণ দাঙ্গি ধৰিব পাৰিব।

নাটকৰ আখ্যান-বস্তু আৰম্ভ হৈছে প্ৰতাপসিংহৰ ৰাজ্য-বিভাগৰ সংকল্পৰ পৰা। এই প্ৰাথমিক সংকল্পকে আশ্ৰয় কৰি গোটেই নাটকৰ কাহিনী সম্ভৱ হৈছে। ওপৰে ওপৰে চালে বোধ হয় যেন লৰা-ছোৱালীৰ মৰমৰ অনুপাতে নিজৰ ৰাজ্য ভাগ কৰি দিবলৈ যোৱাৰ নিচিনা এটা মুৰ্খালিৰ ওপৰত নিৰ্ভৰ কৰি নিজৰ ক্ষমতা হস্তান্তৰ কৰাটোৱেই প্ৰতাপৰ দুৰ্ভাগ্যৰ প্ৰকৃত কাৰণ। কিন্তু ভালকৈ চালে দেখা যায় যে প্ৰতাপসিংহই এই ৰাজ্য-বিভাগ আগৰে পৰা স্থিৰ কৰি ৰাখিছিল [২পৃঃ ১১-১৭ শাৰী] আৰু এই কথা আন আন বিষয়া আৰু পালি-ৰজাসকলেও জানিছিল ;—

[ৰজা—… ……জানিছানে শেষ ইচ্ছা মোৰ
কি যৌতুক দিম আজি কন্যাৰ লগত ?
জয়ন্তাৰাজ—মহাৰাজে নিজ মুখে কৰিছে প্ৰকাশ
কম তাৰ নহব নিশ্চয়। —১৩পৃঃ]

প্ৰতাপসিংহৰ ভুল হল জাহ্নৱী আৰু যমুনাৰ চাতুৰীত ভোল যোৱা আৰু সৰযূৰ প্ৰকৃত মূল্য নিৰূপণ কৰিব নোৱাৰাত। অসমৰ বুৰঞ্জীত

হয়তো প্ৰতাপসিংহৰ নিচিনা বুজা পোৱা নেযায়। কিন্তু প্ৰতাপৰ ভুল আৰু সমস্যা কেৱল ৰজাৰ নহয়, সাধাৰণ মানুহৰো ভুল আৰু সমস্যা। ই কেৱল প্ৰতাপৰ জীৱনৰেই বিশেষত্ব নহয়। নাট্যকাৰৰ জয়পুৰীয়া, সুৱলসিংহ আৰু বনমালীসিংহয়ো সেই কথাকে প্ৰমাণ কৰিছে।

'অশ্ৰু-তীৰ্থ' মূল দ্বন্দ্ব হৈছে সৎ প্ৰবৃত্তি আৰু অসৎ প্ৰবৃত্তিৰ মাজত। এই দ্বন্দ্বত সাধাৰণ নাট্যশাস্ত্ৰৰ ৰীতি অনুসৰি আমি শেষ অন্তত অসৎ প্ৰবৃত্তিৰ পৰাজয় হোৱা আৰু সৎ প্ৰবৃত্তিক নিজ আসনত প্ৰতিষ্ঠিত হোৱা দেখিবলৈ পাওঁ। কিন্তু প্ৰতাপসিংহৰ বেলিকা সেই ৰীতি নেথাটিল। অৰ্থ-সম্পদ আৰু ঐহিক সুখৰ ফালৰ পৰা চাবলৈ গ'লে দেখা যায় যে সৎ প্ৰবৃত্তি যদিও ঠিক পৰাজিত হোৱা নাই তথাপিতো সেইবিলাকক সসম্মানে জয়ী হোৱাও বুলিব নোৱাৰি। তাৰ একমাত্ৰ কাৰণ হৈছে বাস্তৱ জীৱনত সদায় নাট্যকাৰৰ কৰ্ম্মাছ অনুসৰি ঘটনা নঘটে। সৎ প্ৰবৃত্তিৰ চিৰ পৰাজয় আৰু অসতৰ বিজয়ো একেবাৰে নোহোৱা নহয়। আই-বোপাইৰ পাপৰ ফল অনেক সময়ত নিৰ্দ্দোষ লৰা-ছোৱালীৰ ওপৰতো বৰ্ত্তায় প্ৰতাপ-সিংহৰ জীৱনৰ পৰ আমি বুজিব পাৰোঁ যে দোষীৰ শাস্তি ভগৱানৰ হাতত সদায় আছে। ভুল আৰু মূৰ্খালিৰো অনুশোচনা ঠিক সেইদৰেই আছে। নাট্যকাৰৰ কৰ্ত্তব্য এইখিনিতে শেষ হ'ল। ইয়াৰ পিছৰ খোৱা ধৰ্ম্মযাজকৰ

প্ৰতাপসিংহৰ দুৰ্ভাগ্যৰ কাৰণে অনেক পৰিমানে দায়ী তেওঁৰ বয়স চাৰি কুৰি বছৰ বয়সত আৰু মানুহৰ মনত নতুন প্ৰভাৱ নপৰে। গোটেই জীৱনত একছত্ৰ অধিপতি হৈ থাকি আনৰ মতামত সহ কৰিবৰ শক্তি তেওঁৰ নোহোৱা হৈ গৈছিল আনৰ উপদেশ গ্ৰহণ কৰিবৰ ধৈৰ্য্যও নোহোৱা হৈ গৈছিল। তদুপৰি জাহ্নবী আৰু যমুনাৰ মতে [২০পৃঃ ৩-৬, ০-৬] বুঢ়া বয়সত খুৱৰ ঠিক নোহোৱা হৈ তেওঁ কুৎসিত কামবোৰ কৰিবলৈ ধৰিছিল। শেষ বয়সত আপোনপেটীয়া দায়িত্ববিহীন আৰু অপৰিণাম-

দশী হৈ, কি যে কৰে তাৰ স্থিৰতা নোহোৱা হৈ গৈছিল। নাটকৰ প্ৰথম দৰ্শনতে আমি প্ৰতাপৰ চৰিত্ৰৰ মূল বিশেষত্ব কেইটাৰ আভাস পাওঁ। নিজৰ ছোৱালী কেইটাৰ মাজত ৰাজ্য ভগাই দিব খোজাৰ পৰা বুজিব পাৰি তেওঁ উদাৰ আৰু মুক্তহস্ত, কিন্তু লগতে দেখা যায়, তেওঁ মদগৰ্ব্বী, গোৱাৰ আৰু অসহিষ্ণু। খণ্ডত অধীৰ হৈ তেওঁ নিজৰ সকলোতকৈ প্ৰিয় জীয়াৰীকে ফটা কাপোৰৰ দৰে দলিয়াই পেলালে আৰু সকলোতকৈ প্ৰিয় অনুচৰজনকে কুকুৰৰ দৰে দূৰ দূৰ কৈ খেদি দিলে। প্ৰথম অঙ্কৰ তৃতীয় দৰ্শনত প্ৰতাপৰ বিৰুদ্ধে জাহ্নবীৰ অভিযোগ হয়তো অতিৰঞ্জিত কিন্তু চতুৰ্থ দৰ্শনত ৰজা হৈ লগুৱাৰ মুখে মুখে নিকৃষ্ট ভাষাৰে তৰ্কাতৰ্কি কৰা, প্ৰহাৰ কৰা আদিৰ পৰা [৩৫পৃঃ] স্পষ্টকৈ বুজিব পাৰি যে বুঢ়া ৰজাৰ মতি-গতি বাৰু-কৈয়ে লৰিছে। সেই সময়ত তেওঁৰ ৰাজোচিত গুণৰ শেষ অৱশিষ্ট দেখা যায় অন্তঃপুৰীয়াৰ ভক্তি আকৰ্ষণ কৰিব পৰাত আৰু আশ্ৰিত বহুৱা লৰাটিৰ প্ৰতি মৰম আদিত। প্ৰতাপলৈ আমাৰ সহানুভূতি জাগে পিতৃ হৈ নিজৰ কন্যাক অভিশাপ দি জাহ্নবীৰ ঘৰৰ পৰা ওলাই যাবলৈ বাধ্য হোৱা মুহূৰ্ত্তৰ পিছৰ পৰাহে। যেতিয়া দেখোঁ, নিজৰ প্ৰাণাধিকা কন্যাক বঞ্চিত কৰাৰ কথা মনত পৰি বয়সেও ৰজাই শোকত কথা উচ্চা-ৰণ কৰিব নোৱাৰা হৈছে [৪১ পৃঃ ৫], যেতিয়া দেখোঁ, মুকুট-বিহীন ৰজাটি দুটি নিষ্ঠুৰ কন্যাৰ ভৱিত পৰি নিজৰ ছোৱালীৰ আগত আঠু লৈ অন্ন-বস্ত্ৰ ভিক্ষা কৰিছে [৬৮ পৃ ২০-২৩] আৰু অৱশেষত হতাশ হৈ চকুৰ পানী চকুতে শুকুৱাই, বুকুত ধুমুহা লৈ প্ৰকৃতিৰ ধুমুহাৰ মাজলৈ আগবাঢ়ি গৈছে, সেই মুহূৰ্ত্তৰ পৰাই বিধাতাৰ অভিশপ্ত প্ৰতাপে নাট্যকাৰৰ এটি কৰুণ বিৰাট সৃষ্টিৰূপে দেখা দিছে

জাহ্নবী আৰু যমুনা এক চাঁচতে গঢ়া দুটি বিভিন্ন মূৰ্ত্তি। দুয়োটায়ে যেন মূৰ্ত্তিমতী নিষ্ঠুৰতা আৰু অকৃতজ্ঞতা। জাহ্নবী মহুৰা

আৰু তেওঁৰ কামবিলাকো বেছি পৌৰুষব্যঞ্জক। প্ৰতাপৰ বিৰুদ্ধে নিষ্ঠুৰ ব্যৱহাৰ কৰিবৰ মন্ত্ৰণা প্ৰথমে তেওঁৰ পৰাই ওলায়। [২০-২১] নিজৰ বিনয়ী স্বামীক তেওঁ বিশেষ ভাল নেপাইছিল [১১৪ পৃঃ ৭-১৫], কিন্তু সেইবুলি সিজনক বশত ৰাখিবৰ ক্ষমতাও তেওঁৰ যথেষ্ট আছিল। [৪৭ পৃঃ ৭-১২] সেইবাবে দৰঙীৰাজৰ সৈতে আলোচনা নকৰাকৈয়ো কোনো কাম কৰিবলৈ পাছ নোহোহঁকিছিল [১১৫ পৃঃ ; ৬-১২]। দৰঙীৰাজৰ গালি-শপনিলৈ কাণ কৰাটোও তেওঁ বিশেষ আৱশ্যকীয় বুলি নেভাবিছিল [৪৫ পৃঃ ; ৯-১১] আৰু সময়ত দেখা-দেখিকৈয়ে উপলুঙা কৰিছিল [১১৮ পৃঃ ৩-১৯, ২৫ আৰু ১১৯ পৃঃ ৭]। পিতাকৰ অভিশাপেও তেওঁক অকণো বিচলিত কৰিব নোৱাৰিলে। আনকি সেই অভিশাপৰ পিছতো তেওঁ কেৱল এই বাবেই যমুনাৰ ঘৰত নিজে গৈ উপস্থিত হৈছিল যে পিতাকৰ দুৰৱস্থা দেখি হয়তো যমুনাৰ মন কুহলিব পাৰে আৰু বুঢ়া প্ৰতাপে তেওঁৰ ঘৰত আশ্ৰয় লাভ কৰিব পাৰে। বুঢ়া ৰজাক ধুমুহাৰ মাজলৈ খেদি পঠিয়াবৰ সময়তো তেৱেঁহে বেছি আগ্ৰহ প্ৰকাশ কৰে [৭৭ পৃঃ : ৭-৯, ২১-২২]। বনমালীৰ প্ৰতি জাহ্নবীৰ প্ৰেম যেনে অস্বাভাৱিক তেনে বীভৎস। এই নীচ প্ৰেমৰ বশবৰ্তী হৈ জাহ্নবীয়ে স্বামী দৰঙীৰাজকো বাটৰ পৰা আঁতৰাবলৈ কোচ নাখালে। কুণ্ডিলপতিৰ মৃত্যুৰ বাতৰি পোৱা মাত্ৰকে তেওঁৰ ভয় হ'ল জানোচা যমুনাই এইবাৰ মুক্ত হৈ তৎক্ষণাৎ বনমালীতে আশ্ৰয় কৰে। গতিকে প্ৰথম সুবিধাতে বিহ খুৱাই ভনীয়েকক হত্যা কৰি সেই আশঙ্কা গুচাই ললে আৰু যুদ্ধৰ শেষত দৰঙীৰাজৰ ব্যৱস্থা কৰিবলৈ পাঙি ললে। কিন্তু এই প্ৰেমেই জাহ্নবীৰ কাল হ'ল। নিজৰ চক্ৰান্ত ধৰা পৰা মাত্ৰকে জাহ্নবীয়ে আত্মহত্যা কৰিলে।

যমুনাৰ দুৰ্বুদ্ধি অৱশ্যে জাহ্নবীতকৈ অপেক্ষাকৃত কম আছিল

কিন্তু নিষ্ঠুৰতা আৰু খিয়লা-খিয়লিত যেন দুয়ো দুইবো প্ৰতিমূৰ্ত্তি। জাহ্নবীৰ লগত প্ৰতাপৰ বিপক্ষে কুমন্ত্ৰণা কৰোতে যমুনাৰ আগ্ৰহ জাহ্নবীতকৈ কম নহলেও জাহ্নবীৰ দৰে অবিচলিতভাবে প্ৰতাপৰ অভিশাপ সহ্য কৰিবৰ শক্তি তেওঁৰ নাছিল [৬১ পৃঃ ২৩ -২৫]। প্ৰকৃতিৰ ভীষণ দুৰ্য্যোগৰ মাজত বুঢ়া পিতাকক খেদি দিয়াৰ আগতে সেইবাবেই বোধ হয় অন্ততঃ মনক বুজনি দিবৰ বাবে 'অনুচৰবোৰক ঠাই নিদিওঁ, কিন্তু পিতাক আগ্ৰহেৰে ঠাই দিম' বুলি কিছু পৰিমাণে ভণ্ডামিও কৰিবলগীয়া হৈছিল। [৭৭ পৃঃ ৫—৬, ১০-১২] প্ৰতাপৰ বৰ্ণনাৰ পৰা বুজা যায় যে যমুনা জাহ্নবীতকৈ হয়তো অলপ বেছি সুন্দৰী, লাৱণ্যময়ী আৰু দেখাত মৰমিয়াল যেন আছিল। [৬৬পৃঃ ২৫-২৬ আৰু ৭০পৃঃ১-৭]। কিন্তু প্ৰকৃতপক্ষে দেখা যায় কাৰ্য্যক্ষেত্ৰত যমুনা জাহ্নবীতকৈও নিষ্ঠুৰা আছিল। জাহ্নবীয়ে জয়পুৰীয়াৰ চকুৰ মণি কঢ়াৰ কথা উল্লেখ কৰিছিল মাথোন, ("তাৰ চকুৰ মণি আৰু আঁঠুৰ ঢিলা কঢ়া হওঁক"— ১০২ পৃঃ) কিন্তু যমুনাই এই পিতৃতুল্য বৃদ্ধৰ কেৱল নিজে শাস্তি আৰ্কৰ্ষণ কৰিয়েই এৰা নাছিল, চকু কঢ়াৰ সময়তো নিজে উপস্থিত থাকি দুয়োটা চকুকে উঘালি পেলাবলৈ উদগনি দি এটা পৈশাচিক আনন্দ লাভ কৰিছিল। যি বনমালীৰ সৈতে তেওঁৰ ঘৃণ্য, অবৈধ প্ৰেম আছিল, সেই বনমালীৰে বিশ্বাসঘাতকতাৰ কথা পিতাক জয়পুৰীয়াৰ আগত বৰ্ণাই এটা বিজাতীয় তৃপ্তি লাভ কৰিছিল [১০৬-৭ পৃঃ]।

সৰযূৰ প্ৰকৃতি এই দুজনাৰ পৰা সম্পূৰ্ণ ৰূপে বেলেগ। নৈতিক আৰু শাৰীৰিক দুৰ্ব্বলতা আৰু নিষ্ঠুৰতাৰ মাজত সৰযূৰ প্ৰভায় যেন এটি স্বৰ্গীয় সঙ্গীত, যেন দুৰ্য্যোগৰ মেঘৰ মাজেদি এটি ক্ষীণ শান্ত নক্ষত্ৰৰ স্নিগ্ধ জ্যোতি। সৰযূ পুণ্যতোয়া সৰযূৰ দৰেই পৱিত্ৰ আৰু নিৰ্ম্মল। সৰযূৰ ছবিটো নাট্যকাৰে অতি কম সময়ৰ ভিতৰতে আঁকি দেখুৱাইছে। তাৰ মাজতে ফুটি উঠিছে সৰযূৰ পিতৃ-ভক্তি, পৱিত্ৰতা আৰু সৰলতা। সৰযূৰ

জীৱনৰ গতি সৰযূৰ মুখৰ কথাই নিৰ্দ্দেশ কৰি দিছে—"সত্য মোৰ জীৱন সাৰথি" (৭পৃঃ)। সৰযূৰ সম্পৰ্কে এটা মন কৰিবলগীয়া কথা এই যে নাটকৰ যি ঠাইতে সৰযূৱে বুকৰ মৰম মুখেৰে প্ৰকাশ কৰিবলগীয়া হৈছে, সেই ঠাইতে তেওঁ নিমাতী হৈ থাকে [৬পৃঃ ১-২, ১২১ পৃঃ ১৩-১৭, ১২২ পৃঃ ৮-১০, ১৪৪পৃঃ ইত্যাদি]; অথচ দেউতাকৰ প্ৰতি তেওঁৰ যে কিমান মৰম তাক বুঢ়া ৰজাৰ প্ৰতি আদৰ-যত্ন আৰু বাইদেৱেকহঁতৰ কাৰ্য্য-কলাপৰ প্ৰতি প্ৰকাশ কৰা খং আৰু ঘৃণাৰ পৰা ভালকৈয়ে ফুটি ওলাইছে। সৰযূৰ প্ৰত্যেকটি কাৰ্য্যতে তেওঁৰ সুস্থ আৰু সবল মনৰ চিনাকি পোৱা যায়। প্ৰথমতে দেখা যায়, যিবিলাক চৰিত্ৰৰ সংস্পৰ্শত তেওঁ আহিবলগীয়া হৈছে তাৰ প্ৰত্যেক জনৰে উদ্দেশ্য তেওঁৰ মনত ফট্ ফটীয়াকৈ ধৰা পৰিছে। প্ৰতাপে উত্তৰাধিকাৰৰ পৰা বঞ্চিত কৰিব বুলি জানিও তেওঁ নিজৰ উচিত বিচাৰৰ পৰা অকণো লৰা নাই। কমতাৰজাকো তেওঁ বিয়াৰ আগতে নিজৰ অৱস্থা সম্পৰ্কে ভালদৰে বুজাই দিছে। অম্বষ্ঠা-নৃপতিকো তেওঁ এক মুহূৰ্ত্ততে বুজি লৈ একেষাৰ কথাৰেই বিদায় দিছিল। [১৭পৃঃ ১৫-১৭]। জাহ্নৱী আৰু যমুনাৰ আগত তেওঁ এক মহীয়সী নাৰী মূৰ্ত্তি। তেওঁ লোকৰ প্ৰতি সৰযূৰ বিদায়-নিবেদনো তেওঁৰ চৰিত্ৰজ্ঞানৰ পৰিচায়ক। সেয়েহে শেষ অৱস্থাত তেওঁ দুয়োজনকে বিদ্ৰূপ কৰিবলৈকো এৰা নাই। সৰযূৰ দুৰ্ব্বলতাও এই মৰম আৰু সবলতাৰ পৰাই ওলোৱা। জাহ্নৱী আৰু যমুনাৰ কূটনীতিয়ে তেওঁৰ মনত এনে এটা ঘৃণা ওপজাই দিছিল যে তাৰ পিছত আৰু নিজৰ মৰমৰ কথা বহলাই ক'বৰ ধৈৰ্য্য তেওঁৰ নেথাকিল। এবাৰ যি কথা প্ৰতাপৰ আগত কলে সেই কথাকে লুটিয়াই লুটিয়াই কৰাৰ অভিৰুচি নহল। এইদৰে চৰিত্ৰৰ নিষ্ঠাৰ দ্বাৰাই তেওঁ নিজক ভুল বুজিবৰ সুযোগ দিলে আৰু তাৰ ফলস্বৰূপে ৰাজ্যৰ পৰা নিৰ্ব্বাসিতা হবলগীয়া হ'ল।

দৰন্তীৰাজ আৰু কুণ্ডিলপতিৰ মাজত আমি যথেষ্ট পাৰ্থক্য দেখি-

বলৈ পাওঁহক। কুণ্ডিলপতি যমুনাৰ দৰেই খঙাল, নিষ্ঠুৰ আৰু ক্ৰুৰ-মতি। বনমালীৰ চক্ৰান্তৰ পৰা নিজৰ লাভ হবৰ আশা দেখি তেওঁ প্ৰথমেই অন্তৰৰ সদ্বৃত্তিবোৰ দলিয়াই পেলাই আগ্ৰহেৰে সৈতে সেই চক্ৰান্তত যোগ দিলে। আনকি পিতৃহত্যাৰ নিচিনা পাপকো তেওঁ সমৰ্থন কৰিবলৈ পাছ হোঁহকা নাছিল।

আন পক্ষে দময়ন্তীৰাজৰ গাত অন্ততঃ কিছু পৰিমাণে সদ্গুণ দেখা পাওঁ। তেওঁ আৰম্ভণিতে পৰা প্ৰতাপৰ মৰমৰ পাত্ৰ আছিল। জাহ্নবীয়ে প্ৰথম অৱস্থাত তেওঁক দমাই ৰাখিলেও অৱশেষত এই পাপিয়সীৰ মুখা খুলি দি তেওঁ নিজক পুনৰ প্ৰতিষ্ঠিত কৰিব পাৰিছিল। যুদ্ধৰ পিছত তেওঁৰ চৰিত্ৰৰ তেজ আৰু ভালকৈ ফুটি ওলাল। জাহ্নবীক তেওঁ সকলোৰে আগতে দেখাদেখিকৈ তিৰস্কাৰ কৰিয়েই এৰি নিদি বন্দ আটক কৰি ৰাখিবৰো ব্যৱস্থা কৰিলে [১৬১-৬২ ,] আৰু জয়পুৰীয় আৰু প্ৰতাপৰ উৎপীড়নকাৰীসকলৰ ওপৰত ভীষণ প্ৰতিশোধ ল'বলৈ প্ৰতিজ্ঞা কৰিলে। সৰযূ আৰু প্ৰতাপক ৰক্ষা কৰিবলৈ দময়ন্তীৰাজৰ চেষ্টা আৰু যি ৰাজ্য অৱশেষত তেওঁৰ নিজৰেই হল বুলিব পাৰি সেই ৰাজ্য প্ৰতাপক ঘূৰাই দিব খোজাৰ কথা মন কৰিবলগীয়া।

জয়পুৰীয়াৰ লগত নাটকৰ মূল ঘটনাৰ সম্বন্ধ নিচেই কম। নাট্যকাৰৰ প্ৰধান উদ্দেশ্য হৈছে প্ৰতাপৰ অভিশপ্ত জীৱনৰ লগতে বিভিন্নমূলক এক এটি জীৱনৰ ছবি আঁকি দেখুৱাই প্ৰমাণ কৰা যে প্ৰতাপৰ দুৰ্ভাগ্য কোনো অস্বাভাৱিক বা অকল্পনীয়া ঘটনা নহয়। প্ৰতাপৰ প্ৰথম বচন-ফাকিৰ পৰা বুজা যায় যে জয়পুৰীয়াৰ প্ৰতাপৰ ৰাজ-সভাত এখন ওখ আসনেই আছিল। আনফালে কুণ্ডিলপতিৰ লগতো তেওঁৰ কিবা এটা সম্বন্ধ আছিল। জয়পুৰীয়াই "প্ৰভু মোৰ কুণ্ডিল নৃপতি" (৫২ পৃঃ) বুলি কোৱাৰ পৰা বুজিব পাৰি

হয়তো তেওঁ কুণ্ডিলপতিৰ কবদ বজা আছিল। আকৌ কুণ্ডিল-পতিয়েও যে জয়পুৰীয়াৰ সাহায্য মূল্যবান বুলি ভাবিছিল তাক বুজিব পাৰি প্ৰতাপক অভ্যৰ্থনা কৰাৰ পৰা হাত সাৰিবলৈ কুণ্ডিল-পতিয়ে জয়পুৰীয়াৰ ওচৰলৈ নবমাৰি অহাৰ পৰা। জয়পুৰীয়াৰ চৰিত্ৰত কোনো নাটকীয় বিশেষত্ব দেখা নেপায়। তেওঁ হৈছে পোনপটীয়া সৰল স্বভাৱৰ মানুহ। যেই সেই কথাৰেই তেওঁক সহজে পতিয়ন যোৱাব পাৰি। আগবয়সত তেওঁৰ চৰিত্ৰ ভাল নাছিল। কিন্তু সেই গত জীৱনৰ চিন্তাই তেওঁৰ মনক পীড়া দিয়ে যেন দেখা নাযায়। বৰং বুঢ়া বয়সত যেতিয়া তেওঁ আগ বয়সত বোৱা বিষ বৃক্ষৰ গুটি খাবলগীয়া হল, তেতিয়াও আমি ভাগ্য-দেৱতাক দোষ দিয়াহে দেখিবলৈ পাওঁ। বিপদৰ সময়তো তেওঁ পুৰুষাৰ্থ দৰে যুদ্ধ নকৰি বৰং আপোনঘাতী হ'বলহে চেষ্টা কৰিছিল আৰু পুতেক সুবল-সিংহৰ বুজনি সত্ত্বেও সেই পাপৰ গুৰুত্ব বুজিব নুখুজিছিল। জয়পুৰীয়াৰ চৰিত্ৰগত দুৰ্বলতাৰ ইও এটা প্ৰমাণ।

বনমালী জয়পুৰীয়াৰ অবৈধ সন্তান কিন্তু জয়পুৰীয়াৰ ঘৰত গাত জন্মৰ চেকা থকা তো তেওঁ কোনো অসুবিধা ভুগিবলগীয়া নহৈছিল। ধুনীয়া চেহেৰা তীক্ষ্ণ-বুদ্ধি, সাহস আৰু ডেকা বয়স, সকলো পিনৰে পৰা এটি সম্মানিত জীৱন কটাবৰ তেওঁৰ সুবিধা আছিল। কিন্তু বিকৃত-চৰিত্ৰ বনমালীয়ে সেই সুযোগ গ্ৰহণ নকৰিলে। তেওঁ শিক্ষা আৰু শক্তি সকলোখিনি প্ৰয়োগ কৰিলে নিজৰ স্বাৰ্থ সাধনৰ বাবে। সমাজৰ ওপৰত বনমালীৰ প্ৰধান আক্ৰোশ— সমাজে তেওঁক বৈধ-সন্তান বুলি স্বীকাৰ নকৰিলে। ইয়াৰ প্ৰতিফল দিবলৈ সমাজৰ ওপৰত যি কোনো প্ৰকাৰে অত্যাচাৰ কৰাই হল তেওঁৰ জীৱনৰ মূলমন্ত্ৰ। এই উদ্দেশ্য সফল কৰিবলৈ বনমালীয়ে সকলো প্ৰকাৰৰ ষড়যন্ত্ৰৰে আশ্ৰয় লৈছিল। বিবি-লাতৰ সংস্পৰ্শত তেওঁ আহিছিল সেই সকলোবিলাকৰে দুৰ্বলতাৰ

সুযোগ তেওঁ লৈছিল। তদুপৰি সৌভাগ্যগুণে যি কোনো সুবিধাই তেওঁৰ আগত আহি পৰে অকুণ্ঠিতচিত্তে সেই প্ৰত্যেকটিকে নিজৰ স্বাৰ্থ-সিদ্ধিৰ সাধনৰ বাবে প্ৰয়োগ কৰিছিল। স্বাৰ্থসিদ্ধিৰ পথত কোনো প্ৰতিবন্ধকেই তেওঁ গ্ৰাহ্য নকৰিছিল। কুণ্ডিলপতি ঘটনাক্ৰমে মাধোন জয়পুৰৰ দুৰ্গত ৰাতি কটাবলৈ আহিছিল, কিন্তু প্ৰত্যুৎপন্ন-মতী বনমালীয়ে তৎক্ষণাৎ সেই ঘটনাকো নিজৰ উদ্দেশ্য সিদ্ধি হোৱাৰ বাট মুকলি কৰিবলৈ ব্যৱহাৰ কৰিলে (৪০ পৃঃ)।

বনমালীৰ পৰাজয় ঘটিল এই অতিশয় দুৰকাঙ্খাৰ হাতত। সেউন্তাকৰ বিশ্বাসপ্ৰৱণতাৰ সহায় লৈ প্ৰথমে তেওঁ ককায়েক সুবলসিংহৰ সৰ্ব্বনাশ কৰিলে। তাৰ পিছত আন আন ঘটনাৰ সংযোগত তেওঁৰ আকাঙ্ক্ষা আৰু অলপ বাঢ়ি গল। কুণ্ডিলপতিৰ মৃত্যুৰ লগে লগে তেওঁ যমুনাৰ লৈতে আধাখিনি ৰাজ্যৰ ৰজা হ'বৰ সম্ভাৱনা দেখিলে। কিন্তু এইখিনিও তেওঁৰ বাবে যথেষ্ট নহল। জাহ্নবীৰ লৈতে সম্বন্ধ লগাই তেওঁ গোটেই ৰাজ্যৰে ৰজা হ'বৰ সপোন দেখিলে। পিছে অতিলোভাভিভূতস্য চক্ৰং ভ্ৰমতি মস্তকে মতিভ্ৰম হৈ তেওঁ জাহ্নবীৰে লৈতে চক্ৰান্ত কৰোঁতে যথেষ্ট সাৱধানত নললে। এই শেষ প্ৰচেষ্টাই তেওঁৰ সৰ্ব্বনাশ মাতি আনিলে। যি ককায়েকক তেওঁ কৌশলেৰে নিৰ্ব্বাসিত কৰিছিল, ভাগ্যৰ দোষত সেই ককায়েক সুবলসিংহৰ হাততে জাহ্নবীৰ লগুৱা ধনঞ্জয় ধৰা পৰিল আৰু তাৰ হাতত থকা চিঠিৰ পৰাই জাহ্নবী আৰু বনমালীৰ চক্ৰান্ত ধৰা পৰিল। এই সংবাদৰ অধিকাৰী হৈয়েই সুবলসিংহই দৰঙীৰাজৰ ওচৰ চাপিব পাৰিলে যি মুহূৰ্ত্তত বনমালীয়ে আৰু নিজৰ চক্ৰান্ত প্ৰায় সফল কৰি তুলিব ধৰিছিল সেই মুহূৰ্ত্ততে উপস্থিত হৈ বনমালীক চূৰ্ণ কৰিবলৈ সক্ষম হ'ল।

অভয়পুৰীয়া হৈছে বনমালীৰ ঠিক বিপৰীত। বনমালী যিদৰে অকৃতজ্ঞতাৰ চৰম দৃষ্টান্ত অভয়পুৰীয়া সেইদৰে বিশ্বস্ততাৰ চৰম

উন্মোচন। কিন্তু বিশ্বাসী হলেও অভয়পুৰীয়াৰ মুখ বৰ চোকা আছিল। তেওঁ সঁচা কথা কবলৈ ভয় নকৰিছিল, কিন্তু অপ্ৰিয় সত্য আৰু বেছি অপ্ৰিয়কৈ কোৱাটো তেওঁৰ এটা ডাঙৰ দোষ। কুণ্ডিলপতিৰ লগত তেওঁ অনাহক হাই-কাজিয়া কৰি নিজৰ উদ্দেশ্য সিদ্ধিৰ পথতে বাধাৰ সৃষ্টি কৰিছিল। আনপক্ষে তেওঁৰ ভক্তি আৰু ভালপোৱা যিমান গভীৰ, সিমানেই তীব্ৰ। প্ৰতাপৰ প্ৰতি অকপট ভক্তি আৰু শ্ৰদ্ধা আৰু সৰয়ৰ প্ৰতি অকৃত্ৰিম স্নেহ আৰু ভাল পোৱাৰ তুলনা নাই। নিজৰ শত কষ্ট-অপমানকো তেওঁ এই দুজনৰ বাবে হেয়-জ্ঞান কৰিছিল।

'অশ্ৰু-তীৰ্থ'ৰ চৰিত্ৰাৱলী মুঠতে এয়ে বুলিব পাৰি। এই নাটকৰ বিশিষ্টত্ব প্ৰমাণ হয় তাৰ ভাষা বা পদ্য-বৈচিত্ৰ্যৰ দ্বাৰা নহয়, তাৰ নৈতিক যুদ্ধৰ ছবিৰ দ্বাৰা। প্ৰাকৃতিক আৰু নৈতিক ধুমুহাৰ মাজেদি জাহ্নবী, যমুনা সৰস্বতী তিনিধাৰে বৈ বৈ এক মহাসাগৰতে মিল হৈছেগৈ। সেই মহাসাগৰ হৈছে জীৱন। অধৰ্মৰ সদায় জয় নহয়, ধৰ্মৰো পৰাজয় চিৰদিন নাথাকে; কিন্তু সাময়িকভাৱে অধৰ্মৰো জয় হয়: ধৰ্মৰে পৰাজয় ঘটে ধাৰ্ম্মিক শোক-দুখত ডুমুনিয়াহ পেলাবলগীয়া হয় আৰু সমবাথী সাংসাৰিকজনে তাৰে লগত এটুপি চকুপানী মচে এয়ে নীতি আৰু দুৰ্নীতিৰ মিলনৰ অশ্ৰু-তীৰ্থ। অসমীয়া পাঠকে শেক্সপীয়াৰৰ লীয়াৰক চিনি নেপাৰ, প্ৰতাপসিংহকো অসমত সহজে বিচাৰি পোৱা টান হব। কিন্তু এই "অশ্ৰু-তীৰ্থ"ত সকলোৱে আহি এবাৰ তৰ্পণ কৰিব পাৰিব।

—ঃ অৰ্পণ ঃ—

অসমৰ ভূতপূৰ্ব্ব শিক্ষামন্ত্ৰী

বিদ্যোৎসাহী

মৌঃ চয়িদুৰ ৰহমান এম-এ, বি-এল

(পূৰ্ব্বৰ-খান ব'হাদুৰ, ছি-আই-ই)৽

চাহাবৰ হাতত এই

অশ্ৰু-তীৰ্থ

নাটখনি

আম'ৰ ব্যক্তিগত শ্ৰদ্ধা আৰু ভক্তিৰ

চিঃ স্বৰূপে

অৰ্পণ কৰা হল ।

ওৱাহাটী } বিনীত
১৪।৪।৪৮ } শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

চৰিত্ৰ

১। প্ৰতাপসিংহ [King Lear] ... কামৰূপৰ ৰজা
২। জাহ্নৱী [Goneril] ... ... ঐ ডাঙৰ জীয়েক
৩। যমুনা [Regan] ... ... ঐ মাজু জীয়েক
৪। সৰযূ [Cardelia] ... ... ঐ চুমলীয়া জীয়েক
৫। বহুৱা [Fool] ... ... ঐ বহুৱা
৬। ধনঞ্জয় [Oswald] ... ... জাহ্নৱীৰ লগুৱা
৭। অভয়পুৰীয়া [Earl of Kent] ... অভয়পুৰৰ ৰাজপ্ৰতিনিধি
৮। জয়পুৰীয়া [Earl of Glocester] ... জয়পুৰৰ ৰাজপ্ৰতিনিধি
৯। সুবলসিংহ [Edger] ... ... ঐ পুতেক
১০। বনমালী [Edmund] ... ঐ পুতেক (জাৰজ)
১১। দৰঙীৰাজ [Duke of Albany] দৰঙৰ ৰজা, (জাহ্নৱীৰ স্বামী)
১২। কুণ্ডিলপতি [Duke of Corwall] ... কুণ্ডিলৰ ৰজা, (যমুনাৰ স্বামী)
১৩। কমতাৰাজ [King of France] ... কমতাৰ ৰজা (পিছত সৰযূৰ স্বামী)
১৪। জয়ন্তাৰাজ [Duke of Burgundy] ... জয়ন্তাপুৰৰ ৰজা (সৰযূৰ পাণিপ্ৰাৰ্থী)

বৈতালিক, বৰাগী, পুৰোহিত, বেজবৰুৱা, বিষয়াসকল, অনুচৰবিলাক সেনাবিলাক, নৰ্ত্তকীবিলাক আদি

———x———

চাৰণগীয়া ঃ— ১ ম অঙ্কৰ ১ ম দৰ্শন আৰু ৩য় দৰ্শনত জাহ্নৱী, আৰু 'সৰযূ'ৰ সলনি যথাক্ৰমে 'নৰ্মদা' আৰু 'শেৱালী' বুলি ভুলতে ছপা হৈছে । 'এই ভুল অৱধাৰ্য নয় যেন !

অশ্রু-তীর্থ

প্রথম অঙ্ক

প্রথম দর্শন

প্রাগজ্যোতিষ—রাজসভা

[জয়পুরীয়া, অজয়পুরীয়া, বরযাত্রী, সভাসদসকল, বৈতালিক আদি।]

—গীত—

বৈতা—নমো, কামরূপা অসমা,

নীল-শৈল-শিখরিণী সজল-কজ্জল-কুন্তলা

শিবি-গৌরব-গরবিনী, নীলাম্বিত-শ্যাম-অঞ্চলা।

প্রথম-প্রভাত-প্রতিপন্না বসন্ত-গীতি-গন্ধা,

তীর্থ-ব্যাস-বাম-পালিতা মুনি-মহাতপ-বন্দ্যা।

জিনি ইন্দ্র-নন্দন মোক্ষ-মুক্তি-পন্থা।

লৌহিত্য-পূত-সলিলা, কোটি-নির্ঝর-ঝঙ্কৃতা,

বিজয়াঙ্ক শত শতাব্দীর শৌর্য্য-সুযশ-মণ্ডিতা।

অনন্ত-বস্তু-সম্ভরা করুণাকুল-বেদনা,

হর্ষ-পুলক-চঞ্চল চির উজ্জ্বল প্রাণ-প্রেরণা—

স্বর্গালোক-জাগ্রতা মূর্তিমতী কল্পনা।

[নীৰৱ অন্তঃ তেৰী বাঁজে। অলপ পিছতে মহাৰাজ
প্ৰতীপ, ময়ূৰীৰাজ, শুক্তিলৰাজ, সুবৰ্ণ, উৰ্মিলা, সুৰম
আৰু পাত্ৰ-মন্ত্ৰীৰ সভ্যাধিকাৰ প্ৰৱেশ।]

ৰজা—জয়পুৰীয়া ডাঙৰীয়া!
অযুক্তা আৰু কৰতাৰাজৰ অভ্যৰ্থনাৰ বাবে
তোমালোক সাজু হোৱাহক।

জয়—যি আদেশ মহাৰাজ।

[জয়পুৰীয়া আৰু সমসাজীৰ প্ৰস্থান।

ৰজা—শুনা আজি সভাসদ বিষয়াসকল।
গূঢ় এক ৰাজকাৰ্য্য কৰো সমাপন।
মানচিত্ৰ দিয়া মোক,
চোৱা সকলোৱে।
ভগালো বিশাল ৰাজ্য তিনিটা অংশত।
মনৰ সংকল্প মোৰ—
অসহনি হল ৰাজ্যভাৰ,
সমৰ্পণ কৰি তাক তৰুণ কৰত
বাণপ্ৰস্থ কৰিম গ্ৰহণ।
শুনা মোৰ মৰমৰ সৰত্ৰী নৃপতি
শুনা আৰু সমপ্ৰিয় কুন্তিল-কোঁৱৰ
স্থিৰ কৰি দিম আজি কন্যাৰ যৌতুক
মোৰে যাতে ভবিষ্যতে অলপো বিবাদ।

জয়ন্তা, কমতাবাজ বিশিষ্ট অতিথি ।
পাণিপ্ৰাৰ্থী দুই মোৰ কনিষ্ঠা কন্যাৰ ।
বহুত দিনৰ পৰা আছে আশা পালি ;
আজি দুয়ো ভাবিচিন্তি দিব সমিধান ।
প্ৰাণতো অধিক মোৰ জীয়াৰীসকল ।
মোৰ এই বিশাল ৰাজ্যত
এৰি দিম স্বত্ব আজি—সৰ্ব্ব অধিকাৰ
তোমালোকে এক মাৰ্থে। হবা অধিকাৰী ।
কোৱাচোন এবে বাক বিবেচনা কৰি
ভালপোৱা কোনে মোক সবাতো অধিক ?
যিজনীৰ সমিধান হব বেছি ভাল
সিজনীয়ে দান মোৰ লভিবা প্ৰচুৰ ।
জাহ্নবী কুঁৱৰী নৰ্ম্মদা ! ডাঙৰ জীয়াৰী মোৰ !
তুমিয়েই আগৰবি কোৱাচোন বাক ।
~~নৰ্ম্মদা~~—জেষ্ঠতা !
তোমাক ইমান বেছি ভালপাওঁ মই
প্ৰকাশ কৰিব তাক ভাষাৰ নাটনি ।
দৃষ্টিশক্তি, স্থান কিবা স্বাধীনতা ধন
সবাতো অধিক প্ৰিয় তুমি পিতৃদেৱ ।
অমূল্য দুৰ্লভ বস্তু—সিও যে নিষ্প্ৰভ !
সৌন্দৰ্য্য মাধুৰ্য্য, স্বাস্থ্য, সম্পদ, সন্মান,
সবাতোৰ [illegible] গুণ জীৱন-ভূষণ
[illegible] মতে [illegible] [illegible] তুলনা ।

সন্তানের পিতৃপ্রেম যেখানে সম্ভব
বর্তমানে ভালবাসা, ভক্তি— অন্তরের
পিতৃত্বে শক্তির পাবে সন্তানের পথা,
সিন্ধুতেই ভালবাসা পরিমাণহীন
জানিয়া তোমার প্রতি চিরকালে মোর।

সকলে—(সগর্জন) তেনে স্বর, কিবা বাক্য কব সম্মুখে
অন্তরের ভালবাসা নীরবে মাপোনা।

বক্তা— পর সন্তোষ পাওনা কণ্ঠস্থ তোমার
[illegible] মধ্যে পর কিসের ব্যস্তার
দিনে দান আনন্দেরে যৌতুক তোমাকে
যাই পোয়া, হয়ে সব সীমাবদ্ধ ভার।
সীমার মাঝেতে এই আছে বর্তমান
গিরি-কন্দর অরি-বন শ্যামল প্রান্তর
নদ-নদী সিন্ধু-খাল ধ্বনি কল্লোল
মিলনের বাণী আজি গাহিতেছে তোমাকে।
তুমি আজ মহীরাজ
নাতি-পুতি ভবিষ্যৎ বংশধরগণে
নিষ্কণ্টক রাজ্যভোগ করিবে সুখেতে।
কোথা চোল এবে তমি মাত্র অদৃষ্টে
স্মরণ করুনা মোর।

যমুনা—(স্বগত)। বাইদের কলে এতিমাই,
মনো কণ্ঠ উচ্চকণ্ঠে সহস্র মুখেতে—

অন্তৰৰ যত ভালপোৱা, প্ৰেম প্ৰীতি ভক্তি
জীৱনৰ সুখ-ভোগ আহাৰ-বিহাৰ
ইন্দ্ৰিয়-তৃপ্তিৰ আৰু আনন্দ যিমান,
সকলোকে ভাবো মই অতি তুচ্ছ বুলি
তব প্ৰতি ইমানেই উচ্চ ভালপোৱা।
ইমানেই ভালপাওঁ জানিবা তোমাক
সেয়ে মোৰ জীৱনৰ একমাত্ৰ সুখ।

সমৰু—(স্বগত) জেনেহলে অভাগিনী সমৰুৱে এই
কিন্তু দুখ পাবে জানো কেনেকৈ?
জানো মই সুনিশ্চিতভাৱে
অন্তৰত আছে মোৰ
ৰচনাৰ অধিক সম্পদ।

ৰজা—বন্ধু, বন্ধু অতি বন্ধু তুমি মোৰ।
তুমি আৰু নাতিপুতিসকলক মোৰ
ৰাজ্যৰ দ্বিতীয় অংশ কৰিলো প্ৰদান।
মম জীয়ৰীক দিয়া ৰাজ্যাংশৰ সতে
জানিবা তোমাৰো ভাগ তুল্যত সমান।
হৃদয়-আনন্দ মোৰ সুন্দৰী জীয়ৰী,
যাৰ প্ৰেম-প্ৰতিদ্বন্দ্বী তই
ভগ্নী কমতাবাজ আছে অপেক্ষাত
তোমাতকৈ তুমি এৰে সৰু আইজনী।
পাবা জান শ্ৰেষ্ঠাংশ ৰাজ্যৰ।

সৰযু—ভাষা নাই। দেউতা!
কথা মোৰ নোলায় মুখত।
ৰজা—নিজিও নিমাতী হৈ থাকিব তোমাক
দিয়া মোক সন্নিধান সুস্পষ্ট ভাষাৰে।
শেফালী—দেউতা! অভাগিনী সৰযু তোমাৰ,
নসৰে মুখৰ পৰা অন্তৰৰ ভাষা।
ভালপাও তোমাক নিশ্চয়,
নোহে বেছি—মহৰ অলপ।
ৰজা—ইকি! ইকি! সৰযু! স্তব্ধ হ।
কৰ তোৰ বাক্য পৰিহাৰ
নহলে জানিবি হব সৌভাগ্য বিনাশ।
সৰ—শুনা দেউতা পূজনীয় পিতৃদেৱ মোৰ।
জনম পালন মোৰ স্নেহ ভালপোৱা
লভিছো সকলো মই তোমাৰেই পৰা
সমভাবে বিধিমতে পালিম কৰ্ত্তব্য,
শ্ৰদ্ধা ভক্তি অকপট ভালপোৱা মোৰ
সবিনয়ে নিবেদন কৰিম তোমাক।
কিন্তু মোৰ পূজনীয়া বাইদেউহঁতে
হৃদয়ৰ ভালপোৱা সকলোখিনিকে
দিলে যদি তোমাকেই হিয়া সুধা আনি
স্বামীসকলৰ প্ৰতি ৰাখিলে কি বাকী?
মই হলে কওঁ স্পষ্ট কৰি—

নিৰন্তৰ যথসাধ্য কৰিম অৰ্পণ
প্ৰেম-প্ৰীতি ভক্তি-ৰস ভালপোৱা মোৰ
আধা ভাগ পাব সেই স্বামী-দেৱতাই ।
সকলোখিনিকে সেই ভালপোৱা মোৰ
তোমাকেই আজি মই দিবলৈ হলে
ঋষিদেৱীসকল দৰে হই নিষ্কাম্ভিতা
নোৱাৰিম ৰাখো আৰু কৰিব বৰণ ।
ৰজা—এয়ে নেকি তেন্তে তোৰ অন্তৰৰ কথা ?
সত্য—নিকা নাই মিছা কথলই, দেউতা !
ৰজা—তোৰ মই নহও দেউতা ।
এনে কেনে কুমাৰীয়া সম্ভ্ৰমতে তই
উমান নিৰ্জ্জয়া বাক্য কলি স্বিলোকনে ?
সত্য—ক্ষমা মই—উদাসীনা তনয়া তোমাৰ
সত্য মোৰ জীৱন-সাৰথি ।
ৰজা—বেছ ! হব সেইদৰে । জানিবি নিশ্চয়
সেই অনুযায়ী হব যৌতুকৰ ভাগ ।
তৰুণ তপন ভাগ, তাপিনী যোগিনী
পহীন তামসী নিশা, নবগ্ৰহ যম
জন্ম-মৃত্যু সংঘটিত যাৰ নিৰ্দ্দেশত
সৰ্বলোকৰে সাক্ষী ৰাখি মই—
ছিন্নাৰ অপত্য স্নেহ দিলো বিসৰ্জ্জন ।
মচিলো সকলো মোৰ তোৰেৰ সম্পৰ্ক

অন্তৰৰ পৰা তোক থলো আঁতৰাই ।
ইহ জীৱনত মোৰ হে নিঠুৰা পাষাণী !
তই মোৰ মৰমৰ নহয় জীয়াৰী ।
অসভ্য বৰ্ব্বৰ নৰ হিংস্ৰ বনচৰ
পেটৰ পোৱালী যাৰ সুখাদ্য আহাৰ
সিসৱেও পাব মোৰ অন্তৰত ঠাই ;
কিন্তু তই হলি মোৰ ঘৃণিতা বৰ্জ্জিতা ।

অভয়—মহাৰাজ !

ৰজা—নজনাবা কোনো প্ৰতিবাদ :
দুৰ্দ্দান্ত দানৱ আৰু কোপানল তাৰ
নোসোমাবা দোমোজাত কোনো ।
যি মোৰ অন্তৰৰ আছিল স্নেহৰ
প্ৰিয়ৰো অধিকে প্ৰিয় বৰ মৰমৰ
ভাবিছিলো মনে মনে যাক
হব মোৰ মাতৃসমা বাৰ্দ্ধক্যৰ ধাত্ৰী
সেয়ে আজি শক্তিশেল হানিলে বুকুত
যা, যা, দূৰ হই যা,
নাথাকিবি আৰু তই চকুৰ আগত ।
মৰিশালি হক মোৰ শান্তি-নিকেতন
অন্তৰৰ পৰা তোক দিলো বিসৰ্জ্জন
লুকিলেও হিমালয়, অৰণ্যে প্ৰান্তৰে,
নপৰে বচন মোৰ ভাঙিবি নিশ্চয় ।

অন্তঃপুৰী।

শুনিলা, সভাসদসকল!
জীয়াৰীহঁতৰ সতে তোমালোক দুজনা
ৰাজ্যৰ তৃতীয় অংশও কৰা উপভোগ।
দয়াহীনা গৰবিনী কনিষ্ঠা কন্যাৰ
গৰ্ব্বৰ ফলত এবে শোক পৰিণয়
মৰমৰ তোমালোক জোঁৱাই দুজনে
লোৱা আজি মোৰ ৰাজ্যভাৰ।
সম্মান ভূষণ মোৰ আছিল বিশাল
ৰাজদণ্ড সিংহাসন কৰিলো প্ৰদান।
এশজন অনুচৰ সভাসদ লৈ
দুই কন্যা-জামাতাৰ ৰাজপ্ৰাসাদত
কটাম এমাহ কাল পাল অনুসৰি।
মই মাথো ৰজা হৈ থাকিম নামত
তোমালোক দুজনেই প্ৰিয় পুত্ৰ মোৰ
সমানে ভগাই লবা বিশাল সাম্ৰাজ্য।
ৰাজকৰ্ম্ম সম্পাদন, ৰাজস্ব গ্ৰহণ
সকলো শাসন-ভাৰ লোৱা বুদ্ধি-শক্তি।
শুভকাৰ্য্য নাশ হয় বিলম্ব কৰিলে
এতিয়াই এই মুহূৰ্ত্তত
দুজনকে দিওঁ মোৰ মুকুট পিন্ধাই। (মুকুট প্ৰদান)
অন্তঃপুৰীয়া—মহাৰাজ [illegible]!
নৰপতি বুজি তোমাক কৰিলো প্ৰণাম।

পিতৃজ্ঞানে ভক্তিভাবে পূজিয়াছো তোমারে ।
প্রভুজ্ঞানে চিরকালে পালিয়াছো আদেশ
প্রধান সহায় তুমি প্রার্থনা কারণ ।

বজ্রা—এবি দিছো ধনুর্ব্বাণ হব লক্ষ্যভেদ
নাথাকিবা সমুখত তাব ।

অজয়—বোৰ বুকতেই বজ্রা হক বজ্রপাত,
মোৰেই অন্তৰ এই বাণবিদ্ধ হই
ভাঙিচিঙি হোক চুবমাৰ ।
উন্মত্ত প্ৰতাপ আজি কামৰূপপতি
চিৰনম্ৰ তাঙৰীয়া অন্তৰপুৰীয়া
শিশু হৃদ আজি ভেদে অন্তৰ কঠোৰ ।
এই বুঢ়া বয়সত আজি
কি কৰিব পাৰা তুমি বজ্রা ?
তোমাৰোদে মুছিলেও প্রতাপীৰ মন
ভাবিছানে মহাসভা
চিৰদিনে থাকিব গোপনে ?
মহাৰাজ! সদাশয় বিচাৰক তুমি
ধীৰভাবে ভাবিচিন্তি কৰি বিবেচনা
এতিয়াও অভিশাপ কৰা প্ৰত্যাহাৰ ।
সুৰদীয়া তনয়া তোমাৰ
পিতৃভক্তি নোহে কম বাদ অন্তৰত
অপৰাধী নহয় কদাপি ।

রাজা—অভয়পুরীয়া !—তুচ্ছ হ নরাধম ।
অলমানো আছে যদি মযর্ত্তী প্রাণান্ত
নরবিধি পুনুরায় বাক্য উচ্চারণ ।
অভয়—তোমার শক্রর প্রভু নিধনর হেতু
চিরকালে ত্যাগ করি রাখিছো জীবন ।
হয় যদি স'চাকৈয়ে কুশল তোমার
নাই ভয়, যায় যদি যাব ই জীবন ।
রাজা—চক্ষুর আগর পরা আঁতর হুবস্তে ।
অভয়—চক্ষুমেলি ভালদরে চোৱা মহারাজ,
নয়নর লক্ষ্য হৈ আছো থিয় হই ।
রাজা—দোহাই ভগৱানর ।
অভয়—মিছাতেই দেৱতাক করিছা আহ্বান ।
রাজা—পাষণ্ড ! দুর্জ্জন !—(তরোৱাল উলিয়ায়)
কুণ্ডিল, দরত্তী—আহ্ব হোৱা মহারাজ !
অভয়—রেহ কথা, কোষমুক্ত কৰা তরোৱাল,
বধ করি আজি এই বৈদ্যক তোমার
পুরস্কৃত কৰা তাবে তুষস্ত ব্যাধিক ।
প্রত্যাহার কৰা রজা, আদেশ তোমার ।
শুনিলে এই মোর মিনতি বচন,
নোহেমানে যি পর্য্যন্ত কণ্ঠরোধ মোর
উচ্চস্বরে কম মই চিএণরি চিএণরি
পরম অধর্ম্মাচারী নিদারুণ তুমি ।

বুদ্ধ—শুন তেনে দুরাচার পাপিষ্ঠ দুর্মতি !
নাশাগে দেখাব আজ রাজভক্তি তোর
কি সাহে ভাবিছ তুই—শক্তি নাই তোর
করিবি বিরত মোর সংকল্পর পথ।
গর্ব্ব আজ অহঙ্কারে ছুঁইছে আকাশ,
রাজআজ্ঞা আজ মোর রাজক্ষমতার
পশিলি মাঝেত তুই মহাদর্প ভরি।
সহজেতে কেতিয়াও নাই পরিত্রাণ
যথাযোগ্য দিব মই পুরস্কার তোর;
পাঁচ দিন দিলো মার্থে। সময় তাতেও,
ছরিনর দিলা তুই বিনা বাক্যব্যয়ে
সম্পত্তি বিতর মই উপযুক্তভাবে
এরি যাবি রাজ্য মোর ভাগকরি দেশ
বোঝাবিরি আজ তুই-বাহিরে উপরে।
দিলো তোক সুরক্ষার দণ্ড নির্বাসন
দশম দিবস যদি এই দেহ তোর
আমার রাজ্যের মাঝে দেখে কোনোবারি
তেতিয়াই মৃত্যু-দণ্ড জানিবি উপর।
অভয়—এই মম আদেশ তোমার
সবিনয়ে শির পাতি করিলাম গ্রহণ
বিদায় বিদায় মহারাজা,
নাই মত ন্যায় আর সত্যর মাঝেও

যাঁহি যাঁহি সেই স্থান ফুৰিলো অৰ্জ্জুন
পালো নিৰ্ব্বাসন-দণ্ড আশীৰ্বাদ বুলি।
দুৰ্ব্বী সৰযু।
দেৱতাসকল আছে সহায় তোমাৰ
সন্ধিমতে পৰেছনা কৰি
সত্যা নাৰী কৰিলা প্ৰচাৰ
সৰ্ব্বাৰে ধন্যবাদ জনালো তোমাক।
আমাসোপাল ফুটিয়েও ৰাখিলা মস্তক
গুৰুজন সচন যেনে কৰালা প্ৰকাশ
মলিন লাগিব তাৰ তেজুৱা সুযশ।
সকলোৱে কথাযাৰে মাগিলো মেলানি
জন্মভূমিৰ কোলা গাওঁ এৰি এই।

প্ৰস্থান [illegible] কমতাৰাজ আৰু জয়পুৰীয়াৰ প্ৰৱেশ

জঃ—মহাৰাজ জয়ন্ত আৰু কমতা ভূপতি।

কম- হে জয়ন্তপতি!

আগে মই মনৰেসে সম্ভাষো তোমাক।
কমতাৰাজৰ মতে প্ৰতিজ্ঞাৱলী তুমি
পাণিপ্ৰাৰ্থী মোৰ এই কনিষ্ঠা কন্যাৰ।
কেনেকুৱা জানিছানে শেষ ইচ্ছা মোৰ
কি যৌতুক দিব আজি কন্যাৰ সমাজত?

জয়ন্ত—মহাৰাজ বিজয়ৰে কৰিছে প্ৰস্তাৱ
হয় তাৰ নমো বিশেষ।

মন্ত্রী—জেনেছেন জয়ন্ত-নৃপতি !
ছিলনা আছিল প্রিয় কন্যা। যথাযথ
মূল্যও আছিল তার সেই অনুপাতে ।
নাই আর আজি সেই দিন
মরিছে তনয়া মোর, কমিছে যৌতুক ।
শুনাছে হে রাজন ।
কন্যার লগন যদি আছে কিবা বাকী
ভেস্তে গেছে গৃহিযত্ন অভিশাপ মোর ।
জানিতুনি তাকে যদি ভাবা ভাল বুলি
নিব পথা পরবিনী তনয়ারে তুমি
আজি হতে তাই হেন চক্ষু তোমারেই ।

জয়—যুগেযে সোনার ডানা ।

মন্ত্রী—এই তনয়ার মোর নাই একো গুণ,
বান্ধবহীনা তাই ঘৃণনীয়া মোর ।
যৌতুকত দিছো মই অভিশাপ দান,
থেলি দিছো দূর করি থাইছো সপত ।
ভালপালে লই যোয়া বর্জিতা কন্যাক,
বেয়া পালে দূরলই থেদি দিবা তুমি ।

জয়ন্ত—ক্ষমা কৰা মহারাজ ।
এনে হেন দুর্ভাগাক মই
জানিশুনি কিমতে কৰিম গ্ৰহণ ।

মন্ত্রী—কেহু কথা, মোর দেখে কৰা পৰিত্যাগ,

গৰ্ব্বৰ উচ্চ শিৰ হৈছে অৱনত ।
শুনা হেৰা প্ৰিয় মোৰ কমতা ৰাজন,
নোৱাৰোঁ তোমাকো শিৰ সেইবাবে মই
এই মোৰ পাপীয়সী দুহিতা তনয়া ।
জনাও প্ৰাৰ্থনা মই—দিও উপদেশ
গুণৱন্তী অন্য কন্যা কৰোঁৱা বিবাহ ।
গৰবিনী কন্যা মোৰ সৰবৃৰ সঙ্গে
নোশোভিব সম্পৰ্ক তোমাৰ
অনৰ্থক বহু লাজ পাম সেইবাবে ।

কমতা—মহাৰাজ !
বিস্ময় কাহিনী এক কৰিলো শ্ৰৱণ ।
সদাতোকে আদৰিনী বেছি মৰমৰ
আছিল তোমাৰ এই সুমলী জীয়াৰী ।
শুনিছো বহুত খ্যাতি, বহুত সুনাম
নিজ মুখে বহু বাৰ কৰিছো প্ৰকাশ
প্ৰাণতো অধিক প্ৰিয় অনুপম-বালা,
আজি বাৰু এনে কিনো কৰিলে কুকৰ্ম্ম
যাৰ বাবে পলকতে সকলো কেৰাপ ?
আচম্বিতে হল কিবা ভৌতিক ঘটনা ?

সম—অন্তৰৰ নিবেদন শুনা মহাৰাজ !
তোমাৰোৰ চাটুবাক্য শিকা নাই মই ।
এটা কথা অন্তৰত ৰাখি গুপুতকৈ

আন ভাব মোৰ যাবা বুজৰ প্ৰকাশ।
অন্তৰত যিবা কথা কওঁ অনুক্ষণ
বচনত লেশমাত্ৰো নহয় প্ৰভেদ।
জনালো সদায়কো আজি সবিনয়ে মই
নাই মোৰ অন্তৰত মলিনতা-পাপ।
হত্যা দোষ মহাপাপ জঘন্য আচাৰ
কৰা নাই কোনো দিনা কল্পিতো মই,
কুমাৰী ধৰ্ম্মত নাই কলঙ্কৰ মলি।
যিকাৰণে হেৰুৱালো যখন পিতৃৰ
সি গুণৰ অভাৱতে মই
অধিক সৌভাগ্যৱতী ভাবিছো নিজকে।
অন্তৰৰ সৰলতা নাথাকিলে যোগ
মুখৰ কথাৰ মাথোঁ শুৱলা ভাষাৰে
নোখোজো জনাব মই ভালপোৱা মোৰ।
তেনেকুৱা ভাব মই নিবিচাৰো পিতা,
যাৰ বাবে হেৰুৱালো চেনেহ তোমাৰ।

বজ্ৰ।—জনম নোলোৱা হলে এই পৃথিবীত
তোৰ দৰে অকৃতজ্ঞ ছোৱালী এজনী
পাইলোহেঁতেন মই অধিক আনন্দ।
লভি জন্ম মাথোঁ তই আনিলি অশান্তি

কমলা।—বুজিলো সকলো কথা—বহুত কাহিনী।
[illegible] মৌনীভাৱ—বৰ বেজাৰৰ

মুখেৰে বোলায় কথা, অসত্য বচন।
অন্তৰৰ মৰ্ম্মবাণী নাজানে জনাৰ।
হে জয়ন্তাৰাজ!
কোনা তুমি বালিকাক কি দিয়া উত্তৰ?
নেথাকিলে বহুমূল্য সম্পত্তি লগত
থাকিবনে তেতিয়াও প্ৰণয় তোমাৰ,
কোনা শেষবাৰ—লাগে নেকি ৰাজভনৰাক
যৌতুক-আধাৰ-বাণ।

জয়— মহাৰাজ!
পূৰ্ব্ব কথামতে দিলে যৌতুক লগত
ৰাজকুঁৱৰীৰ পাণি কৰিম গ্ৰহণ।

শঙ্খ— কৰিছো প্ৰতিজ্ঞা মই নলৰে বচন।

জয়— হে ৰাজকুঁৱৰ!
তেজহীন পিতা তুমি—হেজবাগা পতি।

সখ— ক্ষমা কৰা জয়ন্তা-নৃপতি!
সম্পত্তিৰ বাবে যেয়ে ভালপায় মোক
সিজনক স্বামী মই নকৰো বৰণ।

কমতা— কুঁৱৰী সৰযু!
অতি অনুপম তুমি ৰজাৰ নন্দিনী
যদিবাও সকলোৰে পৰিত্যক্তা তুমি
তথাপিতো হবা মোৰ সংগ্ৰহৰ ধন,
ত্যজিতা হলেও তুমি মোৰেহে পূজিতা।

ৰাজবালা! সদগুণ-মাতেশ্বৰী সতি
আঁহা মোৰ কাষলৈ কৰিলো গ্ৰহণ।
শুনা হেৰা মহাৰাজ কামৰূপপতি!
যৌতুকবিহীনা এই তনয়া তোমাৰ
আজি হন্তে ৰাণী মোৰ কমতা-ঈশ্বৰী।
জনোৱা বিদায় বালা, সন্তানে কাষত।

ৰজা—ভাল কথা, লই যোৱা কমতা-নৃপতি।
আজি হন্তে পালা তুমি জীয়াৰীক মোৰ।
এনুৱা জীয়াৰী মোৰ নাই প্ৰয়োজন
সেই পাপ মুখ মই নাচাও পুনাই
যা, যা হেৰ গৰ্ব্বিনী বালিকা
নাই আৰু অন্তৰত তোৰ প্ৰতি মোৰ
তিলমানো ভালপোৱা মৰম চেনেহ,
হেৰুৱালি পিতৃস্নেহ আশীৰ্ব্বাদ মোৰ
আঁতৰা হে জয়ন্তাৰাজ!

[ৰজা, জয়ন্তাৰাজ, দৰতীৰাজ জয়পুৰীয়া, কুণ্ডিলৰাজ আৰু দৰবাৰীবোৰৰ প্ৰস্থান।]

কমতা—বিদায় জনোৱা বালা,
পূজনীয়া স্নেহময়ী জননীক।

সব—পিতাৰ চকুৰ মণি তুই আইদেউ।
চকুলোৰে আজি মই মাগিলো বিদায়।
জানো মই ভাগ্যদোষে বুজিলো নিশ্চিত

তোমালোক দুজনীৰ বৈমুৰা প্ৰকৃতি
তথাপিতো কওঁ শুনা দুই বাইদেউ,
পিতাৰ শুশ্ৰূষা যেন কৰা ভালদৰে।
দেখুৱালা যেনে স্নেহ মুখৰ কথাৰে
সেই স্নেহতেই মই এৰিলো পিতাক
যত্ন সেৱা সমাদৰ কৰিবা সদায়।
ইয়াকেই সবিনয়ে কৰি অনুৰোধ
মাগো মই কৰযোৰে মেলানি এতিয়া।

যমুনা—নকৰো কৰ্ত্তব্য-শিক্ষা তোৰ ওচৰত।

সুৰী নৰ্ম্মদা—নিজৰ পতিক তোৰ ৰাখিবি সন্তুষ্ট
অনুগ্ৰহ কৰি যেয়ে কৰিছে গ্ৰহণ।
নহয় স্নেহৰ পাত্ৰী পিতৃৰ আমাৰ
কোনেও বিচৰা নাই উপদেশ তোৰ।

সব—ছলনা চাতুৰী এই কপটতা ভৰা
বেছি দিন কতিয়াও নাথাকে লুকাই।
নোৱাৰা ৰাখিব ঢাকি দোষ আপোনাৰ
শেষত ঘৃণাৰ পাত্ৰী হবই লাগিব।
সুখী হোৱা সকলোৱে।

কমতা আহা ভেনে সুন্দৰী। (কমতা আৰু বধুৰ প্ৰস্থান।)

সুৰী নৰ্ম্মদা—তোমাৰ লগত মোৰ বহুত কথা আছে ভনীটি!
আমাৰ নিজৰ বিষয়েই আৱশ্যকীয় কথা। দেউতা আজি
ইয়াতেই থাকি যাব নেকি?

যমুনা—এই মাহ তেনো তোমাৰ লগত থাকিব। অহা মাহতহে মোৰ ঘৰত।

নৰ্ম্মদা—শুনিছানে ভনীটী! দেউতাৰ আমাৰ বুঢ়া বয়সত মূৰৰ ঠিক নোহোৱা হৈছে। নদেখিলানে ডুমনী স্ত্ৰী সৰযূক কেনে ভাল পাইছিল—আজি কেনে এটা সামান্য কাৰণতে পৰিত্যাগ কৰিলে।

যমুনা—বুঢ়া হলে মানুহৰ পৰকিতি লৰে। দেউতাৰো সেয়ে হৈছে।

নৰ্ম্মদা—যেতিয়া নগজ লগ আছিল তেতিয়াই কত কি নকৰিলে! বঙভগিনীয়া বৰ অভাগ এবে কেনেকৈ? তাৰ উপৰিও আকৌ স্বেচ্ছাচাৰ মানে ভনীটী! বুঢ়া হলে মানুহ এনেকুৱাই হয়।

যমুনা—কেনে কুৎসিত কামবোৰ কৰিব ধৰিছে। ছি কটা! আপোনাপেটীয়া অভয়পুৰীয়াজনাক অলপ কথাতেই খেদি পঠিয়ালে! আমাৰ লগত যে ভালেৰে কটাব তাৰেই বা কি বিশ্বাস।

নৰ্ম্মদা—কমতাৰজাৰ লগত জানো বিদায় কালত বৰ ভাল ব্যৱহাৰ কৰিলে। মোৰ কথা শুনা ভনীটী! আমি প্ৰয়োজনীয় একগোট হৈ চলিব লাগিব—নহলে বুঢ়াক চম্ভালিব পৰাটো টান হব এক্কা। যদি এই ৰকমেই চলিব লাগিল তেন্তে আমি ৰাজ্য পোৱাৰেই বা কিটো লাভ হল, কোৱাচোন বাক।

যমুনা—সঁচা কথা কৈছা বাইদেউ। এই সম্পৰ্কে আমি পিছ-পৰা যি হয় চেষ্টা কৰিব লাগিব।

নন্দ—নিশ্চয় ভনীটি, নিশ্চয়। আজিৰ পৰা আমি দুয়ো ভনীৰ পৰিকল্পনা এক, কৰ্ম্মপদ্ধতি এক, লক্ষ্য এক। বন্ধ্যা সহ বিষয়ে আলচ কৰোঁগৈ। [দুয়োৰে প্ৰস্থান।

—দ্বিতীয় দৰ্শন—

জয়পুৰ দুৰ্গ—কক্ষান্তৰ

অকলে বনমালী সিংহ।

বন—হে দেৱী প্ৰকৃতি! তুমি মোৰ আৰাধ্যা গৰীয়সী। মই তোমাৰ নিয়মৰ অধীন। যদি সেয়ে হয় কিয় তেন্তে মই কুৎসিৎ সামাজিক নিয়মৰ তলতীয়া হম? পূৰ্ব্বাপৰ প্ৰচলিত নিয়মমতে ককাইদেউতকৈ কেইদিনমানৰ সৰু হোৱাৰ বাবেহে কিয় মই লোকলোকে জেকৰাম? জাৰজ! জাৰজ কিয় নীচ হব? জাৰজ জানো মানুহ নহয়? সতীৰ গৰ্ভজাত পুত্ৰৰ নিচিনা মোৰ দেহৰ অঙ্গ প্ৰত্যঙ্গও নহয়নে বাৰু? মোৰ গাত কতো অকণমানো তাৰ ব্যতিক্ৰম নাই। মোৰ মনত উদাৰতা আছে। মোৰ গঢ়ত সৌষ্ঠৱ আছে। কিয় তেন্তে সিহঁতে মোক জাৰজ বুলি ঘৃণা কৰিব? কিহৰ জাৰজ? জাৰজ! তেন্তে তহঁ সাজু হ। বুকু ফিন্দুৱাই থিয় হ।

ভদ্রগ সুজাত সুবলসিংহ! মই এতিয়াৰ যাত্ৰা কাঢ়ি লম। মই তোক সকলো অধিকাৰৰ পৰা বঞ্চিত কৰিম। সুজাত সুবলসিংহক পিতৃ জয়পুৰীয়াই যিমান ভালপায়, মোকো সিমানেই ভালপায়। সুন্দৰ কথা "সুজাত"—বৰ বটিয়া কথা 'সুজাত'। এই পত্ৰেৰে যদি কাম সমাধা হয় আৰু যদি মোৰ অভিপ্ৰায় পূৰ্ণ হয় তেন্তে এই জাৱ বনমালীয়ে সুজাত সুবলসিংহক ঘাটি খুৱাব। মই এবাৰ মূৰ তুলি থিয় হব খোজো। মই উঠিম। মই পোন হৈ থিয় হম। হে স্বৰ্গৰ দেৱতাসকল! আশীৰ্ব্বাদ কৰা। এই জাৱজক তোমালোকে কৃপাৰ চকুৰে চোৱা। তাৰ সহায় হোৱা। [জয়পুৰীয়াৰ প্ৰস্থান।]

জয—অ-ভয়পুৰীয়া দেশত্যাগী হৈছে। কমতাৰাজেও খ ক্ষবি প্ৰস্থান কৰিলে। মহাৰাজে ৰাজ্যৰ ভাৰ দান কৰি এতিয়াৰ পৰা চোৱালীহঁতৰ অনুগ্ৰহপ্ৰাৰ্থী হৈ জীৱন কটাব। আগৰ পৰা গুৰিলৈকে এটা খেয়াল। বনমালী যে! কেনে আছ বনমালী? কি খবৰ?

বন—নহয় দেউতা! খবৰ বিশেষ একো নাই।

জয—লৰালৰিকৈ এখন চিঠি জাপি ললি দেখোন?

বন—দেউতা! কতা? কি চিঠিৰ কথা কৈছে? মই কোনো চিঠিৰ কথা নাজানো।

জয—কি কাকত পঢ়িছিলি?

বন—কতা? নাই—নহয়। একো পঢ়া নাই।

জয়—যদি একো নুয়েই সৰাসৰিকৈ কি জ্বলিলি? লুকুৱাবৰনো আৱশ্যক কি?

বন—মই হাত যোৰ কৰি প্ৰাৰ্থনা কৰি কৈছো, দেউতা! মোক সেইবাবে ক্ষমা কৰিব। এইখন মোৰ ককাইদেউৰ চিঠি। গোটেইখন পঢ়া হোৱা নাই এতিয়া। যিমানখিনি পঢ়িলো আপুনি শুনিবলগীয়া নহয়।

জয়—চাওঁ বাৰু, দেখুওৱাচোন।

বন—মই ৰাখিলেও বিপদ। আপোনাক দেখুৱালেও অপৰাধ। চিঠিৰ লিখা যিমান দূৰ বুজিছো—তাত মাৰাত্মক দোষৰ কথা আছে।

জয়—মাৰাত্মক দোষ? চাওঁ

বন—মই ককাইদেউৰ হৈ কৈছো দেউতা! তেওঁ বোধকৰো মোক পৰীক্ষা কৰিবলৈহে এই চিঠি লিখিছে।

(চিঠি দিয়ে)

জয়—(পত্ৰ পাঠ) বুঢ়াবিলাকক মান সন্মান জনাই প্ৰায়কোতেই আমাৰ জীৱনৰ ভাল সময়খিনি মিছাতেই পাৰ হৈ যায়। সেইবাবে আমি পাবলগীয়া বিষয়-অধিকাৰ পোৱাত অনাৱশ্যকভাৱে পলম হয়। বুঢ়া কালত সম্পত্তি পোৱা নোপোৱা একে কথা। তেতিয়া সম্পত্তি ভোগ কৰে কোনে? মোৰ মনেৰে বাৰ্দ্ধক্যৰ অত্যাচাৰ সহা কথাটোৱেই ভুল—ডাঙৰ ভুল। এই বিষয়ে তোমাৰ লগত বহলকৈ আলচ কৰিম। আমাৰ পিতৃ চিৰনিদ্ৰিত হলে আমি

চিৰকালেই সম্পত্তিৰ আধা ভাগ ভোগ কৰিবা আৰু মোৰ মৰমৰ ভাই বুলি পৰিগণিত হবা।.........ইতি, সুবলসিংহ।" বৰি, ই যে দেখাদেখি বিদ্রোহ। পিতৃ চিন্তানন্দিত হলে তুমি চিৰকালেই সম্পত্তিৰ আধা ভাগ ভোগ কৰিবা। মোৰ বৰপুত্ৰ সুবলসিংহ। তাৰ হাতৰেই এই লিখানে? তাৰ মনতেই এনে পাপ চিন্তা উদয় হৈছেনে? বনমালী! এই চিঠি কেতিয়া পালি? তোক কোনে দিলে?

বন—কোনেও মোক দিয়াহি নাই দেউতা। এয়েই হৈছে চিঠিখনৰ ৰহস্য। মোৰ ঘৰৰ মেলা খিৰিকিৰে কোনোবাই পেলাই থৈ গৈছে

জয়— এই চিঠি তোৰ ককায়েৰৰ হাতৰ জাননে? জানতো তাৰ হাতৰ আখৰ চিনি পাৱ?

বন—দেউতা! চিঠিত থকা কথাবোৰ ভাল হোৱা হলে তেওঁৰ হাতৰ লিখা বুলি শপত খাই কলোহেতেন কিন্তু এই চিঠিত লিখা কথালৈ চাই—ওহোঁ, এই লিখা কেতিয়াও তেওঁৰ হাতৰ নহয়।

জয়—এই সম্পৰ্কে সি তোক একো কোৱা নাছিলনে?

বন--কোনো দিনেই একো কোৱা নাই। অৱশ্যে মাজেসময়ে এনে কথা কৈছিল যে পিতা বৃদ্ধ হলে আৰু পুত্র যোগ্যবান হৈ উঠিলে পিতা পুত্ৰৰ ভলতীয়া হোৱা উচিত আৰু বিষয়-আশয়ৰ ওপৰতো পুত্ৰৰহে প্ৰভুত্ব চলা উচিত।

জয়—পাষণ্ড ! পাষণ্ড পুত্র ! তাৰ মনৰ ভাব এই চিঠিত সম্পূৰ্ণ প্ৰকাশ পাইছে—প্ৰতি শাৰীত, প্ৰতি আখৰত। নীচ কুলাঙ্গাৰ ঘৃণিত পশু ! নহয়—তাতকৈও অধম। সি কত আছে বিচাৰ কৰগৈ। মই তাক লগ পাব খোজো —এতিয়াই, এই মুহূৰ্ত্তে। ঘৃণিত দস্যু—কত এতিয়া সি ?

বন—মই ঠিক কৰি নাজানো দেউতা, তেওঁ কত আছে। যদি আপুনি দয়া কৰি তেওঁক ক্ষমা কৰিব পাৰে অন্ততঃ যেতিয়ালৈকে তেওঁৰ মনোভাব ভালদৰে বুজা নাযায় তেতিয়ালৈকে—তেন্তে মই বৰ আনন্দিত হম। সেইবাবে আপুনি এটা কাম কৰিব লাগিব অৰ্থাৎ আপুনি তেওঁৰ মনৰ উদ্দেশ্য ভালকৈ নজনাকৈয়ে যদি কিবা এটা গুৰুতৰ কাম কৰি পেলায় তেন্তে তাৰ দ্বাৰা আপোনাৰ সন্মান হানি হব আৰু তেওঁ বৈজ্ঞাও স্বীকাৰ কৰাও টান হব। দেউতা ! মই আপোনাৰ কুশলৰ অৰ্থে জীৱন পণ কৰিবলৈ সাজু আছো। মোৰ সেই ভক্তি পৰীক্ষা কৰিবলৈ এই চিঠিত লিখা আছে। আপুনি একো বিপদৰ আশঙ্কা নকৰিব।

জয়—তুই মোক তেনে কৰিবলৈ কব নেকি ?

বন—আপুনি যদি ইচ্ছা কৰে মই আপোনাক এনে ঠাইত ৰাখিম যব পৰা আপুনি আমাৰ সকলো কথা-বতৰা শুনিব আৰু তাকে শুনি আচল কথা বুজি পাব। আৰু বেছি পলম কৰাৰ আৱশ্যক কি ? আজি সন্ধিয়াতে সকলো কথা জানিব পাৰিব।

জয়—এনেকুৱা পৈশাচিক প্ৰবৃত্তিও তাৰ অন্তৰত জন্মনে ?

বন—নহয় দেউতা, তেনেবোৰ অমঙ্গলীয়া কথা ভাবি আপুনি মনক দুখ নিদিব ।

জয়—মই তাৰ জন্মদাতা পিতা । নিজৰ প্ৰাণতকৈও মই তাক বেছি ভাল পাইছিলো । স্বৰ্গ আৰু মৰ্ত্ত্য । বনমালী ! তাক বিচাৰি লগ ধৰ যাতে তোৰ ওপৰত আম বৰ বিশ্বাস হয় এনে ভাব দেখুৱাই তাৰ পেটৰ কথা বাহিৰ কৰ । কৌশলেৰে কাম কৰিবি— বুজিছ ? ন্যায় কাম কৰোতে মই সম্বন্ধৰ বিচাৰ নকৰো ।

বন- মই এতিয়াই তেওঁক বিচাৰি উলিয়াম । সুবিধামতে কাম কৰিব পৰা মাত্ৰেই আপোনাক জানিব দিম ।

জয়— যাৱা বাবৰ সূৰ্য্যগ্ৰহণ আৰু চন্দ্ৰগ্ৰহণৰ ফল মোৰ বাবে বৰ ভালিজৰ আছিল বিজ্ঞানে ইয়াৰ আন ব্যাখ্যা থাকিলেও মানুহৰ জীৱনত এই গ্ৰহণ ধ্ৰুব অৰ্থান্তিকৰ । ভালপোৱাৰ বান্ধ ঢিলা কৰা, বন্ধুবান্ধৱ, ভ্ৰাতৃবিচ্ছেদ, নগৰত বিদ্ৰোহ, দেশত আত্মবিৰোধ, ৰাজকাৰেণত ৰাজবিদ্ৰোহ, পিতাপুত্ৰৰ সম্বন্ধচ্ছেদ—এই নানা গ্ৰহণৰ অমঙ্গল ফল পঞ্জিকাত লিখা আছে । মোৰ এই দুষ্ট পুত্ৰৰ গ্ৰহ বেয়া হৈছে । দেখিছো মহা অমঙ্গল । পুত্ৰ আজি পিতাৰ বিৰুদ্ধে থিয় হৈছে । ৰজাৰ আজি স্বভাৱ লৰিছে । পিতা হৈ সন্তানৰ বিৰুদ্ধে থিয় দিছে আজি সকলোৰে সুন্দৰ সুখৰ জীৱন

পাৰ হৈ গৈছে। এইবোৰ কেৱল ষড়যন্ত্ৰ, কেৱল অত্যাচাৰ, কেৱল বিশ্বাসঘাতকতা। বনমালী! মোৰ কুলাঙ্গাৰ পুত্ৰক বিচাৰ কৰ। তাৰ পৰা তোৰ একো ক্ষতি নহয়। কিন্তু খুব হুচিয়াৰ। উদাৰচৰিত অভয়পুৰীয়া দেখ এতিয়া শুচি গৈছে। তেওঁৰ অপৰাধ ? সত্যবাদিতা। অদ্ভুত! অদ্ভুত!

[প্ৰস্থান।]

বন—পৃথিৱীত ই এটা বৰ মজাৰ ৰহস্য। নিজৰ কৰ্মফলত যেতিয়া আমাৰ অদৃষ্ট বেয়া হয় তেতিয়া আমি নানা দুখ কষ্ট ভুগিবলগীয়া হওঁ আৰু তাৰবাবে জগৰীয়া কৰো শনি মঙ্গল ৰাহু কেতু আদি দুষ্ট গ্ৰহ আৰু নক্ষত্ৰবিলাক। যেন অদৃষ্টৰ দোষত আমি দুৰ্জ্জন, দেৱতাৰ অভিশাপত নিৰ্ব্বোধ, গ্ৰহৰ কোপদৃষ্টিত জুৱাচোৰ, চোৰ, বিশ্বাস-ঘাতক আদি। গ্ৰহৰ দোষতহে যেন আমি মাতাল, মিছলীয়া, ব্যভিচাৰী, বিধাতাই কপালত লিখাৰ কাৰণেহে যেন আমি নানা অপৰাধ কৰো, অনাচাৰ কৰো, এনে এটা দোষত অপৰাধী হওঁ। সেয়ে যে জ্যেষ্ঠ সুৰথসিংহ। বাঃ! পৌৰাণিকলীয়া নাটকৰ দৰে ঠিক সন্ধি মুহূৰ্ত্তত উপস্থিত। তেওঁ অহাৰ পূৰ্ব্বে মই যেকুৰী-সন্ন্যাসীৰ নিচিনাকৈ বিলাপেই আৰম্ভ কৰি দিওঁ। হায়, হায়! এই গ্ৰহণেত বৰ্ত্তমানে পাৰিবাৰিক অশান্তিৰ সূচনা কৰে।

[সুৰথসিংহৰ প্ৰবেশ।]

সুৰথ—কি ভাই বনমালী দেখোন! আজলে ? কি গভীৰ গৱেষণাত নিমগ্ন হৈছা ?

বন—সিদিনা এটা ভৱিষ্যত গণনাৰ কথা পঢ়িলো। তাকে পাচ এইবাৰ গ্ৰহণৰ ফল কি হয় চিন্তা কৰিছো।

সুবল—অ' সেইবোৰ লে তুমি বেছ মূৰ ঘমাইছা।

বন -যিখিনি পঢ়িলো সেইখিনি যে মিলি গৈছে। কেনে শুনিবানে? সন্তান আৰু পিতৃমাতৃ—দুয়োৰো মাজত অস্বাভাৱিক ব্যৱহাৰ! মৃত্যু, দুৰ্ভিক্ষ, জলপ্লাৱন, বন্ধুত্বনাশ, ৰাজ্যত বিদ্ৰোহ-বিচ্ছেদ, ৰজা আৰু বিষয়া-সকলৰ মাজত আতঙ্ক, মিছা অবিশ্বাস, বন্ধু-নিৰ্ব্বাসন বিবাহ-বন্ধনচ্ছেদ আৰু যে কত কি কোনে জানে? ইয়াৰ পিছত বা আৰু কি হয়।

সুবল কিমান দিনৰ পৰা তোমাৰ জ্যোতিষত এনে পণ্ডিতালি জন্মিছে?

বন-- সেইবোৰ কথা থাক বাবলৈ দিয়া। ইয়াৰ ভিতৰত তোমাৰ দেউতাৰ লগত দেখা হৈছেনে?

সুবল কিয়? কালি নিশা দেখোন দেউতাক লগ পাইছিলো।

বন তোমাৰ লগত কিবা কথা হৈছিল নেকি?

সুবল—প্ৰায় দুঘণ্টা। বহুত ৰকম কথা। কিয়?

বন--সেই সময়ত তেওঁৰ কথাত বা মুখৰ ভঙ্গীত বিশেষ ভাব লক্ষ্য কৰিছিলানে?

সুবল—কতো নাই।

বন—মই অনুমান কৰিছো, তেওঁ তোমাৰ প্ৰতি কিবা কথাত বৰ বেজাৰ পাইছে। ককাইদেউ! যদি তুমি মোৰ কথা

শুনা—তেন্তে এতিয়া তুমি দেউতাৰ আগলৈ নাযাবা—
অন্ততঃ যেতিয়ালৈ তেওঁৰ খং মাৰ নাযায়। দেউতাৰ ইমান
খং উঠিছে যে এনে অৱস্থাত তেওঁ তোমাক দেখা পালে
কি লঙ্কাকাণ্ড হয় কোনে জানে?

সুবল—তেন্তে নিশ্চয় কোনো দুষ্টবুদ্ধি খিয়লীয়াই তেওঁৰ
আগত মোৰ কিবা কথা লগাইছে?

বন—ময়ো তেনে বুলিয়েই ভাবো। তথাপি মই তোমাক
অনুৰোধ কৰিছো ককাইদেউ। তেওঁৰ খং শাম নাকাটে মানে
তুমি তেওঁৰ আগলৈ নাযাবা—দয়াকৰি, মোৰ কথা
শুনা। এতিয়া মোৰ ঘৰলৈকে বলা। তাত সেই তেওঁৰ
মনৰ অৱস্থা তোমাক চকুৰ আগতে দেখুৱাই দিম। মোৰ
অনুৰোধ ৰাখা বলা। লোৱা, এয়া মোৰ ঘৰৰ চাবি।
যদি বাহিৰলৈ যোৱা তেন্তে সশস্ত্ৰ হৈ যাবা।

সুবল—সশস্ত্ৰ কিয়?

বন—বাছি খাবা, জাগি শুবা। তোমাৰ ভালৰ বাবেই কৈছো
ককাইদেউ। সশস্ত্ৰ হৈ যাবা। যদি দেউতাৰ খং উঠা
নাই তেন্তে মোক মিছলীয়া বুলি জানিবা। বিমানখিনি
মই দেখিছো আৰু শুনিছো তাৰ পৰাই তোমাক কৈছো।
সেই দেখা-শুনাতেই মোৰ প্ৰাণ শুকাই গৈছে। তোমাক
চুনাই অনুৰোধ কৰিছো ককাইদেউ! যোৱা, এতিয়াই
যোৱা। পলম নকৰিবা।

সুবল—তুমিও সোণকালেই আহিবাচোন?

বন—নিশ্চয় যাম। মোক সদায় তোমাৰ সহায় বুলি ভাবিবা।

[সুবলৰ প্ৰস্থান।]

বমভোল। পিতা আৰু উদাৰ ভাই। দুয়োৰো মাজত সাত ঘাটৰ চেঙেলী এই বনমালী। তাৰ সন্মুখত নিয়তিৰ উজ্জ্বল চিত্ৰপট। মই ঠিক বুজিব পাৰিছো—জন্মলাভ কৰি যি বস্তু পোৱা নাই, ছলে-বলে-কৌশলে তাক সহজতে কবায়ত্ত কৰিম। প্ৰস্থান।]

তৃতীয় দৰ্শন

দম্ভভাস্বাজৰ অন্তেসপুৰ

[নৰ্ম্মদা আৰু ধনঞ্জয়ৰ প্ৰবেশ।]

নৰ্ম্মদা—জেষ্ঠভাই তেওঁৰ বহুৱাক শাসন কৰিবলৈকে মোৰ লগুৱাক কিলাইছে নেকি ?

ধন—হয় যাদী আই, আপুনি ঠিক ধৰিছে।

নৰ্ম্মদা—দিনে-নিশাই মোক জ্বালাতন কৰিব ধৰিছে। প্ৰতি মুহূৰ্ত্তে এটা নহয়, এটা অপবাধ—জঞ্জালৰ ওপৰত জঞ্জাল। মই আৰু এইবোৰ সহ্য নকৰো। তেওঁৰ বিময়াবোৰে খোৱাকামোৰা কৰি মৰিব আৰু সইবাৰে অপবাধ হব আমাৰ। বুঢ়া ৰজা মৃগয়াৰ পৰা উলটি আহিলে মই তেওঁৰ লগত কথা নাপাতো। ধনঞ্জয়। তই মোৰ গা জ্বলাই মূলি কৰি। আপধ নিচিনাকৈ যদি তই তোৰ

কামত গাফিলি দেখুৱাৱ তেন্তে ভালেই হ্ব বুইছ ? যদি তেওঁ তোৰ দোষ ধৰে মই তাৰ উত্তৰ দিম।

(নেপথ্যত ভেৰী বাজে।)

ধন—মেয়া, তেওঁ আহিছেই বাণী আই। শুনক মেয়া, ভেৰী বাজিছে।

ঊর্মিলা—তই আৰু সকলোবোৰ লগুৱা-লিগিৰীয়েই তেওঁৰ কামত বৰ আমনি পোৱাটো যেন দেখুৱাবি। মই জনাই দিব খোজো, ইয়াত যদি থকা-মেলাৰ ব্যৱস্থা তেওঁৰ ভাল লগা নাই তেন্তে মাজু জীয়েকৰ ঘৰলৈ যাওক। তেওঁৰ মনৰ ভাব মই বেছকৈ বুজো। মোৰ আৰু যমুনাৰ ওপৰত ইমান আধিপত্য—ইমান বাহাদুৰি নেথাটে। বুঢ়া হৈছে, বুদ্ধি লোপ পাইছে। তথাপি এতিয়াও ইচ্ছা—পূৰ্ণমাত্ৰাই প্ৰভুত্ব চলাবলৈ। মই ঠিককৈ কব পাৰো- মূৰ্খ বুঢ়াবোৰ পুনৰ কেচুৱা লৰাছোৱালীৰ নিচিনা হয়। সেইকাৰণে কেচুৱাৰ দৰে আদৰ কৰি আৰু ফুচুলাই ঠগিব লাগে। যি কথা তোক কলো, মনত থাকে যেন।

ধন—যি আদেশ বাণী আই।

ঊর্মিলা—তেওঁৰ বিষয়া-অনুচৰবিলাকৰ লগতো ভাল ব্যৱহাৰ কৰাৰ আৱশ্যক নকৰে। সেইবাবে ভয় নকৰিবি। তোৰ লগৰীয়াবিলাককো এই কথা ভালদৰে বুজাই দিবি। যমুনাকো মই চিঠি লিখি জনাম। মোৰ নিচিনাকৈ যেন বুঢ়াৰ লগত ব্যৱহাৰ কৰে। তৎক্ষণাত সেই চিঠি লিখি লাগিব। যা, এতিয়া। [দুয়োৰো দুফালে প্ৰস্থান।]

চতুৰ্থ দৰ্শন

ৰাজকাচেৰং

[ছদ্মবেশী অভয়পুৰীয়ৰ প্ৰবেশ ।]

অভয়—যদি মোৰ মাতটো সলাব পাৰো আৰু কথাৰ লাচত্ত মনৰ সাধু উদ্দেশ্য লুকাই ৰাখিব পাৰো তেতিয়া হলেহে মই এই ছদ্মবেশ ধৰাৰ সাৰ্থক হব। নিৰ্বাসিত অভয়পুৰীয়া ! যি জনে তোক নিৰ্বাসিত কৰিছে যদি তই তেওঁৰ কিঞ্চিন্মাত্ৰো উপকাৰ কৰিব পাৰ তেতিয়াহে তোৰ জীৱন সাৰ্থক হব। যি জনক তই প্ৰাণতকৈও বেছি ভাল পাৱ, ভক্তি কৰ তেতিয়াহে সেইজনে তোক প্ৰকৃত দাস বুলি চিনিব পাৰিব।

[নেপথ্যত ভেৰী বাজে । ৰজা আৰু অনুচৰ-বিষয়াসকলৰ প্ৰবেশ ।]

ৰজা—মই খাবৰ সময় হলে এক মুহূৰ্ত্তও বাট নেচাওঁ। সোণকালে মোৰ আহাৰ প্ৰস্তুত কৰ। তই কোন ? [এজন অনুচৰৰ প্ৰস্থান ।]

অভয়—মানুহ।

ৰজা—তই কৰ কি ? ইয়াত তোক কি লাগে ?

অভয়—দীনা-ঈশ্বৰ ! বাহিৰত মোক যেনে দেখিছে কামে কাজেও ঠিক তেনেকুৱাই অৰ্থাৎ যি জনে মোক বিশ্বাস কৰে, ময়ো জীউতো আগ কৰি তেওঁৰ কাম কৰো। যি সত্যপ্ৰিয় সেই জনক মই ভাল পাওঁ। যি জ্ঞানী, যি অলপ কথা কয় কেৱল তেওঁৰ লগতহে মই কথা পাতো। শাস্তিক মই চিৰকালেই ভয় কৰো। যেতিয়া নিতান্ত উপায় নোহোৱা হয় তেতিয়াহে অগত্যা হাতত তৰোৱাল লওঁ।

ৰজা—কোন ঠাইৰ তই ?

অভয়—সোণপুৰীয়া লোক দেউতা ; অনুগ্ৰহ কৰি মহাৰাজৰ ঘৰতেই থাকিব দিব দিয়ক। মোৰ নাম নীলধ্বজ।

ৰজা—বেচা ট্ৰিম ধৰি বিয়াল ঘৰি, বেচা হৈছো ঘৰি তই নিয়াতৰি কৰিব হয় তেতে দিলম তই আউল কৰিব। আৰু কথাৰ, তোক লাগে কি ?

অভয়—দেউতা, এই কাম কৰিব খোজো।

ৰজা—আৰু কাম কৰিবি ?

অভয়—কিয়, দেউতাৰ কাম।

ৰজা—মোক তই চিনি পাৱ ?

অভয়—প্ৰণাম দেউতা, প্ৰণাম। কিন্তু আপোনাৰ মুখত ৰজাৰ লক্ষণ দেখা পাইছো। মোৰ আপে মাক দেউতা বুলিবলৈ ইচ্ছা হৈছে।

ৰজা—মোৰ তই কি লক্ষণ দেখিছ ?

অভয়—ৰাজলক্ষণ দেউতা। ৰাজলক্ষণ।

ৰজা—তই কি কাম জান ?

অভয়—দেউতা ঈশ্বৰ। মই খুব ভাল পৰামৰ্শ দিব পাৰো। ঘোঁৰা চেকুৰাব পাৰো। নাচিব পাৰো। অভিনয় পাৰো। অদ্ভুত অদ্ভুত সাধু-কথা মুখে মুখে ভোটা কৰি দিব পাৰো। যা-খবৰ বিয়া-দি কৰিলে তাকো এক বকম নিয়-নি কৰিব পাৰো। মুঠ কথা সকলোৱে যি কৰিব পাৰে মইও তাকেই কৰিব পাৰো অৰ্থাৎ গাৰ তেজ পানী কৰি সকলো খাটিব পাৰো।

ৰজা—তোৰ বয়স কিমান ?

অভয়—দেউতা। সেই বিষয়ে আপুনি নিশ্চিন্ত থাকিব পাৰে। যি বয়সত সুন্দৰীসকলৰ মধুৰ মাত শুনি তোলপোৰ লাগে, মোৰ এতিয়া তেনে বয়স নাই। ইতিমধ্যে মনে মই •চাৰিকুৰীক [illegible]

ৰাখিবুজৈকো পৰি-মৰা বিধৱ নহও অৰ্থাৎ দৌৰ্ত্য! প্ৰেম পিৰিতি এতিয়া নগদ ছুকুৰি আঠ বছৰ ওলাইব জাপিছে।

ৰজা—ভাল কথা। তই মোৰ লগত থাক। তোক মই মোৰ তাম্বুলী-ফুকন নিযুক্ত কৰিলো। মোৰ নহৰাটোৰো দেখোন আজি ইমান পৰে দেখাদেখি নাই। কলৈ গল সি?

[ধনঞ্জয়ৰ প্ৰৱেশ।]

সেইটি কোন? ধনঞ্জয়নে? বোলো শুনাচোন, জাহ্নবী আইদেউ কত আছে কব প'বানে?

ধনঞ্জয়—মই তাৰেহে লগা? [মুখ বেকেটাই প্ৰস্থান।]

ৰজা—কি কৈ গল সি? সেই গৰুটোক কাণত ধৰি ফিৰাই আনিব নোৱাৰাহঁকনে? নহৰা কত? এই খেৰ গৰুবোৰবিলাক মানুহেই মৰিল নেকি? বোলো বিটলীয়া নহৰা গল কলৈ?

এজন বিষয়া—মহাৰাজ। সি কলে—আপোনাৰ জীয়াৰীজনীৰ হেনো গা অসুখ।

ৰজা—লগুৱা-ভাণ্ডাৰীয়াক মাতিলো। মুখকে দুখুৱালে। ইয়াৰ অৰ্থ?

বিষয়া—মোক স্পষ্ট কৰি কৈ গল—সি হেনো আপোনাৰ কথা শুনেনে।

ৰজা—কি? কথা নুশুনে? ইমান সাহ তাৰ?

বিষয়া—নহয় মহাৰাজ। কি হৈছে নেজানো। কিন্তু মোৰ বিশ্বাস আগৰ সিচিনা আৰু মহাৰাজৰ আদৰ-অভ্যৰ্থনা বা সেৱা-শুশ্ৰূষা হোৱা নাই। লগুৱা-লিকচৌ আপোনাৰ জী-জোঁৱাই সকলোৰে দেখিছো এটা স্পষ্ট অৱজ্ঞাৰ ভাব।

ৰজা—হোঁ, জোৱা কি?

বিষয়া—মহাৰাজ। মোৰ যদি ভুল হৈছে ক্ষমা কৰিব। আপোনাৰ প্ৰতি যদি অমৰ্য্যাদা দেখা পাওঁ—কৰ্ত্তব্য কঠোৰ-প্ৰভুৰ আদেশত তাক কৰই লাগিব।

ৰজা—পঁচা, তোমাৰ কথা শুনি মোৰ বিশ্বাস আৰু বাঢ়িল। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] তাৰ [illegible] কৰিছিলোঁ। মই মোৰ [illegible] [illegible] খাবেই জেনে [illegible] বুলি ভাবিছিলোঁ। কিন্তু ইমান বাজক যে গুপ্ত অভিসন্ধি থাকিব পাৰে সেই কথা হলে ভবা নাছিলোঁ। হোঁ বুজিলোঁ। তাওঁকে ভাবি চাব লাগিব। মোৰ বহুৱা কলৈ গল? আজি দুদিন তাক দেখা নাই।

বিষয়া—দুষ্মনীয়া ৰাজকুমাৰী কথতাতে মোৰাৰ পৰাই তেওঁৰ একেবাৰে ডকাই-খীনাই গৈছে।

ৰজা—সেই কথাৰ আৰু আচৰিত নাই। যি দেখিব লাগে সকলো দেখিছোঁ। বোৱা, মোৰ ৰৱজীয়াৰী জানুৰী আইদেউক কোৱাঁলে মই তেওঁক এবাৰ দেখা কৰিব খোজোঁ। মহলাটোকো মতা বুলি কথা। [বিষয়াৰ প্ৰস্থান। ধনজয়ৰ পুনৰ প্ৰৱেশ।] ডাঙৰীয়া! হেৰি ডাঙৰীয়া! এইফালে আহকচোন। মোক [illegible] চিনি পাইছেনে?

ধন—[illegible] আমাৰ বাপী-আইৰ বুঢ়া দেউতাক।

ৰজা—[illegible] কলি? বাপী আইৰ দেউতাক! বজাৰ গোলাম! কটা কেলেহুৱা কুকুৰ! ইমান সাহ তোৰ?

ধন—মোক তেনেকৈ নকব একা। কথা পিছে বেয়াকৈ হব।

ৰজা—হাৰামজাদা! মোৰ মুখে-মুখে উত্তৰ দিব পৰা হৈছ [illegible]?

[প্ৰহাৰ।]

ধন—মোৰ গাত হাত নিদিব একা। কথা বেয়া হব বুলিছোঁ।

অজয়—তোৰ গাত হাত দিয়াৰহে কথা কৈছনে? ধৰি, তোক মই বাপেৰ-ঘাৰৰ দিয়া দেখুৱাও। (অসিত ধৰি ওলোটাই দিছে)

ৰজা—চাবাইচ, ডাঙৰী-কুমাৰ! চাবাইচ। বেছ কাম কৰিছা তুমি। মই তোমাক পুৰস্কৃত কৰি ৰাখিম।

অভয়—উঠি লাহে লাহে পলা। নহলে এতিয়াই দিখিজয় কিন্তু পাৰ্ব্বতী সহ তোক হাড়ে-হিমজুৱে শিক্ষা দিম। বুজিছ? পলা, এতিয়া। জ্যাক জ্যাক পলা। নহলে আক এপালি মন্ত্ৰ দিম। পলা, পলা [ডিডিঙ ধৰি নাচিব উঠিয়াই খৈ আছে।]

ৰজা—বেছ কৰিলা। [বহুৱাৰ প্ৰৱেশ।]

বহুৱা—ইয়াকো দলত সুমাই লোৱা যাওক। বোলো সোণামুৱা! মূৰত এইটো গাধৰ টুপী পিন্ধা। (অভয়পুৰীয়াক গাধৰ টুপী পিন্ধায়।)

ৰজা—কি বাতৰি বহুৱা? কৰ পৰা ওলালিহি?

বহুৱা—তোমাৰ মূৰতহে এই টুপী শোভা পাইছিলহেঁতেন দদাই?

ভয়—কিয় মূৰ্খ?

বহুৱা—আকৌ বোলে কিয়? পৰ্ব্বতখন যে থিয়। অৰ্থাৎ যাৰ কপাল যেনে হয় তাৰ লগত যোগ দিলে আজিকালি মানুহ মূৰ্খ হয় সেই কাৰণে মোৰ এই টুপী তোমাৰ মূৰতহে শোভিব ভাল। দুজনী ছোৱালীক খেদি পঠিয়াইছে আৰু এজনীক ভুলতে আশীৰ্ব্বাদ কৰিছে এই মহাপুৰুষে আৰু কি কৈছে জানা? তাইৰ লগত থাকিলে মই এই গাধৰ টুপী পিন্ধিব লাগিব। নহয় জানো দদাই? সেয়েহে ভাবো—যদি মোৰ দুটা গাধৰ টুপী থাকিলেহেঁতেন আৰু দুজনী ছোৱালী।

ৰজা—থকা হলে কি হলহেঁতেন?

বহুৱা—ছোৱালী দুজনীক মাটিবাৰী খাটপাম যথাসৰ্ব্বস্ব দান কৰি মই নিজে দুটা গাধৰ টুপী লৈ সন্তুষ্ট থাকিলেহেঁতেন। সম্প্ৰতি এইটোকে নিয়া। বাকীটো তোমাৰ জীয়েৰাৰ পৰা ভিক্ষা কৰি আনিবা।

ৰজা— চমটাৰ কোব পাহৰিলিনে?

বহুৱা—প্ৰভু ঈশ্বৰ। পৃথিবীত যদি সত্য বুলি কিবা এটা বস্তু আছে তেন্তে সেয়েই হৈছে কুকুৰ। সি থাকে পাছফালে। আৰু চম-

টাযে কোবাই যাহিব উদিয়াব লাগে কিন্তু ঘুমুৰ-পাটীত্ৰে তেওঁ থাকি ফুট-ছাইৰ ওপৰত থাকি বিশ্বভূৰন পৌৰেছে আবোল-ঘোলাই দিয়ে।

বজা—উস! বিষ! বিষ!

বহুৱা—দদাই! মই তোমাক এটা বক্তৃতা শুনাব খোজো।

বজা—শুনা বাৰু।

বহুৱা—যিমান দেখুৱা থাকে যেন তাতকৈ বেছি
জানা যিমান, কোৱা যেন তাতকৈ কম।
যিমান থাকা, ঘোৰা চেকুবাৰা তাতকৈ বেছি
আছে যিমান, ধাৰ দেলিবা তাতকৈ কম।
বিশ্বাস কৰা বা নকৰা, শিকিবা তাতকৈ বেছি
পাশুতি থাকিবা বেছি, কিন্তু পাজী থাকিবা কম
বেছি ভোলাৰ থাকিব তেন্তে, দুই দহে একুৰি হেলে।
এতেকে দদাই—"হৰ যোজা জ্ঞানী কবি লোকসমাজত
লোৱা মোৰ উপদেশ পাতি জনমত"।

বজা—তোৰ মাথা আৰু মুণ্ড।

বহুৱা—ভেল্কে পালো-বালে খোলাকটিৰ তাল। দক্ষিণা নোপোৱা পুৰোহিত থাপুৰ লগাইছে মোৰ বক্তৃতাটো হল। তুমিওতো মোক দক্ষিণা নিদিলা দদাই। ইয়াৰ মূল্য স্বৰূপে, নাই আমাইতকৈ কণ যোৱাইকে দিব নোৱাৰানে?

বজা—অবাহকত কাকা আয়াজ নকৰিবি।

বহুৱা (অন্তৰ)—বাৰু তুমিয়েই কৈ দিয়াচোন হৰিকৰত! এইঁৰ অন্তৰোৰ মাটি-বাৰী খাট-পাম আছে। সেইবোৰৰ পৰা কিমান ধন কাটিব পাৰ। কিন্তু তাৰ মূল্য হৈছে এটা অৰ-তিৰ। "আৰু, এই মূৰ্খ বহুৱাৰ কথাকো বিশ্বাস কৰে কোনে?

ৰজা—এটা এটা বেলেগ-মূৰ্খ।

বহুৱা—বাৰু কোৱাচোন মহাৰাজ! বোকা-মূৰ্খ আৰু পণ্ডিত-মূৰ্খৰ প্ৰভেদ কি?

ৰজা—মই কব নোৱাৰো। তয়েই কচোন বাৰু।

বহুৱা—কি তোমাক শিকালে ৰজা! ৰাজত্ব কৰিব দান,

বহুৱা তাক যোৱা কাৰত, নহলে ডুবিয়ে গোৱা যান।

বোকা-মূৰ্খ পণ্ডিত-মূৰ্খ, মূৰ্খও দুবিধ ৰজা?

সংসাৰ এই মূৰ্খৰ মেলা, মহৰমে কৰ বুজা।

এই আছে আগতে তোমাৰ বীণপাণী সাজি

আমটিকো সমাজ দেখিয়ে আছা, চকুৰ আগতে আজি।

ৰজা—তই বোকো বহুৱা পণ্ডিত নেকি বহুৱা?

বহুৱা—ৰজেনো আকৌ লাজ পোৱা কিয়? সকলোৱেই বিভাগ দান কৰিছেই দিলা, কেৱল সেইটোহে বাকী বৈছেহে।

অভয়—নৌজা! এই বহুৱা মূৰ্খ নহয়।

বহুৱা—মূৰ্খনো হওঁ কেনেকৈ, কোৱাচোন হৰিভকত? তা-তাওঁবিলা সকলে মূৰ্খ হবলৈ এৰি দিলেহে আকৌ। যদি একচেটীয়া ভাৱে মূৰ্খৰ ব্যৱসায় চলাও, তেন্তে তাওৰ মানুহবিলাকে এনেয়ে বোকাম খুলি তাৰ অংশীদাৰ হবলৈ বিচাৰিব। আৰু যে আমাৰ আইনকনি। তেওঁলোকেই বা কি কম? যতেই মূৰ্খ দেখে সেই কামনেকে তেওঁলোকে হাত আগবঢ়াব। মোক এটা কণীকে দিয়া মহাৰাজ! মই তাৰ সলনি তোমাক দুটা মুকুট দিম।

ৰজা— কেনেকুৱা মুকুট দিবি?

বহুৱা— কিয়? কণী দুটাৰ কুকুৰ দুটা খালে বাকী থাকিব তাকোৱা দুটা। তাৰেই দুটা মুকুট নহয় জানো? [illegible] ৰাজমুকুটটো চুলাঁস যদি তুমবো খৰেছোনা [illegible] [illegible]?, [illegible]

বাবে এতিয়া যিটো পাথৰ পিটিছে উত্তৰকালীয়া আছিল তাতেই তুমি মূৰত তুলি বোকাৰ ওপৰেদি কঢ়িয়াই নিমলদীয়া হৈছে। সেইহে কৈছো দদাই। তোমাৰ পকা মূৰত বুদ্ধিৰ লেশমাত্ৰও নাই, আছে গোবৰৰ সম। বুদ্ধি থকা হলে ইমান সহজে সোণৰ মুকুটটো দাম নকৰিলাহেঁতেন। মই যদি মূৰ্খৰ নিচিনা কথা কব পৰা নাই, সৌকা চলোৱা।

কমিল আজি মূৰ্খৰ দাম, দদাই মোৰ হায়ৰে হায়—
বুদ্ধিমান যদি মূৰ্খ হয়, মূৰ্খৰ কত ঠাই?
সিহঁতৰ আজি বুদ্ধি-বৃত্তি সকলো চল মাটি
মিলি গল দলত সন্নাই, কৰ্মানত টঙালি আঁটি।

বজা—কিমান দিনৰ পৰা তই এনে বিদগ্ধ কবি হৈছ?

বহুৱা—সিদিনাৰ পৰা দদাই। কও কথা সঁচাই—
মিমিলা তুমি ভাঁৱেৰাইতক পাতিলা তোমাৰ আই।
হাততে দিলা সিহঁতৰ দীঘল চেকনি তুলি—
পাতি দিলা গা তোমাৰ, পিঠিৰ কাপোৰ খুলি।
সুখৰ সোতত কান্দোতে সিহঁতে চকু উথহি যায়
বনজোবাৰ বাগিণী টানে বহুৱাই তাকে চাই।

দহো-কুবি দদাই। তোমাৰ এই বহুৱাক সোৱাদ-লগা কথা শিকাবলৈ এজন অধ্যাপক নিযুক্ত কৰা। বুঢ়া পালিয়াৰ মাত সৰলৈ হাবিলাষ জন্মিছে।

বজা— আকলটাবল বলকিজে চমতাৰ কোষ খাবি এবা!

বহুৱা — কি বিপদ! যি হয় কিবা এটা হয়। আৰু বহুৱালি নকৰো।
কিয় সেইবুলি দদাই! [illegible]
[illegible]
[illegible]

সেইহে কেচাইখাউতী ৰণচণ্ডিকা দেৱী স্বয়ং মোৰ্জীয়ে বিৰাজমান।

[অম্বুৰীৰ প্ৰবেশ।]

ৰজা—কি আইদেউ। কপালত কাপোৰ বান্ধিছ কিয়? খণ্ডত উলাসৰ পাৰি কোচ খাইছিল নেকি?

মহন্না—যেতিয়া তোমাৰ ভাল দিন আছিল সদাই। যেতিয়া তোমালোকৰ বস্তা মকুটে পৰোৱা কৰিব নোৱাৰিছিল। এতিয়া যে তুমি এটা বিৰাট অন্-তিন অৰ্থাৎ অন্তঃসাৰশূন্যত এটা মহা শূন্য। তোমাৰ নিজৰ কোনো মূল্যই নাই। তোমাতকৈ মইয়ো ভাল। আন নহলেও মই এজন মূৰ্খ মহন্না। বেছ, শুনক চপাই যক। (অম্বুৰীক) অলটো থাকে শাকলিটো থাকে

একো নাই যাৰ, বহুত লাগে তাকে।

আগতে পিছতে—দুই ভৰি মাজতে—

কুহুম নে'হোৱা চোকোৰা এটা

চোৱা এই কাষতে। (ৰজাক দেখুৱাই)

অম্বুৰী—শুনা হেৰা মহাৰাজ।

মহন্নাৰ কথা মই নলও মনত,
কথা কবলৈহে তাৰ আছে অধিকাৰ।
কিন্তু আৰু আছে যত বিষয়া তোমাৰ
অনৰ্থক দিনে-ৰাতি কৰে কোলাহল।
ৰাজকাৰেন্দ্ৰৰ মোৰ নাথাকে সন্মান
মৰ্য্যাদা আঘৰ কৰে পাতি মন্দ-ছাই।
ভাবিছিলে মনে মনে জনালে তোমাক
দৰ সংশোধন তাৰ—পাম প্ৰতিকাৰ।
কিন্তু এবে দেখি তুমি কথা আৰু কাম
ভাঙিবিল সেই মোৰ বিশ্বাস মনৰ

দিয়েছি মানুষ তুমি এই অবসরে।
তোমারেই সমর্থন অনুমতি পাই
উদাহত যতনীয়া শিক্ষা তোমার।
তুমি যেবে পাসরত হলা অপ্রাসন
রাজ্যর মঙ্গল-চিন্তা মনেই দিয়েছি
মেমেরেরে প্রতিভার মতিন মাধব।
হয় যদি অপরাধ সেইবারে মোর
রাজ্য-রক্ষা রাখে তাকো কবির নিশ্চয়।

বহুরা—শুনা সদাই। মজার কথা—
জাউবীর রাজত ভুলিব অধিপ সোনালী,
চক্ষু মুদি মিলিলে টোপ উলামি উকামি।
পাখি পজিল, তাতুর হল [illegible] [illegible] [illegible],
থিয়া পল, সম্পত্তি পল, [illegible] [illegible] [illegible]।

রণা—তমেনে জীরাধী মোর?

জাহ্নবী—স্থির হোবা রণা!
নই থাকো বুদ্ধি-বৃত্তি-আগার নিশ্চিত
ত্যাগ কবা দুর্বুদ্ধি তোমার।

রণা—হইতে কব পারনে মই তোমা? মই সেই [illegible] প্রতাপসিংহ নহওঁনে? [illegible] [illegible] [illegible] [illegible]? তার মাত-কথা একেমুঠা মাছিলন? [illegible] [illegible] [illegible] [illegible]। তার আজি জ্ঞান লোপ পাইছে, [illegible] [illegible] [illegible] নষ্ট হৈ গৈছে। মই পারে আছো যে টৌপনি [illegible]? [illegible] এনে কথা হব নোবারে। কোনে [illegible] কব পারে মই [illegible]?

বহুরা—মই কব পারো—তুমি রণা প্রতাপর [illegible]। [illegible] [illegible] একেবারে নোহোৱা।

বজ্রা—মোৰ ৰাজলক্ষণৰ বলত কিম্বা জ্ঞান বিচাৰ-বুদ্ধিৰ ফলত এনে
যেন অনুমানি হৈছে—এতিয়াও মহাৰাজ প্ৰতাপসিংহ জীয়াই
আছে। এতিয়াও তাৰ জীয়াৰীহঁত আছে। সম্প্ৰতি মই যি
ব্যৱহাৰ লাভ কৰিছো, তাক যে সঁচা বুলি বিশ্বাস কৰিব
পৰা নাই।

বজ্ৰা—সিহঁতক এতিয়া লাগে বাপেকৰ ছাঁ সেই ছাঁই পালিব
লাগিব সকলো আদেশ।

বজ্রা—হে দেৱী! কোৱা তোমাৰ নাম?

জাহ্নৱী—শুনা মহাৰাজ। দেখি এনে বিস্ময় তোমাৰ
ভাবিব পাৰিছো মই
খেলিছা নতুন এক ব্যঙ্গ অভিনয়।
শুনা মোৰ কথা—বুঢা বয়সত আজি
জ্ঞান হোৱা উচিত তোমাৰ।
ৰাখিছা লগত তুমি এনে অনুচৰ
অত্যাচাৰী অসংযমী উদ্ধত সবাই।
বিলাসী বিষয়াদল কামুক পিশাচ
ঘিণ লাগে সিহঁতৰ আচৰণ দেখি।
শান্তিৰ কাৰেঙ হল অশান্তিৰে ভৰা
দিনে ৰাতি নাচ-গান হাঁহি-খিকিন্দালি
ৰাজপুৰী যেন কোনো বেশ্যাৰ আলয়।
তাৰে মাথোঁ বিচাৰিছো প্ৰতিকাৰ আজি
কমোৱা বিষয়া দল
অসংখ্য অনুচৰ নাই আৱশ্যক।
কাৰ্য্যক্ষম উপকাৰী চাই
ৰাখিব পাৰিবা মাথোঁ দুই চাৰি জন।

ৰজা—কি পাপৰ কথা মই শুনিলো প্ৰধান ?
যোৱা মোৰ সজোৱা ভুৱনে,
অধুনিবিলাকক জনোৱা আহ্বান
নাথাকো মুহূর্ত্ত এই পাপৰ পুৰীত ।
অতি নীচ, অতি হীন,
হে পাপিষ্ঠা ! তই মোৰ নহয় তনয়া ।
নালাগে সহিব তই মোৰ বাবে আৰু
আছে মোৰ স্নেহময়ী জীয়াৰী যমুনা ।
জাহ্নু—ভৃত্য মোৰ কৰিছা প্ৰচাৰ ।
তোমাৰেই প্ৰশ্ৰয়ত অনুচৰ দলে
নপতা-কুকন হৈ মোৰ কাৰেণ্ডত
সিংহৰ ওপৰত চলায় প্ৰভুত্ব । [দময়ন্তীৰাজৰ প্ৰবেশ ।]
ৰজা—দময়ন্তীৰাজ ! আহিছা তুমিও ?
কোৱাচোন বাৰু
এই প্ৰস্তাৱত তুমি দিছানে সম্মতি ?
অকৃতজ্ঞতা ! পাষাণী ৰাক্ষসী তই,
যেতিয়া দন্তেৰে লন্ত সন্তানৰ গাত
হৱ তই কুৎসিৎ অতি ভয়ঙ্কৰ ।
সাগৰৰ জন্ত ক্ষুদ্ৰ তোৰ তুলনাত ।
দময়ন্তী—শান্ত হোৱা মহাৰাজ ।
ৰজা—(জাহ্নবীক) ঘৃণিতা গৃধিনী তই ৰাক্ষসী জাহ্নবী ।
অন্তৰত ভৰা তোৰ হলাহল বিহ ।
সখী মোৰ সকলোটি শ্ৰেষ্ঠ মানুহৰ ।
জানিবৰে বুজে সবে কৰ্ত্তব্য নিজৰ
মৰ্য্যাদা ৰাখিব জানে প্ৰতি কাৰ্য্যতেই ।

অতি ক্ষুদ্র নখদুর সেই অপরাধ
বর্ধিতেছে শিশু হায় কুৎসিত আকার
তাতে মই অবাবতে ধৈর্য্য হেরম্বাসে
হেলাবে পেলালো চিন্তি মরমর বান্ধ ।
প্রতাপ ! প্রতাপ !
শিরত আঘাত কর, রুদ্র বজ্রপাত
ভেনেস্থুরা বিমূঢ়তা ঠাই পালে যত (মূর্ত্ত আঘাত করে)
বিবেচনা দূর হল—পলা'স বিবেক ।
যা, যা, সকলো ঝাঁতবি যা ।
মনস্বী—মহারাজ ! সম্পূর্ণ নির্দ্দোষ মই
অন্য নাই অনপোকে ক্রোধর কারণ
কন্যা—হব পাবে স'চা, নাজানিব পারা তুমি
শুনা শুনা হে প্রকৃতি পূজনীয়া দেবী !
শুনা মোর মর্ম্মবাণী অন্তরর কথা—
পরিহার করা তুমি সংকল্প তোমার
সন্তানর ভার যদি লেখিছা ভাগ্যত
জঠরত বন্ধ্যাত্বর দিয়া অভিশাপ
পপীয়া ঘৃণিত সউ শরীরর পরা
কেড়িয়াও যেন কোনো নজন্মে সন্তান
কোলাগে ঘচাব তাই মাতৃত্বর মান ।
সন্তান-জনম যদি নোয়ারা কথিং
দিবা স্থান কুসন্তান গর্ব্বিত গর্ভত
কুলাঙ্গার সন্তানর লীন-খেল' চাই
জ্বালক, জ্বলক তাই গোটেই জীবন
মানি লক কপালত কলঙ্ক-কালিমা ।

দিনে-ৰাতি খাবাসাৰে ক্ষুব্ধ শৰীৰে
শুকাই নোহোৱা ৰক্ত মুখৰ মালিমা ।
মাতৃক্লেশ, মাতৃস্নেহ, মাতৃৰ মৰম
ভাবে যেন সকলোৱে ঘৃণনীয় বুলি ।
মৰ্ম্মে মৰ্ম্মে অনুভৱ কৰে যেন তাই
অকৃতজ্ঞ সন্তানৰ সেই যে দংশন
কাল ভুজঙ্গতকৈয়ো বেছি বিষময় ।
যাওঁ যাওঁ মই. নেথাকোঁ ইয়াত । [প্ৰস্থান ।]

নবতী—হায় ভগৱান ! কিয় এনে হল অকস্মাৎ ?

জাহ্নু—জানি একো লাভ নাই
বাৰ্দ্ধক্যৰ ক্ৰোধ—নিজে নিজে. যাব যাব

[যজ্ঞাৰ পুনঃ প্ৰৱেশ ।]

যজ্ঞা—একেবাৰ মুখৰ কথাৰে
বিষয়া পঞ্চাচ জন খেদি পঠিয়ালে
এক পক্ষ নহল অতীত ।
(জাহ্নবীক) তোৰ এই আচৰণ দেখি
লজ্জা পায় মনুষ্যত্ব কলঙ্কিত হই ।
আগুৰি ধৰক তোক আন্ধাৰ-কুঁৱলি
পিতৃ-পাপ অভিশাপে বিদ্ধক অন্তৰ
খণ্ডভঙ্গ-শক্তি যেন তোৰ
দৰ্প-পুৰি ভস্ম হয় তাত ।
আছে মোৰ আৰু এক স্নেহৰ জীয়াৰী
শান্তি-প্ৰদায়িনী তাই শীতল যমুনা
দয়াৱতী মূৰ্ত্তিমতী করুণাৰূপিণী
শুনিলে নিশ্চয় এই ঘৃণিত কাহিনী

বাড়িলীৰ হবে তাই উঠিব গৰ্জ্জি
খণ্ড খণ্ড কৰিব তোক নখেৰে আঁচুৰি।
দেখিবি তেতিয়া তই চকুৰে আগতে
পুনৰ লভিছো মই পূৰ্ব্বৰ গৌৰৱ।
ভাবিছ হেকন্তা বুলি যি পদ-গৌৰৱ
সকলোকে পুনৰ্ব্বাৰ দেখিবি বচ্ছকে।

[বজ্ৰা, অভয়পুৰীয়া, বহৰা আৰু অন্তৰবিসাৰৰ প্ৰস্থান।]

আহু— শুনিলানে কথা ?

দৰভী— ভাল পাওঁ প্ৰাণাধিক যদিও তোমাক
তথাপিতো জানিবা আহুৰী।
কদাপি নোৱাৰা হব এনে স্বাৰ্থপৰ।

আহু— অনুৰোধ মোৰ—ক্ষান্ত হোৱা তুমি। এশ অনুচৰ। সিহঁতক অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত কৰি ৰখাৰ অৰ্থ কেৱল নিৰাপদৰ কাৰণে নে ? নিশ্চয় কৌশল। এশ অনুচৰ। হব পাৰে এটা স্বপ্ন জনৰব, মিছা অনুমান, সামান্য মনোভঙ্গ। এনেয়ে কিবা এটা ঘটিলেও সিহতৰ সহায়তে নিজকে ৰক্ষা কৰিব। আৰু আমাৰ জীৱন নিৰ্ভৰ কৰিব তেওঁৰ দয়াৰ ওপৰত ? ধনঞ্জয় কত ?

দৰভী— তুমি দেখিছো বৰ ভয় খাইছা আহুৰী ?

আহু—ভয় খাইছো। সেই ভয় আঁতৰ কৰিবলৈ দিয়া। মই আৰু ভয় ৰখা নাই। পিতৃৰ মন মই ভালদৰে বুজো। তেওঁ যি কথা কলে সকলোখিনিকে যমুনা ভনীটীলৈ লিখি পঠাইছো। মই যেতিয়া যেয়া বুলিছো যমুনায়ো ভাল নোবোলে। তাই কেতিয়াৰ এশ জন অনুচৰ নোপোৱে—বুজাই তাতো ঠাই পোৱা টান। সোৱা, ধনঞ্জয় আহিছেই। [ধনঞ্জয়ৰ প্ৰৱেশ।]
সেই চিঠিখন তই যমুনাক দিলিনে ?

ধন—দিলো বাণী-আই ! দিলো ।

গান্থু—এটা ভাল ঘোৰাত উঠি তই এতিয়াই কুণ্ডিনলৈ যাত্রা কৰ। যমুনাৰ আগত মোৰ অন্তৰৰ সকলো কথা ভাঙ্গি-পাতি কবি । তই নিজেও এনে ভাবে ডাল-পাত যোৰা দি কবি তাইৰ মন বুঢ়াৰ প্ৰেতি যেন আৰু বেছি বিৰাক্ত হৈ উঠে । যা, সোণকালে উলটি আহিবি । [ধনঞ্জয়ৰ প্ৰস্থান]

প্ৰিয়তম ! মই তোমাক নিন্দা নকৰো । তথাপি কওঁ—এনেকুৱা সৌজন্য আৰু কোমল আচৰণ তোমাত শোভা নাপায় । মন তোমাৰ বৰ কোমল সেইবাবে সকলোৱে প্ৰশংসা কৰে । কিন্তু বুদ্ধি তোমাৰ ইমান কম যে সেই কাৰণে শাসন আৱশ্যক ।

দৰভী—বুজা নাই তুমি । সুফল আশা কৰি আমি বহুত সময়ত নিজৰ ভৱিতেই কুঠাৰ মাৰো ।

গান্থু—বাৰু বলা এতিয়া দেখা যাব । [দুয়োৰো প্ৰস্থান ।]

পঞ্চম দৰ্শন ।

দময়ন্তীৰাজৰ প্ৰাসাদৰ চোতাল

[ৰজা, অন্তঃপুৰীয়া আৰু প্ৰহৰীৰ প্ৰবেশ ।]

ৰজা—তামুলী-কুঁৱৰ । এই পত্ৰখন তুমি বেগাবেগীকৈ অন্তঃপুৰীয়া ডাঙৰীয়াৰ ওচৰলৈ লৈ যোৱা । মোৰ জীয়ৰীক কোনো কথা কোৱাৰ আৱশ্যক নকৰে । তথাপি যদি পত্ৰ পঢ়ি কিবা কথা সোধে উত্তৰ দিবা । যদি সোণকালে যাব নোৱাৰা তেন্তে তোমাতকৈ আগবাঢ়ি মই পামগৈ ।

অজয়—তুমি তোমার এই পত্র বেঁটিয়াটাকে মধ্যস্থতা দিব বোতলবোটল ভেতরিয়াটায় তোমা চৌপদি আছে দেখা। বই এতিবা আহি-বলাহে।
[প্রস্থান।]

বহুরূপা—মদাই ! তোজা মাছুহর মগজু ভরি গেবোয়াত থকা হলে তার দগদ্ধত খাত-গ্যাদি মলগেছেন। কোনাচোন বাক হয়নে মজা ?

বজ্রা—শব্দ।

বহুরূপা—আসল কথা মদাই ! আসল কথা। তোমার বুদ্ধিটো মাথবে গাইঁ পুঁটি পোনাইছে।

বজ্রা—হাঃ হাঃ হাঃ।

বহুরূপা—তোমার দিটা জিয়াবীও আঁকটো ঠাচতে পড়া। এটা হৈছে পথ, আনটো হৈছে কোলো। মনতেও নোয়াবো খটা মুখ, মনেও আরগ ডকতর ক্রোধ। দায় মমবিধা মদাই !

বজ্রা—কি হৈছে ?

বহুরূপা—কৈছো যোনে বাঘ চাব নেদাপে যোজাকে জাকা তাল মানুহ চাব লাগে পাইটদে খাল। কব পাবানে মদাই ! আমার মৃথর মাজভাগত এই নাকটো কিয় আছে ?

বজ্রা—তমেই কয়োন।

বহুরূপা—মাকর কারত দুয়ো কাষে চকু থাকিবর কারণে। মানুহে চকুরে বি দেখা নাপায়. পোজেবে তাব টেব পায়।

বজ্রা—বই তাইব প্রতি দুর্ব্যবহার কবিছো।

বহুরূপা—বাক কোলাচো মদাই, মানুহকে কিদবে তাব গাব খোলাটো লাজে ?

বজ্রা—নাজানো।

বহুরূপা—ময়ো নাজানো। লেইখুদি মানুহর খোলাটো হলে কিয় আছে জানো।

ৰজা—কিয় ?

বৃহন্নলা—মূৰটো সুমাই ৰাখিবৰ নিমিত্তে। শামুক এনেকুৱা মূৰ্খ নহয় যে খোলাটো জীয়েকাইক দান কৰি শেষত নিজৰ মূৰটো সুমুৱাবলৈ ঠাই নাপাব।

ৰজা—স্বভাৱৰ ঘটিল বিকৃতি। এনেকুৱা স্নেহময় পিতা— । মোৰ যোৰা প্ৰস্তুতনে ?

বৃহন্নলা—তোমাৰ পাখ-লগুৱা [illegible] ঘোৰা বিচাৰি গৈছে। সাত ভাই আৰু চম্পা। সাতোটাৰ [illegible] কিয় জানানে ? সেইটো এটা মজাৰ সাধু।

ৰজা—অন্যত্ৰে। আঠ ভাই নহয় [illegible] সাত ভাই।

বৃহন্নলা—চাবাইছ দদাই। তুমিও [illegible] মোৰ দৰে 'এজন পকা বৃহন্নলা হব পাৰিবা।

ৰজা—এৰা। দুষ্ট প্ৰক—শনিৰ [illegible] ভীষণ অকৃতজ্ঞতা।

বৃহন্নলা—তুমি মোৰ বৃহন্নলা হোৱা [illegible]ই! ইমান বয়স বয়সতে বুঢ়া হোৱাৰ কাৰণে মই তোমাৰ [illegible] লোকা চলাদেৱেছেত্তেন।

ৰজা—কেনে ?

বৃহন্নলা—আকেল জন্মাৰ আগতে তুমি [illegible] হব নালাগিছিল।

ৰজা—ওঃ! মোক আৰু বলিয়া নকৰিবা [illegible]ভগৱান! শান্তি দিয়া। শান্তি দিয়া। মোক ৰক্ষা কৰা। [illegible] প্ৰভু! মই উন্মাদ হবলৈ ইচ্ছা নাই। [[illegible] অনুচৰৰ প্ৰবেশ।]

অনু—অশ্ব প্ৰস্তুত, মহাৰাজ।

ৰজা—তেন্তে বলা।

বৃহন্নলা—দাঁত উলিয়াই হাঁহিছ কুমাৰীই [illegible]
বৃহন্নলাই পাইছে [illegible]
নাৰাকিৰি কোনো চিৰকুমাৰী [illegible]
কপালত থাকিলে লেখা। [[illegible] প্ৰস্থান।]

—— x ——

শ্ৰীকৃষ্ণৰ্পণমস্তু

দ্বিতীয় অঙ্ক

প্ৰথম দৰ্শন

জয়পুৰ—দুৰ্গকক্ষ

[বনমালীৰ প্ৰৱেশ।]

বনমালী—কুণ্ডিলপতি আজি নিশা ইয়াত থাকিব। বেছ কথা। সেয়ে হলে মোৰ উদ্দেশ্য সিদ্ধি হোৱাৰ বাট মুকলি হৈছে। ককাইদেউৰ আলেখলেখ চাবলৈ দেউতাই প্ৰহৰী নিযুক্ত কৰিছে। মই এটা সমস্যাৰ সমাধান কৰিব লাগিব অৰ্থাৎ ভাগ্যৰ ওপৰত নিৰ্ভৰ কৰি সকলো কাম কৰি যাব লাগিব। অ' সেই জন ককাইদেউ নেকি ? এই ফালে এবাৰ আহি থোৱা'চোন। এটা ডাঙৰ কথা আছে।

[সুবলৰ প্ৰৱেশ।]

ককাইদেউ। দেউতাই তোমাৰ বিৰুদ্ধে প্ৰহৰী নিযুক্ত কৰিছে। সেই কাৰণে তুমি অতি সোনকালে এই ঠাই এৰি যোৱাটোৱেই মঙ্গলজনক। তুমি কত পলাই আছা তেওঁ সেই কথাও জানিব পাৰিছে। আজি নিশা যমুনাদেৱীৰ লগত তেওঁ ইয়ালৈ আহিব। দেৱীৰ লগত তেওঁৰ সমৰৰ কথা আলোচনা কৰা নাছিলা জানো ? সকলো কথা ভাবি চোৱা।

সুবল—মইতো তোমাক কোনো কথা কোৱা নাছিলো।

বন—শুনিছো লগত দেউতাও আহিব। মই এটা কৌশল ভাবিছো। মই তোমাৰ বুকুলৈ লক্ষ্য কৰি তৰোৱাল তুলিম। তুমিও অলপ সময় আত্মৰক্ষা কৰি পিছত পৰাজয় স্বীকাৰ কৰিবা।

সুবল—তাৰ পৰা আৰু ?

বন—বহুত। পিছত সকলো বুজিব পাৰিবা। এতিয়া মাথোন মোৰ কথামতে চলি যোৱা।

সুবল—বেছ, সেয়ে হব।

বন—সোঁৱা, আহি পালেই। বস্তি—কোন আছ বস্তি দেখুৱা। পলোৱা, পলোৱা। ইয়াতে বস্তি লৈ আহ শীঘ্ৰে। [সুবলৰ পলায়ন] মনত বিশ্বাস জন্মাবলৈ হাতত অলপ তেজ সানি লব লাগে। (হাত বিক্ষত কৰি) খেমালিৰ ছলতে মদাহীবিলাকে ইয়াতকৈ বহুত ডাঙৰ কাম কৰা দেখিছো। দেউতা! দেউতা! অলপ বোৱা। মই শত্ৰুৰ মুখত। মোক ৰক্ষা কৰোতা কোনো নাই।

[জয়পুৰীয়া আৰু হাতত বস্তি লৈ প্ৰহৰীবিলাকৰ প্ৰবেশ।]

জয়—বনমালী! কত সেই নৰাধম ?

বন—চা হতত চোকা তৰোৱাল লৈ আন্ধাৰত থিয় দি আছিল। ডাকিনী যোগিণীৰ মন্ত্ৰ মাতি কামাখ্যা-গোসানীক আহ্বান কৰিছিল। ভাগ্য-দেৱী তাৰ—

জয়—সি গল কোন ফালে ?

বন—চাওক দেউতা! মোৰ শৰীৰ তেজেৰে ৰাঙলী।

জয়—কেনি গল পাপিষ্ঠ দুৰ্জ্জন

বন—পলাল, পলাল দেউতা!

নহল যেতিয়া সিদ্ধি মনৰ কামনা।

জয়—যা পাছে পাছে, অনুসৰণ কৰ তাক। [অনুচৰৰ প্ৰস্থান।] নহল কিদৰে সিদ্ধি মনৰ কামনা ?

বন— পিতৃ-নিধনৰ বাবে সেই পাষণ্ডই
কৰিছিল বহু বাৰ উত্তেজিত মোক।
তেলো মই—পিতৃহন্তা পাপীৰ শিৰত

বজ্ৰৰ আঘাত হানি ভীষণ আৱেগে
আকাশৰ দেৱতাই লয় প্ৰতিশোধ ।
আক্ৰমিলে দুৰন্তই সেইবাবে মোক
অৰক্ষিত বাহুত সি কৰিলে আঘাত ।
নিতান্তই হল তেনে বিৰোধ যেতিয়া
হলো মই আগুৱান ক্ষত্ৰিয়-সন্তান
শিৰে শিৰে বই গল শোণিত-প্ৰৱাহ ।
দেখি মোৰ তেনে মূৰ্ত্তি, নতুবা ভয়ত
নতুবা চিঞৰা শুনি আশ্ৰমৰ বাবে
পিতৃদ্ৰোহী মহাপাপী পলাল আঁতৰি ।
জয় যাওক, যাক দূৰ হই, পলাক দুৰন্ত ।
থাকিলে ইয়াতে—বন্দী হব সুনিশ্চিত
বন্দী হলে আৰু বেছি হব সৰ্ব্বনাশ ।
শুন বনমালী ! প্ৰভু মোৰ কুণ্ডিল-নৃপতি
আজি নিশা দয়া কৰি থাকিব ইয়াত ।
তেওঁৰেই আদেশত কৰিম ঘোষণা
যিজনে আনিব ধৰি সেই হত্যাকাৰী
পাব বহু পুৰস্কাৰ
আৰু লোক লুকুৱাই ৰাখিব যিজনে
হব তাৰ মৃত্যুদণ্ড ।
বন—বুজি পাই সেই তাৰ সুদৃঢ় সংকল্প
পাপময় অভিপ্ৰায় ৰুধিবৰ বাবে
কলো মই অতিশয় কৰ্কশ ভাষাৰে
প্ৰকাশ কৰিম বুলি পাপ ষড়যন্ত্ৰ ।
উত্তৰত কলে মোক তিৰস্কাৰ কৰি

'সম্পত্তিবিহীন তই ঘৃণিত জাৰজ
মই যদি থাকো বিপক্ষত
তোৰ কথা কোনে বাৰু কৰিব বিশ্বাস ?'

জয়—অতিকৈ দুৰ্জ্জন। এই পত্ৰ সি অস্বীকাৰ কৰিব কেনেকৈ ? সি মোৰ পুত্ৰ নহয় কদাপি। (নেপথ্যত ভেৰী বাজে।) সেয়া, ভেৰী বাজি উঠিল। সেজানো কুণ্ডিলৰাজ অহাৰ উদ্দেশ্য কি। সকলো বাট-ঘাট মই বন্ধ কৰি দিম—যাতে সেই পাষণ্ড কোনেও পলাব নোৱাৰে। কুণ্ডিলপতিয়ে নিশ্চয় মোৰ অনুৰোধ ৰক্ষা কৰিব। তাৰ প্ৰতিকৃতি দেশে দেশে পঠাম, যাতে সকলোৱে তাৰ পৰিচয় জানিব পাৰে। বনমালি! তই মোৰ অনুগত পুত্ৰ। জাৰজ হলেও তই মোৰ সম্পত্তিৰ অধিকাৰী। তোক যোগ্য কৰি তুলিবলৈ মই চেষ্টাৰ ত্ৰুটি নকৰো।

[কুণ্ডিলপতি, যমুনা আৰু পাৰিষদবিলাকৰ প্ৰৱেশ।]

কুণ্ডিল—মহানুভৱ বন্ধু! খবৰ জানিলে ? ইয়ালৈ আহি আমি এটা বৰ অদ্ভুত কথা শুনিলো।

যমু—যদি সঁচা হয় তাৰ যথোচিত শাস্তি দিয়া বৰ টান হব। ডাঙৰীয়া কেনে আছে ?

জয়—মহাৰাণী! কিনো কম ? আজি এই বুঢ়াৰ হৃদয় ভাগি গৈছে।

যমু—আমাৰ পিতৃদেৱতাৰ ধৰ্ম্মপুত্ৰই তোমাৰ জীৱন লবলৈ চেষ্টা কৰিছিল। মৰমতে দেউতাই এদিন সেই পাষণ্ডৰ নাম থৈছিল সুবলসিংহ।

জয়—মহাৰাণী! লাজতে মোৰ মুখেদি বাক্য নোলোৱা হৈছে।

যমু—সি আমাৰ দেউতাৰ অসংযমী অনুচৰবিলাকৰ লগত আছিল নেকি ?

জয়—সেই কথা মই কব নোৱাৰো। কিন্তু কামটো হলে বৰ গৰ্হিত।

বন—হয় মহাৰাণী। জগতত ইয়াতকৈ ডাঙৰ মহাপাপ নাই।

যমু—তাৰ হৃদয় কলুষিত কৰিছে সিঁহঁতে। সেই কথাত আচৰিত হব নালাগে। সিহঁতেই তাক জয়পুৰীয়াক হত্যা কৰিবলৈ উত্তেজিত কৰিছে। বিষয়-সম্পত্তি হাত কৰিবৰ উদ্দেশ্যে। মই আজি বাইদেউৰ পৰা সকলো কথা জানিব পাৰি সতর্ক হৈছো। যদি সেই মদাহী অনুচৰবিলাক ইয়ালৈ আহে, মোক সিহঁতে দেখা নাপাব।

কুণ্ডিল—মোকো দেখা নাপায়। বনমালীসিংহ! শুনিছো তুমি হেনো পুত্রৰ উপযুক্ত কার্য্য কৰিছা?

বন—মই কেৱল মোৰ কর্ত্তব্য কৰিছো ৰাজন। তাতকৈ বেছি একো কৰা নাই।

জয়—বনমালীৰ পৰাই সকলো কথা জানিব পাৰিছে। তাক ধৰিবলৈ চেষ্টা কৰোতেই সি আহত হৈছে।

কুণ্ডিল—তাক ধৰিবলৈ মানুহ পঠোৱা হৈছেনে?

জয় হৈছে ৰাজন?

কুণ্ডিল—যদি সি ধৰা পৰে তেন্তে মোৰ আৰু কোনো অনিষ্ট হোৱাৰ ভয় নাই। জয়পুৰীয তোমাৰ অনিবার্য্য জয়। মাৰ শক্তিৰ সহায়ত অচিৰে তোমাৰ সংকল্প সিদ্ধি হব। বনমালীসিংহ! নিজৰ বাহুবলৰ দ্বাৰাই তোমাৰ উন্নতি অনিবার্য্য। তুমি আমাৰ লগতে থাকা। তোমাৰ নিচিনা বিশ্বাসী লোকৰ মোৰ নিতান্ত আৱশ্যক। আজি তোমাক আমি পোন প্রথমেই গ্রহণ কৰিলো।

বন—মযো আনন্দ মনেৰে মহাৰাজৰ সেৱাৰ ভাৰ গ্ৰহণ কৰিলো। আন একো কৰিব নোৱাৰিলেও একান্ত বিশ্বাসেৰে ৰজা ৰাণী উভয়ৰে চৰণ-সেৱা কৰিব পাৰিম।

জয়—এনে অনুগ্রহৰ বাবে মযো মহাৰাজক অশেষ ধন্যবাদ জনাইছো।

কুণ্ডিল—জয়পুৰীয়া! তুমি বোধকৰে এতিয়াও বুজিব পৰা নাই কিয় আমি তোমাৰ ঘৰলৈ আহিছো।

যমু—এনেকুৱা অসময়ত, অপ্ৰত্যাশিত ভাবে, এই অন্ধকাৰ ৰাতি, হে সুবিজ্ঞ জয়পুৰীয়া ভাণ্ডৰীয়া! আমি তোমাৰ পৰামৰ্শ বিচাৰি আহিছো। তোমাৰ লগত এটা বৰ প্ৰয়োজনীয় কথাৰ আলোচনা আছে। আমাৰ দেউতা আৰু বাইদেউ উভয়েই তেওঁলোকৰ ভিতৰত হোৱা মনোমালিন্যৰ কথা মোক চিঠি লিখি জনাইছে। আমাৰ কাৰেঙৰ পৰা সেই পত্ৰৰ উত্তৰ দিয়াটো উচিত বিবেচনা নকৰিলো। পত্ৰবাহক কটকী বৈ আছেহি। ইয়াৰ পৰাহে তাৰ সমিধান পঠোৱা হব। হে সুবিজ্ঞ বৃদ্ধ বন্ধু! হৃদয়ত আনন্দ অনুভৱ কৰা। আমাক উচিত পৰামৰ্শ দিয়া। তোমাৰ পৰামৰ্শমতেই আমি কাম কৰিম।

জয়—মহাৰাণী! শ্ৰীচৰণৰ সেৱাৰ বাবেই এই দাস। আপোনালোকক বন্দীয়ে হিয়াভৰা আদৰ-অভ্যৰ্থনা জনাইছো। আহক।

[সকলোৱে প্ৰস্থান।]

দ্বিতীয় দৰ্শন

জয়পুৰ দুৰ্গ

[অভয়পুৰীয়া আৰু ধনঞ্জয় দুৱাৰৰ কাষৰ পৰা প্ৰৱেশ।]

ধন— নমস্কাৰ বন্ধু! তুমি সদায় ইয়াতে থাকা?

অভয়—এৰা।

ধন—মোৰ ঘোৰাটো কত থম?

অভয়—তাৰ মূৰত।

ধন—যদি মোলৈ সময় আছে শীঘ্ৰে কোৱা আহোঁ।

কুন্তলা—তোমালৈ মোৰ মৰম নাই।

ধন—তেন্তে ময়ো তোমালৈ পৰোৱা নকৰো।

অভয়—চাওৰাওৰ গড়ালৰ কাষত পোৱা হলে চাব্যোহেতেন বাপেৰক পৰোৱা কৰ নে নকৰ।

ধন—মোৰ জগত তই এনেকুৱা ব্যৱহাৰ কৰিছ কিয়? তোক মই চিনি নাপাওঁ।

অভয়—ময়ো তোক চিনি নেপাওঁ।

ধন—মোক কি কৰলৈ খুজিছ?

অভয়—কটা ধূৰ্ত্ত! দগাবাজ! পচা-মাংস খোৱা ৰাক্ষস! ছোটলোক! লক্ষ্মীছাড়া! বহুৰূপী! ফটুৱা নবাব! ভটুৱা কুকুৰ! ৰটুৱা এন্দুৰ! ভীমভ্যানী! কেচাইখাকী গোসানী! চিনা নাই কুকুৰ-পোৱালী! এই বাপেৰক—বাপেৰৰ চৌধপুৰুষক? ইমানবোৰ উপাধিৰ এটা যদি অস্বীকাৰ কৰ কোবাই কোবাই পিঠিৰ ছাল তুলিম বুজিছ? চিনা নাই মোক? খবৰ্দাৰ!

ধন—কি ভয়ঙ্কৰ মানুহ এক তই? আগেয়ে কতো দেখা নাই শুনা নাই—একেবাৰে চৌধপুৰুষ উদ্ধাৰ?

অভয়—কটা গোলামৰ পুতেক গোলাম! এই বাপেৰক চিনি পোৱা নাই? সিদিনা তোক মৰাৰ আগতে ভৰিত ধৰি ওলোটাই দিছো, বৈদ্য পিটন দিছো। আজি মই তোক মাৰি পেটৰ নাড়ী ভাল ভাল কৰিম। নীচ অসভ্য জাৰজ কুকুৰ! উলিয়া ভালে ভালে জঁৱোৱাল উলিয়া।

ধন—মই চিকা মাৰি হাত গোন্ধাব নোখোজো।

অভয়—কটা বন্দী দগাবাজ! আজি তোক বাপেৰে——

ধন—মাৰিলে ঔ, মাৰিলে ঔ, কোন আছা?

[মুণ্ডিতবাজ, যমুনা, জয়পুৰীয়া, বনমালী আৰু মধুচৰণ প্ৰৱেশ।]

ধন—কি হৈছে ? ঘটনা কি ?

অভয়—আহঁচোন, তোৰ মগজতেই লাগে। [illegible] যদি [illegible] আহ। ভূমিটো চাই যা। আহ।

জয়—তৰোৱাল আন। তৰোৱাল আন। ঘটনা কি ?

কুন্তিল—সকলোৱে স্থিৰ হোৱা। যি তৰোৱাল তুলিব তাৰ প্ৰাণ-দণ্ড হব। কোৱা, কি হৈছে ?

যমুনা—এই দুজন লেখোন বুঢ়া বন্ধা আৰু বাইদেউৰ কাটাৰী।

ধন—মোৰ উন্মাদ বন্ধ হৈ গৈছে প্ৰভু-ঈশ্বৰ।

অভয়—হবতোন। নহব কিয় ? কটা জন্মান্তৰ! তই কেতিয়াও ভাল ভাবেৰে জন্ম লোৱা নাছিলি।

কুন্তিল—ক এতিয়া, তহঁতৰ কাজিয়াৰ কাৰণ কি ?

ধন—পুৰণি পাপী মহাৰাজ! পুৰণি পাপী। মই তাৰ জীৱন-লোকা জানিছো।

অভয়—মহাৰাজ এই কুকুৰ-পোৱালী—নাযকটা জিপাহী। মৌতাই আদেশ দিলে এই দগাবাজক মাৰি মোহাৰি বগুলা ভোজলা।

কুন্তিল—তই মান-মৰ্য্যাদা একো বুজি নোপাৱনে ?

অভয়—পাওঁ দেউতা! খুব পাওঁ। কিন্তু খং উঠাৰ দৰকাৰত নিয়ম জ্ঞান নেথাকে।

কুন্তিল—তোৰ ইমান খং উঠাৰ কাৰণ কি ?

অভয়—উঠিব কিয় ? এই বৰ্ষী কিনা-গোলামে তৰোৱাল তুলিব জনা হৈছে। তাৰ মনত ভদ্ৰতা-বোধ অকণো নাই। সেইটো চাওক। কুকুৰৰ নিচিনা দাঁতকোৰটো উলিয়াই মোৰ কথা শুনি হাঁহিছে ? তাৰ সেই ভেঙেচুৱা মুখত দুই লাগক। চোৱাচোন, কুকুৰ-পোৱালীটো চোৱা। যেন মই এটা [illegible]। নহয়নে বেটা পাতি-হাঁহ ? কোৰাৰ সময়ত পোৱা হলে তোক আজান বাতিত পেক পেক কৰাবলৈ লগালোহেঁতেন।

কুণ্ডিল—তুই বলিয়া হৈছ নেকি বুঢ়া ? বিবাদৰ কাৰণ কি মকৰ্ম কিয় ?

অভয়—তাৰ আৰু মোৰ মাজত যি বিবাদ দৌতা। সাপ আৰু নেউলৰ মাজতো তেনে বিবাদ নাই।

কুণ্ডিল—তই তাক ইমানবোৰ গালি পাৰিছ কিয় ? তাৰ অপৰাধ কি ?

অভয়—মই তাৰ মুখ চাব নোখাজো দৌতা।

কুণ্ডিল—বোধকৰো মোৰো নোখোজ ? ইয়াৰো নোখোজ ? তাৰো নোখোজ ? নহয়নে ?

অভয়—স্পষ্ট কথা কোৱা মোৰ স্বভাৱ দৌতা। আমাৰ দিনত এতিয়া যি মানুহ দেখিছো তাতকৈ ভাল মানুহ দেখা পাইছো।

কুণ্ডিল—এই মানুহটোৰ স্পষ্টবাদিতাৰ বাবে প্ৰশংসা পাই পাই মথখন বাঢ়ি গৈছে। এনেকুৱা স্বভাৱৰ বহুত মানুহৰ কথা মই জানো— সিহঁতৰ সকলোকে বলতাপনি মেৰ-পাক থাকে।

অভয়—দৌতা! মই যথাৰ্থ আন্তৰিক সত্য কথা কৈছো। দৌতাৰ ভীষণ প্ৰতাপ—যাৰ প্ৰভাৱ দেদীপ্যমান দিনমণিৰ অগ্ৰভাগত চক্ৰাকাৰে

কুণ্ডিল—তোৰ এই প্ৰকাণ্ডীৰ কথাৰ অৰ্থ কি ?

অভয়—বহুত বৰ্ণনা কথা নকিছো। মোৰ কথা শুনি দৌতাৰ ভাল লগা নাই বুজিব পাৰিছো। কিন্তু মই তোষামোদকাৰী নহওঁ যে মিঠা মিঠা কথা কৈ আপোনাক সন্তোষ দিব পাৰিম। সেই কাম কৰিছে দগাবাজবোৰে। সেই বাবে মোক কাটি টুকুৰা টুকুৰা কৰিলেও মই তেনে অপ্ৰিয় কাম কৰিব নোৱাৰিম।

কুণ্ডিল—কৈ তাৰ কি অপৰাধ কৰিছ ?

ধন— একো অপৰাধ কৰা নাই প্ৰভু। তাৰ মালিক বুঢ়া ৰজাই অনাহকতে মাক প্ৰহাৰ কৰিছিল। হও চাকৰ লগত টেঁৱে কাটো হে মাক নানা ভাবে গালি-শপনি পাৰি তেওঁক ভালৰি

লগাইছিল। ৰজাই সুখ্যাতি কৰি তাক বটা-বাহন দিলে। মই নিজে নিজেই বাটি খালোঁ। আৰু এতিয়া সিয়েই মোক প্ৰথমতে তৰোৱাল উলিয়াই আক্ৰমণ কৰিছিল। বোধকৰোঁ তাৰ জীৱনত এয়ে প্ৰথম বাৰ তৰোৱালৰ লগত খেলা।

কুণ্ডল—আৰু নকলেও চলিব। মই সকলো কথা বুজি পালোঁ। প্ৰহৰী! শিকলি লৈ আহ। দুষ্ট বুঢ়াখুণ্ডলা! মই তোক সমুচিত শিক্ষা দিম।

অভয়—বয়স বহুত হৈছে দোঁতা! শিক্ষাৰ সময় পাৰ হৈ গৈছে। মোক পিন্ধাবলৈ শিকলি নানিলেও চলিব। মই ৰজাৰ দাস। ৰজাৰ কামতেই আপোনাৰ ওচৰলৈ আহিছোঁ। মোক শিকলি পিন্ধালে বুঢ়া ৰজাকহে অপমান কৰা হ'ব।

যমুনা—শিকলি লৈ আহ। এওঁৰ ভৰিত দুপৰলৈকে শিকলি দিয়া। নহ'লে মোৰ মান নৰয়।

অভয়—কিয় খাদে? মই তোমাৰ দেউতাৰাৰ কুকুৰ হোৱা হলেও ইয়াতকৈ ভাল ব্যৱহাৰ নকৰিলাহেঁতেন নে?

যমুনা—দেউতাৰ দুষ্ট লগুৱা বুলিয়েই তোৰ লগত এনে ব্যৱহাৰ কৰিছোঁ। [প্ৰহৰীয়ে শিকলি আনে।]

কুণ্ডল—আমাৰ বাইদেউ দৰৱীৰাণীয়ে যেনে বৰ্ণনা পঠাইছিল এই মানুহটো ঠিক তেনেকুৱা—হাড়ে-হাড়ে দুষ্ট। লৈ আহ শিকলি।

জয়পুৰীয়া—মহাৰাজ। মোৰ বিশেষ প্ৰাৰ্থনা—কেতিয়াও এনে কাম নকৰিব। সি এতিয়া বুঢ়া মহাৰাজৰ কটকী। কটকীক দণ্ড দিয়া অযুগুত। এই কথা শুনিলে বুঢ়া মহাৰাজে বৰ বিষম পাব।

কুণ্ডল—তুমি মনে মনে থাকা জয়পুৰীয়া ডাঙৰীয়া। প্ৰয়োজন হলে মোৰ কামৰ কৈফিয়ৎ মই দিব পাৰিম।

যমুনা—লগা ভৰিত শিকলি।

(প্ৰাচীবিলাকে অন্তঃপুৰীয়াৰ জৰিত লিকৰি পিন্ধাব।)

আহা প্ৰিয়তম! আমিও যাওঁ।

[অন্তঃপুৰীয়া আৰু অন্তঃপুৰীয়াৰ বাহিৰে সকলোৰে প্ৰস্থান।]

অন্তঃপুৰীয়া—বন্ধু! মই তোমাৰ কাৰণে বিশেষভাৱে চিন্তিত। কুণ্ডিলৰাজৰ ইচ্ছা আৰু আকোৰগুজালি স্বভাৱৰ কথা সকলোৱে জানে। মই তোমাৰ কাৰণে আৰু এবাৰ চেষ্টা কৰি চাম।

অন্তঃ—ভাওৰীয়া! একো প্ৰয়োজন নাই। মোৰ কাৰণে আপুনি মুনাই অনুৰোধ কৰিব নেলাগে। মই বহুত সময় জাগি আছো, ভালেখিনি বাট খোজকাঢ়ি আহিছো। এতিয়া অলপ সময় চকু দুটা ওপতাব খোজো। যিখিনি সময় বাকী থাকে মুহূৰি মাৰি কটাই দিম।

অন্তঃ—এই অপৰাধত কুণ্ডিলপতিৰ অনিষ্ট হব। ওপৰত ভগৱান আছে। [প্ৰস্থান।]

অন্তঃ— মহাৰাজ! তুমি কৰুণাৰ অৱতাৰ। তোমাৰ ভাগ্যতেই পুৰণি ফকৰাটো সপ্ৰমাণ হব। ধাৰত উঠিলে বাঘ, পানীত নামিলে ঘৰিয়াল। ওপৰে গো বধ, তলে ব্ৰহ্ম-বধ। হে পোহৰৰ দেৱতা! এবাৰ তুমি আবিৰ্ভাব হোৱা। মই তোমাৰ গাৰ বশ্মিত এই পত্ৰখন পঢ়ি লও। দুৰ্দিনতহে মানুহৰ ভাগ্যত অলৌকিক ঘটনা ঘটে। বুজিব পাৰিছো, এই চিঠি কুমাৰী সৰস্বৰ। সৌভাগ্যক্ৰমে তেওঁ মোৰ এই ছদ্ম বেশৰ পৰিচয় পাইছে। তেওঁ আমাৰ দুৰ্ভাগ্যৰ প্ৰতিকাৰ কৰিব খুজিছে। বেছ কথা, বৰ শান্তি পাইছো। আঃ চকু মুদ খাই আহিছে। ভাল হৈছে, এনেকুৱা কদৰ্য্য ব্যৱহাৰ চাব নালাগিব। ভাগ্যদেৱী! বিদায়। এবাৰ কেৱল তোমাৰ প্ৰসন্ন দৃষ্টিৰে চাই পঠোৱা। তোমাৰ হাতৰ চকাটো ঘূৰাই দিয়া আই! (শোৱে।)

তৃতীয় দৰ্শন

শ্মশান

[সুৰুলসিংহৰ প্ৰবেশ ।]

সুৰুল— শুনিছো, পলৰীয়া অপৰাধী বুলি মোৰ নামটো দশোদিশে ৰাষ্ট্ৰ কৰি দিছে। গছৰ খোৰোঙত সোমাই কোনোমতে এবাৰ ৰক্ষা পৰিলো। মোৰ কাৰণে সকলো বাট-ঘাট বন্ধ। এনেকুৱা এখন ঠাই নাই যত মোক ধৰিবলৈ চোৰাংচোৱা মেলা নাই। বেতিয়ালৈকে পলোৱাটো অসম্ভৱ তেতিয়ালৈ লুকাই থাকিব লাগিব। আত্মৰক্ষাৰ বাবে দৈন্যৰ অধম বেশ লব লাগিব। যি বেশ লৈ বনৰ পশুৱেও লাজ পায়, প্ৰয়োজন হলে তেনে বেশ লবলৈকো সংকোচ কৰিলে নচলিব। গাত ছাই-ভস্ম সানিম, আঁঠুৰ ওপৰলৈ এটুকুৰা ফটাকানি পিন্ধিম, চুলিত জটা বান্ধিম। বিজুলী-ঢেৰেকনিৰ অত্যাচাৰ, ধুমুহা ডবা-পিটা বৰষুণৰ প্ৰকোপ নহুত ভিক্ষুকে নীৰৱে সহ্য কৰা দেখিছো। বজ্ৰনিনাদত জ্ঞানহীন হৈ, নগ্ন বাহুত লোৰ গজাল, কাঠৰ শলা অথবা সাগৰফেনাৰ কাটা বিন্ধি লৈ চৰম দুঃসাহসিকতা প্ৰকাশ কৰাও বহুতক দেখা পাইছো। কেতিয়াবা পামত, কেতিয়াবা গুৱালৰ খুটিত, কেতিয়াবা গাঁৱত, কেতিয়াবা নগৰত মানুহৰ ঘৰলৈ গৈ সিহঁতে উন্মাদৰ দৰে অভিশাপ অভিসম্পাত দি, কোনো সময়ত আকৌ কাকুতি-মিনতি কৰি গৃহস্থক আশীৰ্বাদ দি ভিক্ষা সংগ্ৰহ কৰে। এতিয়াৰ পৰা মইো সেয়েই— ময়ো সেয়েই। আজিৰ পৰা আৰু মই সুৰুলসিংহ নহওঁ —সুৰুলসিংহৰ প্ৰেতাত্মা। [প্ৰস্থান।]

চতুৰ্থ দৰ্শন

জয়পুৰ—দুৰ্গৰ সন্মুখ

[লতাকুঞ্জৰ আঁৰত বন্দী অভয়পুৰীয়া। ৰজা প্ৰতাপ, বহুৱা আৰু এজন বিষয়াৰ প্ৰৱেশ।]

প্ৰতাপ—আচৰিত কথা মই অহাৰ আগে আগে সিহঁত ৰাজধানী এৰি কুৰিনলৈ গুলাই গল ?

বিষয়া—কালি নিশালৈকে হলে তেওঁলোক যোৱাৰ কোনো কথাই নাছিল। এই কথা মই সঠিকভাবে জানো।

অভয়—প্ৰণাম দৌতা। প্ৰণাম।

ৰজা—ই কি তামুলী-ফুকন যে। তুমি মোৰ লগত নিৰ্লজ্জ ধেমালি কৰিছা ?

বহুৱা—হাঃ হাঃ হাঃ। চোৱা চোৱা দদাই। আমাৰ হৰিভকতে ভৰিত পিন্ধিছে লোৰৰ খাৰু। মানুহে বোৱা বান্ধে মুখত লাকাম্বৰে ফিটা লগাই কুকুৰ-ভালুক বান্ধিব লাগিলে ডিঙিত জৰী লগায়, বান্দৰক বান্ধে ককালত দীঘল দৰং লগাই আৰু মানুহৰ ভৰিয়ে বেতিয়া নৰকৈ চটফট কৰে তাক পিন্ধায় আমাৰ এই ধৃষ্টাভকতৰ নিচিনাকৈ লোৰৰ খাৰু।

ৰজা—কোন নৰাধমে তোমাৰ এনে দুৰ্দশা কৰিলে ?

অভয়—দুই জনেই মিলি দৌতা। অৰ্থাৎ আপোনাৰ জীয়েক আৰু জোৱায়েক—দুয়ো জনে।

ৰজা—সিহঁত ইমান তললৈ নামিছেনে ? ইয়াতকৈ যে পৈশাচিক চণ্ডাৰুৰো গুণ শতগুণে ভাল

অভয়—দৌতা! মোৰ কথা বিশ্বাস কৰক। তেওঁলোকৰ আগত আঠু লৈ মৰ দোৱাই আপোনাৰ পত্ৰখন দাবি কৰিছিলো। অলপ পিছতে আন এখন পত্ৰ লৈ আপোনাৰ বৰ আইদেউৰ কটকীও উপস্থিত।

সেই পত্ৰ পঢ়ি আপোনাৰ জী-জোঁৱাইৰ মুখৰ আকৃতি সলনি হৈ গল। মোৰ কালে মুখ পোন্দোৱাই চালে। ভুৰন্তে ঘোৰা অনাই দুয়ো কাৰেঙৰ বাহিৰ ওলাল। মোক কেটেৰা-জেঙেৰা মাতেৰে অনুসৰণ কৰিবলৈ আদেশ দিলে। মোৰ বিবেচনাৰে দৌতা, শিজন কটকীৰ পত্ৰই তেওঁলোকৰ মনত আপোনাৰ বিৰুদ্ধে বিহ ঢালি দিলে। তাৰ ফলত আপোনাৰ জী-জোঁৱায়ে আচল ভবিষণ নাপাই এই বন্দী লাখুটিৰ ওপৰতেই তাৰ হোৰ তুলিছে।

বৰুৱা—আৰকালি এতিয়াও হোৱা নাই যদিহে বনৰীয়া হাঁহে তাক উৰাই নিনিয়ে। শুনিবা দদাই!—

বাপেকে যাৰ কম্বল লয় পুতেক-জীয়েক তাক কলা,
লৰা-ছোৱালীৰ লেবেলা সাদৰ, দেখিলে বাপৰ ধনৰ মোনা।
দুখীয়াক দেখি ভাগ্য-দেৱী দুৱাৰত দিয়ে দাং—
ধনীৰ মৰত তেল ঢালি ভৰাল কৰে সাং।

এই নামে নাম নহয় দদাই! আৰু নাম আছে—একেলগে সহস্ৰ নাম কুৰে পাছে পাছে।

ৰজা—কিহে যেন মোৰ বুকুখনত খুন্দা মাৰি ধৰিছে। মই এতিয়া জ্ঞান হেৰুৱাম নেকি? আকাশ আৰু পৃথিবী জুৰি কেৱল দুখৰ দীৰ্ঘনিশ্বাস। ক'ত মোৰ সেই জীয়াৰী?

অভয়—তেওঁলোক এতিয়া এই জয়পুৰ দুৰ্গতে আছে।

ৰজা—মই এবাৰ আহোচোন। তোমালোক ইয়াতে থাকা।

[প্ৰস্থান।]

বিষয়া—তুমি যেনেকৈ কলা তাতোকৈ বেছি একো অপৰাধ কৰা নাছিলাতো?

অভয়—ওহো আৰু একো দোষ কৰা নাছিলো। পিছে মহাৰাজেওলগত ইমান কম মানুহ আনিলে কিয়?

বহুৱা—এনেকৈ টৈপটৈপাই থাক দেখিয়েই তোৰ তাৰিত দোৰ্ষ থাক গিয়াছিল। তোৰ দেখুৰ শিক্ষিবলৈ ঠিক উপযুক্ত মানুহেই তই।

অভয়—কিয় তই এনে কথা কৈছ বহুৱা ?

বহুৱা—তোক মই পণ্ডিতৰ পঢ়াশালিত নাম লেখি দিম। তেতিয়া হলে শিকিবি আৰকালি কাম কৰিবলৈ কিমান কষ্ট। যাৰ চকু আছে সি নাকেৰে গোন্ধ পালেও চকুৰে চাইহে বাট বুলে। কনাৰ চকুহে মাথোন কামত নালাগে। একুৰি জনৰ ভিতৰত এজনকো এনে নাক নাই যি নাকৰ সহায়ত দুখ-দুৰ্ভাগ্যৰ দুৰ্গন্ধৰ উমান ধৰিব পাৰে। কোনো পণ্ডিতে যদি তোক ইয়াতকৈ ভাল উপদেশ দিব পাৰে তেন্তে তই মোক এই শিক্ষা ওলোটাই দিবি। মোৰ শিক্ষা গ্ৰহণ কৰিবলৈ অথবা দীক্ষা-মন্ত্ৰ লবলৈ ধুৰন্ধৰসকলহে উপযুক্ত। কিয়নো এই শিক্ষাৰ আবিষ্কাৰক স্বয়ং শ্ৰীযুক্ত ভজহৰি বহুৱা।

সম্পদত বন্ধু পায় হাজাৰ-বিজাৰ
ভালুক দেখি গছত উঠি কৰে উপকাৰ।
আহিলে দুৰ্দ্দিন, ধুমুহা-বতাহ ধৰমুণ
পলাই সবে পত্ৰং দিয়ে—লোণ খোৱাৰ গুণ।
মোৰ দৰে মূৰ্খ বহুৱা থাকে সুখে-দুখে
ভজহৰি ভণে সভাসদে শুনে ৰাম বোলা মুখে।

[প্ৰতাপ আৰু জয়পুৰীয়াৰ প্ৰবেশ।]

ৰজা—তাই মোক ওলাই একেবাৰে মাত দিব নোৱাৰিলে। গা অসুখ—ক্লান্ত! ওবে ৰাতি বহু বাট আহিছে। ভাগৰ পলোৱা নাই। ই নিশ্চয় প্ৰবঞ্চনা—বিদ্ৰোহ। গৃহত্যাগ ষড়যন্ত্ৰ মাথোন। প্ৰথম—হব নোৱাৰে। উত্তৰ আনা। উত্তৰ—থোক ভাল উত্তৰ লাগে।

জয়—মহাৰাজ! দৃষ্টিজলপতিৰ উত্তৰত কতাহৰ কথা আপোনাৰ অবিদিত

নহয়। নিজৰ অভিপ্ৰায় সিদ্ধিৰ কাৰণে তেওঁৰ মনৰ দৃঢ়তা কিমান সেই কথাও আপুনি জানে।

ৰজা—প্ৰতিশোধ। মৃত্যু—মহামাৰী—বিপৰ্য্যয়—ইয়াৰ তুলনাত একো নহয়। জয়পুৰীয়া। জয়পুৰীয়া-ডাণ্ডৰীয়া। কুণ্ডিলপতি আৰু তাৰ তিৰোতাৰ লগত মই কথা হব খোজো। সাক্ষাতৰ অনুমতি পাবনে?

জয়—সেই কথা মই তেওঁবিলাকক জনাইছো মহাৰাজ।

ৰজা—জনাইছা? মোৰ কথা তুমি বুজি পাইছানে?

জয়—পাইছো মহাৰাজ।

ৰজা— ৰজা—ৰজা মই ৰাজ্য-ৰাজহাৰে
ৰাজাধিৰাজ ৰজা মই কামৰূপপতি।
বিচাৰিছে বাক্যালাপ কৰিব ৰজাই,
জন্মদাতা ৰাজ্যদাতা পিতৃয়ে বিচাৰে
কথা পাতিবৰ বাবে কন্যাৰ দৰ্শন।
নোহে করুণ মিনতি ৰজাৰ আদেশ।
নিশ্বাস-শোণিত দুয়ো কয় একে কথাকেই
উদ্ধত উদ্ধত সেই কুণ্ডিল-নৃপতি?
কোৱাগৈ ওখ মত্ত গৰ্বিত ৰজাক
নহয়- নহয় বোলা নাক আৰু এবাৰতো
সচাকৈয়ে হব পাৰে অসুস্থ শৰীৰ।
ভাল কথা ধৈৰ্য্য মই ধৰিলো প্ৰতিজ্ঞা।
অধীৰ হৈছে হিয়া সেইবাবে মাথা
অনৰ্থক কটুকথা বুলিলো বহুতো।
যাক ৰাজ্য ৰসাতললই।
দুজনকে মোৰ এই অমোঘ আদেশ

মোৰ দাস, সিহঁতৰ নাই অধিকাৰ।
কোৱাগই মুক্ত কৰি দিয়ক দাসক
বলো মই নটচাই উত্তৰ পাবে।
[illegible]দিয়ে যদি হ তাৰ একো [illegible]মিধান
তুৰন্তে দিবহি দপা আহি কাষলই।
নহলে—নহলে সহ সিংহ-বিক্ৰমেৰে
এই তৰ জয়পুৰ দুৰ্গ দুৱাৰত
পলয়ৰ দমঘণ্ট নজাই টদাৰে
নিদাৰ কোলাতে মৃত্যু ঘটিব সবাৰ।
জয়—[illegible] শান্তি মাৰ [illegible] কাম[illegible]
[illegible] পাণিম [illegible]দেশ প্ৰস্থান।]
[illegible]
[illegible] হৃদয়। [illegible]
[illegible] চঞ্চল [illegible] আকুল শৰীৰ।
[illegible]—কান্দি পলোৱ [illegible] কান্দি পলোৱ বাঙ্কনীৰ হাতত
উঠি [illegible] কাৰেজনী [illegible] কৰ [illegible] মুৰত
[illegible]
[illegible]
[illegible]

[[illegible] জয়পুৰীয়া [illegible] আদিৰ প্ৰৱেশ।]
[illegible]
[illegible]
[[illegible] অ[illegible]জয়পুৰীয়[illegible] শিকলি খুলি দিয়ে।]
[illegible] কৰি [illegible] আ[illegible]
পত্তাপ কুণ্ডলৰ [illegible] সুন্দৰী।
মনে কয় সঁচাকৈয়ে হৰষিত তই

হিয়াত আনন্দ এনে নহলে উদয়
সমাধিশায়িনী তোৰ জননীক যই
কৰিলোহেতেন ত্যাগ অসতী আখ্যাৰে।
অভয়ক মুক্ত তুমি এবে
পিছত ইয়াৰ যই কৰিম বিধান।
শুন কথা প্ৰিয় কণ্যা যমুনা প্ৰধান।
অতি চেনেহৰ তোৰ বৰ বাইদেৱে
বহুৱালে তীক্ষ্ণ দাত গৃধিণীৰ দৰে
এই মোৰ তপ্ত শুষ্ক তাপিত বক্ষত।
কি কম আৰু? কিমান নীচ প্ৰকৃতি তাইৰ
বৰ্ণনাৰে নোৱাৰিম কৰাব বিশ্বাস।
যমুনা! যমুনা! মাতৃ-আইদেউ মোৰ!
যমুনা—দেউতা! বুজা নাই এতিয়াও তুমি
কিম্বা বুজিবৰ বাবে কৰা নাই চেষ্টা
কেনেকুৱা গুণৱতী বাইদেউ মোৰ
এনুৱা কৰ্ত্তব্য-নিষ্ঠা আৰু কাৰো নাই
ৰাজভক্তি অন্তৰৰ—সিও নোহে কম।
ৰজা—(উত্তেজিত হৈ) কি কেছ? কি কেছ যমুনা তই?
যমুনা—ভগ্নীয়ে পিতৃক মোৰ নকৰে সন্মান
এনে কথা কেতিয়াও নকৰো বিশ্বাস।
হব পাৰে নিতান্তই নিৰুপায় হই
হব পাৰে ৰাজকাৰ্য্য সাধনৰ বাবে
হব পাৰে চিন্তা কৰি দেশৰ কল্যাণ
ৰাখিছে কাৰ্য্যৰ গতি তোমাৰ নগৰত
অসংযমী সুৰামত্ত বিষয়াসবৰ।

সেইবাবে বাইদেউৰ আই অপৰাধ।
ৰঙ্গী—কৃষিক ভাইৰ ৰাজ্যৰ কল্যাণ-চিন্তা !
যমুনা—বৃদ্ধ তুমি, জৰাব্যাধিগ্ৰস্ত আজি
মন আৰু শৰীৰ তোমাৰ
প্ৰকৃতি তোমাৰ নোহে প্ৰকৃতি-অধীন।
সেইদেখি ভগিনীৰ সকলো কথাতে
বশ মানি চলা আজি উচিত তোমাৰ।
কইছোঁ মিনতি কৰি অনুৰোধ মোৰ
যোৱা হে দেউতা ! পুনৰ্ব্বাৰ ঘূৰি যোৱা তুমি
ভগ্নীৰ কাষত গই নিজ ত্ৰুটি কৰিবা স্বীকাৰ।
ৰজা—শুনা, শুনা হেৰা দুহিতাসকল।
কন্যাৰ ভৰিত ধৰি অতি সকাতৰে
পিতাই দোষৰ বাবে মাগিব মাৰ্জ্জনা
ভাবি চাবি যমুনা।
ৰজা মই—জন্মদাতা জনক মই
এহ বেশ দেখুৱাব ভাল।
এতদিনে আঠু লই কম কন্যাৰে—
হে মৰমৰ জীয়াৰী মোৰ।
জৰা আৰু বাৰ্দ্ধক্য ভাৰত
জ্ঞানহীন—অকৰ্ম্মণ্য—অপদাৰ্থ মই। (আঠু লয়)
নতজানু হই আজি ভিক্ষা মাগো তোক—
অন্ন দে বস্ত্ৰ দে
মন জুৰাবৰ ঠাই দে মোক।
যমুনা—বন্ধ কৰা বন্ধ কৰ দেউতা।
নোখোজো শুনিব মই ইবোৰ বচন।

সুচতুৰ ষচলাৰ কৌশলত এনে
কোন্নাচোন্ সচাকৈয়ে হব ক্ষিন্নো শান্ত ?
এই বেশ কদাপিতো নোলোভে তোমাৰ
যোৱা পুত্ৰ ভগিনীৰ ধৰলই ঘূৰি ।
ৰজা—নাযাওঁ, নাযাওঁ, (উঠি) নাযাওঁ যমুনা ।
বিষয়াসকল মোৰ কৰিছে লাঞ্ছনা
কুটিল দৃষ্টিৰে মোক কৰিছে গঞ্জনা ।
বাক্যৰে ঢালিছে তাই হলাহল বিষ ।
শাপৰ নিচিনা মোক ব্ৰহ্ম-তালু চাই
পিশাচিনী জাহ্নবীয়ে কৰিছে দংশন
একমাত্ৰ আছে আজি প্ৰতিকাৰ তাৰ
স্বৰগত সযত্নে সঞ্চিত—দেৱতাৰ হিংসা
নামি আহক প্ৰলয়ৰ বজ্ৰপাত হৈ
চুৰমাৰ হক কেই অকৃতজ্ঞ শিৰ ।
কুণ্ডল—ছি ছি মহাৰাজ । অতি অশোভন কথা
শুনিয়েই লাগে লাজ ।
প্ৰতাপ—হে তীব্ৰ বিদ্যুৎ-ৰশ্মি । দৃষ্টিনাশিনী তুমি
অগ্নিশিখা হানা তাইৰ কুটিল চকুত ।
চূৰ্ণ কৰি দিয়া তাইৰ দেহৰ লাৱণ্য
সৌন্দৰ্য্য বিনাশ কৰা পাপিনী কন্যাৰ ।
ৰাহু কেতু শনি মঙ্গল সকলোৱে মিলি
গৰ্ব্ব তাইৰ খৰ্ব্ব কৰা, নাশ কৰা গৰ্ব্ব ।
যমুনা—দোহাই দেৱতাসকল ! ৰক্ষা কৰা ।
মোকো দিব এনে অভিশাপ
অপৰাধ ক্ষমিব প্ৰীতিয়া ।

ৰজা—নাই, নাই—নহয় যমুনা।
নিদিওঁ—নিদিওঁ তোক এনে অভিশাপ।
কোমল অন্তৰ তোৰ দয়াৱতী তই
ক্ৰূৰ তই নহয় কদাপি।
চকুত তাইৰ ৰক্ত—তীব্ৰ দাহ তাত,
শান্তিভৰা স্নেহভৰা তোৰ চকু দুটি
তৃপ্তি পাওঁ, তৃপ্তি পাওঁ, নাই তাত দাহ।
বৃদ্ধ এই জনকৰ সেৱা-শুশ্ৰূষাত
তইতো নকৰ আই, হেলে কৃপণালি।
প্ৰিয় মোৰ অনুচৰ বিষয়াবৰ্গক
তইতো বাক্যৰ বাণ মাৰান সিদনে।
জন্মদাতা জনকক বাহিৰত থই
তইতো নকৰ বন্ধ ঘৰৰ দুৱাৰ।
জানিছো হৃদয় তোৰ কৃতজ্ঞতা ভৰা,
পিতৃ-আশীৰ্ব্বাদ সহ দিছো অৰ্দ্ধ-ৰাজ্য
কদাপিতো সেই কথা নেপাহৰ তই।
যমু—কোৱা দেউতা! কি কথা খুজিছা তুমি
কোৱা সোণকালে। (নেপথ্যত, ভেৰী বাজে।)
ৰজা—মোৰ এই ভৃত্যৰ ভৰিত
কোনে দিলে শিকলি—মই জানিব খোজো।
কুণ্ডিল—সেয়া কাৰ ভেৰী বাজে?
যমু—বাইদেউ আহিছে নিশ্চয়। [বনজয়ৰ প্ৰৱেশ।]
আহিছেনে প্ৰভুপত্নী তোৰ?
প্ৰজা—হীন দাস! ঘৃণিত দাসত্ব সেৱা-ব্ৰত যাৰ
দূৰ হ আগৰ পৰা।

কুণ্ডিল—কিয়া কলে মহাৰাজে ?

ৰজা—মোৰ ভৃত্যৰ ভৰিত কোনে শিকলি দিলে ? যমুনা ! আশাকৰোঁ তই
এই বিষয়ে একো নেজান আই ? কোন আছে ? [আহুকীৰ প্ৰবেশ ।]

ৰজা—স্বৰ্গৰ দেৱতাবৃন্দ ।

কৃপা কৰা—দয়া কৰা অধম বৃদ্ধক ।

বাৰ্দ্ধক্যৰ বাবে মোক মৰম দৰ্শাই

খেদি দিয়া দূৰ কৰি এই পিশাচীক ।

(আহুকীক) এই মোৰ পকা চুলি দেখি

নালাগনে লাজ তোৰ—তোপাজে ককণা ?

এই মোৰ কন্যাৰ হাতত ধৰি

নৈছেনে উচিত তোৰ সম্ভাষণ কৰা ?

আহু—দোষ মোৰ কি ? সম্ভাষণ নকৰিম কিয় ?

জ্ঞান-বিবেকহীন বৃদ্ধ তুমি

হব পাৰে দোষ, তোমাৰ চকুত ।

ৰজা—এতিয়াও হিয়া মোৰ ভাগি যোৱা নাই

ইমানেই কঠিন হৃদয় ।

কিন্তু—ভৃত্যক মোৰ শিকলি দিলে কোনে ?

কুণ্ডিল—মই—মই মহাৰাজ ।

ময়ে তাক সেই দণ্ড কৰিছো প্ৰদান ।

দুৰ্জ্জন—অসংযমী –

আৰু তাক বেছি শাস্তি লাগিছিল দিব ।

ৰজা—তুমি ? তুমি ? তুমি তাক দিছা দণ্ড-দান ?

যমুনা—শুনা দেউতা ! জীৰ্ণ তুমি বাৰ্দ্ধক্য হেতুত

সেই কাৰণেহে মাথোঁ অন্যায়তে অতি

বিচাৰক দোষ দিছা অবিচাৰ বুলি ।

অৰ্দ্ধসংখ্যা অনুচৰ থিয়াই সতে
যোৱা যুৰি আনন্দেৰে ভগিনী-গৃহত।
এমাহ কটাই তাত পৰম সুখেৰে
পুনৰ আহিবা তুমি মোৰ কাষলৈ।
ৰজা—লগৰী পঞ্চাচ জন খেদি দূৰলৈ
কৰিম প্ৰবেশ পুনু ৰাক্ষসী-আলয়?
নহয়, নহয়, তেনে কথা নহব কদাপি
সকলো আশ্ৰয়-স্থান কৰি বিসৰ্জ্জন
মুকলি প্ৰান্তৰ-ভূমি কৰিম গ্ৰহণ।
দিম বণ আৰু-ছিম পল্লৱৰ সতে
শিয়াল-ফেঁচাৰে তাত কৰিম বন্ধুত্ব।
তথাপি নাযাও সেই পাপপুৰীলৈ।
কিম্বা—যাম গুচি বহু দূৰলৈ
উন্মত্ত শোণিত সেই কমতানৃপতি
যিজনৰ অন্নলক্ষ্মী ৰাজলক্ষ্মী মোৰ
যৌতুকবিহীনা সেই সুন্দৰী তনয়া:
সিজনাৰ সুপবিত্ৰ সিংহাসনতলে
দাসসম সবিনয়ে নতজানু হই
এমুঠি পেটৰ ভাত লম ভিক্ষা কৰি
তাৰেই ৰাখিম প্ৰাণ।
গিও ভাল। সিও ভাল। তথাপি নাযাও
পুনৰবাৰ ৰাক্ষসীৰ কক্ষা বিচাৰি।
আত্ম—যেনে ইচ্ছা কৰা তেনে কাম।
ৰজা—শুন, শুন, মিনতি—প্ৰাৰ্থনা মোৰ
আৰু মোক নজলাবি—নকৰিবি দুৰ্ঘোৰ উন্মাদ।

মোৰ পৰা আৰু তুই নাপাৱ ক্ষমাই
আৰু মোৰ নাপাবি সাক্ষাৎ।
যাওঁ, যাওঁ, গুচি যাও দূৰ হই মই
দেখা আৰু নহব ক্ষমাই।
তথাপি—তথাপি মোৰ তেজ-মঙহেৰে গঢ়া
তথাপি যে মোৰ কন্যা তই।
নতুবা আদৰ মোৰ দুষ্ট-ব্যাধি তই
বিষাক্ত তেজত জন্ম মৃত্যু মহামাৰী
দুষ্ট ক্ষত যাৰগাৰ নাৰেঙা ভীষণ।
নাই, নাই. আৰু তোক নকৰো গঞ্জনা
নিজে নিজে লজ্জা পাবি—আচৰি ধিক্কাৰ।
বজ্ৰ—বজ্ৰ কত? নাই—নেমাতো বজ্ৰক
নেলাগে আহিব নামি বজ্ৰ আকাশৰ।
দয়াময় ভগৱান ন্যায়-অৱতাৰ
তোৰ কথা সিজনাক নজনাওঁ মই।
পাৰ যদি এতিয়াও ভাল হ তই
শিক্ষা কৰ শিষ্টাচাৰ ভদ্ৰ ব্যৱহাৰ।
ললো মই এতিয়াও ধৈৰ্য্যৰ আশ্ৰয়
যমুনা—যমুনা-গৃহত গই কৰিম বসতি।

যমুনা—বিষয়াসকলো সেই থাকিব লগত?
অসম্ভৱ তেনে কথা—ই যে অসময়
যোগ্য অভ্যৰ্থনাৰ কাৰণে তোমাৰ
নোহো মই অলপো প্ৰস্তুত।
বাইদেউৰ কথা শুনা
বুজে তেওঁ ভালদৰে কৰ্ত্তব্য নিজৰ।

ৰত্না—একি ! এনুৱা বচন তোমা বদনে উচিত ?
যমুনা—কব পাৰো দৃঢ়ভাৱে উচিত বচন।
অনুচৰ পচিশ জনে নাটেনে তোমাক ?
তাতকই বেছি বাৰ কিয় প্ৰয়োজন ?
ইযানখিনি বা কিয় লাগিছে মানুহ ?
বিপদ বঢ়াব তাৰ—বৃদ্ধি পায় সংখ্যাৰ লগত
জাহ্নু—তোমাৰ দেউতা ! তোমাৰ কিয় ভনীটীৰ মোৰ
বঙবোৰ দাস-দাসী লগুৱা-লিগিৰী
নোৱাৰে— সিবোৰেই সেৱিব তোমাক ?
কিয় লাগে অতিৰিক্ত আন অনুচৰ ?
যমুনা— সিহঁতে কামত যদি কৰে হেমেজালি
আমিয়েই ভালদৰে কৰিম শাসন।
থাকিব খুজিছ যদি মোৰ কক্ষেতে
অনিব পচিশ জন অনুচৰ মাথোঁ।
এজনেও বেছি তাৰ
জানিবা নপাব স্থান কইছে নিশ্চিত
ৰত্না—কৰিছিলো স্থিৰ মই—
এশজন অনুচৰ লই
পাল পাতি ডুঙ্গীৰে যাত্ৰ
মহাসুখে কৰিম বসতি।
কেৱল পচিশ জন অনুচৰ লই
যমুনা ! কিয় বাৰু তোৰ মনত
কিনো দৰে কলি এনে কথা ?
যমুনা—কওঁ মই আৰু বাৰ শুনা ভালদৰে
অধিক লগত নিলে নিমিলিব স্থান।

যতা—আনন্দী পাপিয়সী এবে
তোতর্কাব শ্রেষ্ঠ যদি হন অনুমান।
পাপের চরম সীমা পোঁছা নাই তুমি
সেইখানে তারো হন প্রশংসা-ভাগিনী।
শুন জাহ্নবী! কত তোর মই
পচিশের দুগুণ পঞ্চাশ
সেইদেখি স্নেহ তোর উদার দুগুণ।
জাহ্নু—শুনা দেউতা!
পঞ্চাশ পচিশ কিবা দশ পাঁচ জন
কোনো অঙ্কের শুধু নাই প্রয়োজন।
তাতকই দুই তিনি শুধু
দিনে-রাতি তোমারেই পালিব আদেশ।
যমুনা এখনো কাম দেহ দেখা নাই তাত।
বজ্র—বুদ্ধিরে লাগায় খুজা নিজ প্রয়োজন।
অসম ভিখারী জন ভাবে তুচ্ছ বুদ্ধি
'কন্ত সিধু সুপ্রভুল বুদ্ধিরে জুখিলে।
অভাব মোচন হলে স্বভাবের বাক
মানব জীবন হব পশুর নিচিনা।
নারী তই—উদ্দেশ্য কেবল যদি আর শুচোরাই
তেনেহলে কিয় লাগে বাক
ঝকমক করি চন্দ্র-চাঁত-মরা
তবহে তবহে নানা বস্ত্র আভরণ?
আজি মোর ভার্যা প্রয়োজন--
ধৈর্য্য দিয়া, ধৈর্য্য দিয়া জগত ঈশ্বর!
ধৈর্য্যর কারণে মই জনাও প্রার্থনা।

তোমরা প্রভু! নিশ্চল নির্বাক মরী
দরিদ্র ভূমির নিঃস্ব—সংসারের অকিঞ্চন প্রাণী!
অজ্ঞাত উপেক্ষিত মই
দুখ-তাপ-দারিদ্র্যাহত জর্জরিত তনু।

ধরিত্রীর বিমুখ মোর করা স্তন্যপান!
উদ্ধত বিদ্রোহী কন্যা তোমাদেরই দান
জেনেছলে কেন
মোর ঘরে দানবীর নরকের পিশাচ।
মহৎ ভীষণ ক্রোধ! আর বক্ষলাই।
নারীর সকল শুই শুধু আক্রমণ!
পুরুষ মই—বীরশ্রেষ্ঠ নয়
নাকিবি মুখস্ত মোর কপালের লেখা।

নরক—নরক, কন্যা মোর নরক উদ্ভূত,
দুষ্ট ফণী পিশাচিনী বিকটা ডাকিনী।
সুযোগো ভগবত নয় মই প্রতিশোধ
হব ভূমিকম্প—কাঁপিব ত্রিভুবন।
কিবা হবে? নাড়ালো সঠিক।
কিন্তু দেখি তার রুদ্র মূর্তি
ভয়েতেই থরথরি কাঁপিব পৃথিবী।

ভাবিছ চঞ্চলা মই করিব ক্রন্দন?
নাই, নাই আর মই নারাকে চুমাই।
চঞ্চলার হেতু আছে আর ভালোবাসা
অন্যথা বিদীর্ণ হব এই চিত্ত মোর
নতুবা চুঁইব পানী বর ধারাসারে।

হায় মোর জীবনের নন্দিনীকানন!

বন্দী, হব পরের চিন্তায় উন্মাদ।

[প্রতাপ, জয়পুরীয়া, অভয়পুরীয়া আর কয়জন প্রস্থান।]

কুন্তিল—যাও যাও, আসিছে সুমুখ। (উভয়ের সুমুখে কোলাহল।

যমুনা—কেন ইহা ভাবে

অন্তরে সব দুঃখ থাকিবে কিসের ?

জাহ্নু—নিজে শান্তি আনিছে বিপদ।

বিবাদ বর্জন করি সর্ব প্রধানই

পারি তার সমুচিত মন।

যমুনা—আপনাকে নিমন্ত্রণ করিছে পিতৃক

কিন্তু নাশায় কদাপি নাই

অন্তরে গুঞ্জন চলেও।

জাহ্নু—জেনেশুনা মোরে অভিপ্রায়

[জয়পুরীয়ার পুনঃ প্রবেশ।]

জয়—মহারাজ কই অভিপ্রায়

দূরে-লোকে অর্জিত কেউ।

কুন্তিল—কোনখানে করিছে গমন ?

জয়—যেথা সংবাদ কেউ করিতে আদেশ

সেখানে চলে যায়।

কুন্তিল—যদি ইচ্ছা করুক গমন

স্বেচ্ছাচারী কার্য কেহ করিছে নিষেধ !

জাহ্নু—ওতোতাই সেথাগে আসিব

মজাপালি পার আনন্দে।

জয়—দেখি সেই বৃদ্ধ হায় পারো এর দুখ

আজ্ঞিছে দশোমিশ নিবাস একাধ

প্রান্তর দুর্জ্জয় বায়ু বহিছে সঘনে
নয়নর দৃষ্টি যায় যত দূরলই
বিস্তীর্ণ প্রান্তরভূমি মাঝে দেখা যায়
তৃণবো আশ্রয়-স্থান নগরে চকুত ।

যমুনা—রুদ্ধ করি রাখিবা দুয়ার
কদাপি বৃদ্ধর জাত
প্রবেশর নাই অধিকার ।

কুণ্ডিল—দুয়ার বন্ধ কর্‌মা ডাণ্ডরীয়া !
আহির লাগিছে সেয়া তাণ্ডব ধুমুছা
প্রকৃতির ভীষণ দুর্য্যোগ ।

যমু—বলা, আমি ভিতরলৈ যাওঁ ।

[সকলোরে প্রস্থান । বৈরাগীর প্রবেশ ।

—ঃ গীত ঃ—

বর—পশ্চিম কালে ক'লামলা. বরণ করে ঘোর,—
চকা-চকি মেঘে ঢাকি গাজে গুর্‌-গুর্‌ ।
পাচোয়ারে কের পাতি টৌরে কোথায় পাখি ছাটি,
টলংভচ, নাওখান চম্ভালিব তোর
ম' গুবিয়াল ! ও বলিছোন তাপকৈ বধা পোর
কেউপিনে ভয়াল লাগে পারর পথিক বিদায় মাগে
উন্মোলমোহোলাল কাল-সন্ধিয়াচ ধরে বিকট রূপ
লক্ষ বেপদ বেঁচি ধরে তই গুবিয়াল অকলশরে—
অকলে যুদ্ধ কিরিকি তই, নকরি বিমূঢ় । [প্রস্থান ।]

—ঃ ঐক্যতান ঃ—

—— × ——

তৃতীয় অঙ্ক

প্ৰথম দৰ্শন

প্ৰান্তৰ

—ঃ ধুমুহাৰ হো-হোৱনি, বিজুলী আৰু বজ্ৰপাত ঃ—

[অভয়পুৰীয়া আৰু এজন বিষয়াৰ প্ৰৱেশ । পৰস্পৰে সাক্ষাত ।]

অভয়—দুৰ্যোগত কোন আৰু সঙ্গী হব পাৰে ?

বিষয়া—যাৰ মন ধুমুহাৰ দৰে অস্থিৰ ।

অভয়—জাঙৰীয়াক 'চকে' চিনা যেন লাগিছে । বাৰু, আমাৰ মহাৰাজ প্ৰতাপসিংহ কত আছে আপুনি কব পাৰেনে ?

বিষয়া—মহাৰাজে এতিয়া শিল-বৰষুণ ধুমুহাৰ লগত ৰণ দিব লাগিছে । ধুমুহাক আদেশ দিছে—পৃথিৱীখন উৰাই নি সাগৰৰ পানীত পেলাই দিবলৈ আৰু পানীক আদেশ দিছে গোটেইখন পৃথিৱীকে ডুবাই পেলাবলৈ তেওঁৰ ইচ্ছা—মহাপ্ৰলয়ত সমগ্ৰ সৃষ্টি ধ্বংস হৈ যাওক, নহলে বানপানী জলপ্লাৱনে গোটেইখন তলওপৰ কৰি পেলাওক । মূৰৰ পকা চুলি টানি-আজুৰি ছিঙি পেলাইছে, সেই চুলিও যেন অনিন্দুল ক্ৰোধত বতাহত উৰি ফুৰিছে যেন সেইবোৰ অতি ক্ৰুদ্ধ অজাগতিয়াল । তেওঁ নিজৰ শৰীৰটোক ভাবিছে সৰু জগত দৰে—তেনে ভাবিয়েই ধুমুহা-বৰষুণক যুদ্ধ-আহ্বান কৰিছে । আজিৰ এই দুৰ্যোগৰ ৰাতি দবৰ ভালুকেও গাতত আশ্ৰয় লৈছে । ক্ষুধাতুৰ সিংহ বাঘেও নিজ গহ্বৰত থৰ থৰাই জীৱন ৰক্ষা কৰিছে । কিন্তু মহাৰাজে অকলে এনে দুৰ্যোগকো পেংলাহ কৰি উদং মূৰেৰে ঘূৰি ফুৰিছে—জীৱনত তেওঁৰ অমৰৰ বিতৃষ্ণা জন্মিছে সেইকাৰণে ।

অভয়—সেইজন দৰকাৰ আছে কোন ?

বিধৱা—কেৱল সই বৰ্ষাজল। হাঁহি-কেমাগি বং-ধৰইচেবে মি: স্তেওঁয় মনৰ কষ্ট পাস্তলাবলৈ চেষ্টা কৰিছে।

অভয়—ডাঙৰীয়া! আপুনি মোৰ চিনাকি। মুখ দেখিয়েই আপোনাক বিশ্বাস কৰিবলৈ মন গৈছে। সেইকাৰণে অনুগ্ৰহে আপোনাক এটা কথা শুনাব খোজো। দফাদাৰৰ আৰু কুকিলপাৰ ছুয়োজনৰ মাজত মনোমালিন্য ঘটিছে। কিন্তু শাসিকত সেইকথা সপুলি শুনাতো কোনো নাই। তেওঁলোকৰ অনুচৰ জনদিয়েক কমতাৰ চোৰাংচোৱা। সিহঁত সকলো খবৰ ৰাখিছে। যিমান দূৰ বুজা গৈছে—দুজনৰ এই মনান্তৰৰ কাৰণ হৈছে সদায় বুঢ়া বজাৰ ওপৰত নিষ্ঠুৰ ব্যৱহাৰ। নতুবা আন কোনো ভিতৰুৱা কাৰণো থাকিব পাৰে। সি যি নহওক এই কথা ঠিক যে এনে ভেদাভেদৰ সুযোগ লৈ কমতাৰ সেনা এই দেশত সোমাব। এনে অসাৱধানতাৰ কাৰণেই সিঁহতে আমাৰ সীমান্তত থকা দৃঢ় সংৰক্ষিত কোঠত খোপনি লৈছে। সোন কালেই কামৰূপত কমতাৰ নিচান উৰিব। মোৰ কথা যদি আপুনি বিশ্বাস কৰে তেন্তে মহাৰাজৰ ওচৰলৈ যাওক। সেই চিঠি এনে একবাৰ্ত্তিক দল পাব—হয় আগতে আপুনি মহাৰাজৰ দুৱাৰদাৰ পাস্তুম দিব পাৰিলে যথেষ্ট আনন্দ-লাভ পাব। মোৰ উক্ত কথাত সন্দ—বুজিছে ডাঙৰীয়া, সেইদেখি অলপ ভিতৰুৱা কথা জানো বুলিয়েই আপোনাক এই গুপ্ত কাৰণ ভাৰ দিলো।

বিধৱা—মই অতি আনন্দমনেৰে এই ভাৰ গ্ৰহণ কৰিলো। বুঢ়া-বজাৰ উপকাৰৰ অৰ্থে যি কোনো কাম কৰিবলৈকে মই সাজু আছো। আৰু কিবা কৰণীয় আছে যদি কওক ডাঙৰীয়া!

অভয়—নাই ভাওৰীয়া! আৰু আন কথা কবলৈ নাই। মোৰ শাহিবত যেনে চেহেৰাৰ দেখিছে তাতকৈও বেছি বিশ্বাসযোগ্য বুলি ভাবিব। সেওক এইটো বনৰ টোপোলা। বুলি চাই বিষাদ গায় গ্ৰহণ কৰক। যদি তাত ৰাজকুমাৰী সৰবুলেউীৰ সমস্ত আপোনাৰ দেখা হয়—দেখাতো হবই সেইবিষয়ে সন্দেহ নাই—তেতিয়া এই আঙঠিটো তেওঁক দেখাব। তেওঁ আপোনাৰ এই বিষয়ে সুধিব। যদিও আপুনি মোক চিনিব পৰা নাই—সময়, সময়, সেই কথা বাবলৈ দিয়ক। মুঠতে ৰজাহ সৰ্বনাশ নিপাত হওক। মই মহাৰাজাৰ বিচাৰি যাওঁ।

বিজয়া—তেন্তে এতিয়া বিদায়হে ভাওৰীয়া! কবলৈ আৰু একো নাইতো?

অভয়—আৰু এটা কথা বাকী ভাওৰীয়া! একেবাৰে মই স্বীকাৰ কৰি আপুনি এই বাটেৰে যাওক। মই সেই বাটেৰে যাওঁ। যেয়ে মহাৰাজক আগতে দেখা পায়—তেওঁ যদি আনজনক সেই খবৰ জনাব। ভাল ভাওৰীয়া! যাওক। নমস্কাৰ।

বিজয়া—নমস্কাৰ। [দুয়োৰো দুফালে প্ৰস্থান।]

দ্বিতীয় দৰ্শন

পাহাৰৰ আন একাংশ

—খুমুলা চলি আছে।—

[এজা আৰু শহুৰাৰ প্ৰৱেশ।]

এজা—বোৱা, বোৱা, মহাবেগে তীৰ প্ৰেতজন!
কন্দ্ৰ-ৰোষে বাহু ভাঙি কৰা আকাৰীৰ।

তুমি এই জগতৰ নিৰ্ঝৰ-প্ৰপাত
ধাৰাসাৰে বাৰিধাৰা ঢালা অৱনীত।
সিক্ত কৰা সমুদ্ৰত মথিছা শিৰ
কাবেৰীৰ জলৰেখা, মলয় কন্দৰী
পানীত বুৰাই দিয়া চূৰ্ণীকৃত কৰি।
গন্ধকাৰি! নামি আহা বজ্ৰপাত হই
পলকতে প্ৰলয়ৰ তুলি কলৰোল
তাল-নাৰিকল বৃক্ষ ভেদি মুহূৰ্ত্তেকে
শুভ্ৰ শিৰ, শুভ্ৰ কেশ তোলা অলকাই।
আহ তুমি মহাকাল প্ৰলয়-দেৱতা।
দুৰ্ভাৱৰ অসমান এই বসুমতী
ত্ৰিভুৱন আঘাতত কৰি একাকাৰ
কৰি দিয়া সমতল বিস্তীৰ্ণ প্ৰান্তৰ।
কৰা আৰু খণ্ড খণ্ড প্ৰকৃতিৰ লিপি
লুপ্ত কৰা অকৃতজ্ঞ মানৱৰ নাম
সন্তানৰ গীত সহ পৃথিবীৰ সৰা।

বৰুৱা—দদাই! বাতিবত তিতি-বুৰি কুকলি-জুপুলি হলো। তাতকৈ গোসাঁনীসকলৰ এতাপ পূজা দি ভিতৰত শুকাই-উৱাই থকাই ভাল নাছিল জানো? কাবেৰুদৈ গৈ কেচাইখাটী মুজলাক কথা খুজিবা, বলা দদাই। জানীয়েই হোৱা বা মূৰ্খই হোৱা কোনো মতে এনে বাতিৰ শাওপাত মূৰত লব নোৱাৰে।

বজা— বায়ুদেৱ! ত্ৰিভুৱন আকাশ পৃথিৱী
অম্বৰৰ ভীম-নাদে কৰা কম্পমান।
ইন্দ্ৰদেৱ! যত ইচ্ছা হানা বজ্ৰবাণ
জলধৰ জাপে পানী ঢালক তাণ্ডৱে।

হে বিদ্যুৎ-বজ্ৰ, বাৰি, অনল, অনিল !
নহয় তইঁত- মোৰ নিষ্ঠুৰ কন্যা,
সকলোতি একতিৰ অন্যায় নাথোন ।
কিয়নো তইঁত তেনে নহয় কঠোৰ ?
কন্যা নাই তইঁতক দেও সম্ভাষণ
দিয়া নাই তহঁতক ৰাজ্য-দান মই ।
তেনেহলে কিয় মোক কৰিবি দয়া ?
কিনো হেতু তেনে মোৰ প্ৰতি মন্দ-ভাৱ ?
কেলে তেনে হাঁহি-নাচি আপোন ইচ্ছাৰে
অন্তৰৰ প্ৰলয়ৰ বিৰাট তাণ্ডৱ,
ক্ৰীতদাস সম মই থিয় দি ইয়াত
বৰ্ত্তমানে অত্যাচাৰ লওঁ মূৰ পাতি ।
দীনহীন অসহায় অথিৰ স্থবিৰ
নিঃস্ব, দুঃখী, অভিশপ্ত, লাঞ্ছিত ঘৃণিত
সকলোৰে পদাঘাত লওঁ মূৰপাতি ।

বহুৱা—মূৰ সুমাবলৈ যাৰ এডুখৰি ঘৰ আছে সদাই । তাৰ মূৰতো এটা আচ্ছাদন আছে । কিন্তু তোমাৰ—

ৰজা—নহয় । ধৈৰ্য্য—ধৈৰ্য্য মই ধৰিম এতিয়া
আৰু মই নকওঁ প্ৰলাপ । [অভয়পুৰীয়াৰ প্ৰবেশ ।]

অভয়—ইয়াত কোন আছাহক ?

বহুৱা—দুজন মানুহ । এজন গিয়ান, এজন মূৰ্খ ।

অভয়—হায় হায় মহাৰাজ !
এনে ঠেম মহানিশা আপুনি ইয়াত !
আন্ধাৰমানে বন্যজন্তু নিশাচৰ প্ৰাণী
আজি ৰাতি সিইঁতবো এৰিছে বিচাৰ ।

দেখা পাই প্রকৃতির প্রলয় তাণ্ডব
প্রাণ লই সকলেটি পলায় জন্তু।
ব্যাতিচর বনচারী পশু-প্রাণীবোধ
পশিছে সবাই নিজ গিরি-গহ্বরেতে।
এসে যেন ভয়ঙ্কর বজ্রের নিনাদ
বিদ্যুতের অগ্নিশিখা, ভীষণ দুর্যোগ
প্রলয়ের শিলাবৃষ্টি সৃষ্টি ধ্বংসকারী
দেখা নাই কোনো দিনে এই অদ্ভুতমত।
সহ্য করা মানুষের সাধ্যের অতীত
প্রলয়-লীলাতে সবে কম্পিত মূর্ছিত।
বৃদ্ধা—যে দেবতা নায়ক এই প্রলয় কাণ্ডের
সে জনেই শত্রুকুল করুক নির্মূল।
অভয়—মহাশিব নরপতি দেখি লাগে দুখ
দয়াময় ভগবানে রাখুক কুশলে।
ক্ষুদ্র এটি পর্ণা মোর আছে গুহবৎ।
মহারাজ! আজি এই দুর্যোগের রাতি
কৃপা করি তাতে পাই নতুন আশ্রয়।
বৃদ্ধা—মোধকনো হল মোর বিকৃত মস্তিষ্ক,
আয় গোপাই! আয় দীনদাস!
কষ্টো যাক কেনে আছ তুই? কাঁপিছ আবত?
মোরে এই বুড়া হাড় লাগিছে ঠেকেও।
পোটাদি শুকান যেব, কচো কব পথা?
পরম কল্যাণময় প্রয়োজন-বিধি,
সামান্য বস্তুও যেয়ে হয় মূল্যবান!
তুমি মোর পত্না বিদীর্ণ,

ভুখানিতো এটা অংশ তাৰ
তোৰ বাবে অতিশয় হৈছে কাতৰ।
ৰহস্যা—একখানি বুদ্ধি তোৰ থাকিলে যদাই!
ৰবযুগ-যন্তাহ-মিৰি টিলিকতে উৰাই।
যেতিয়া যেনে, তেতিয়া তেনে
যেখে ধৰিব, তেতুলীয়ে টোবটোৱাব
পৰোৱা কৰিব কোনে?
যজা—ঠিক কৈছ। বল এতিয়া। থোক ভাঁইতে পজাটোকে
লৈ বল। [যজা আৰু অন্যৰ প্ৰস্থান।]
ৰহস্যা—হেকাই টিলিকি যাওঁ—
ভৱিষ্যৎ-বাণী এবাৰ কৈ যাওঁ।
পুৰোহিতৰ যেতিয়া
যজ্ঞতকৈ দক্ষিণাত চকু,
যজমানৰ লোভ মাহ-প্ৰসাদত
দেৱতাটো নেথাকে একো।
ধুবীয়ে ঢাকে ধুবাত পানী
ভদ্ৰলোকে ধুৱায় তেলীৰ ঘানি
সাধু-সন্যাসী ঘূৰে ঘূৰি
সতীৰ পতি মৰে পুৰি
বিচাৰ-চৰাৰ চাপিলে ওচৰ
ঠিক-ঠাক সকলো গোচৰ
কোনো ৰহস্য নহয় ৰহস্য
টকাই যেতিয়া মুখ নাই খুলোৱা
গগন চৰ্চা নহয় ঘটনা
বিজ্ঞান এনে মিথ্যা ঘটনা

আই-জীয়ৰী

সিদিনা চয় কলিৰ শেষ ভক্তি-অনুতাপ
কান্তি-যাবি মনুষ্যক কৰিব চুৰমাৰ।
সত্যাবদ শুনে অজহৰি শুণে এখা খান কায়
পাতক চাড়োক ভাকি বোলা ৰাম ৰাম।

[প্ৰস্থান]

তৃতীয় দৰ্শন

দুৰ্গ-কক্ষ

[জয়পুৰীয়া আৰু বনমালীৰ প্ৰবেশ।]

জয়—বৰ দুখৰ কথা বনমালী! মহাৰাজৰ প্ৰতি এনে দুৰ্ব্যৱহাৰ মোৰ অলপো ভাল লগা নাই। মই অতি বিনীতভাৱে সিহঁতক প্ৰাৰ্থনা জনালো—মহাৰাজক অলপ দয়া দেখুৱাবলৈ। সেই অপৰাধতে মোৰ যশ-চন্দ্ৰাৰ কাঁচি নিলে। ইয়াকে স্পষ্টভাৱে কৈ দিলে—মহাৰাজৰ কাৰণে অনুৰোধ শুনালে, কোনো প্ৰকাৰে তেওঁক সহায় কৰিলে—ৰাজদ্ৰোহ কৰা হব, সিহঁতক অনুগ্ৰহৰ পৰা বঞ্চিত হব লাগিব। পৃথিৱীত ধৰ্ম নোহোৱা হলনে?

বন—কেলেই নহব সেইটো? নিশ্চয় আছে। পিছে, বুঢ়া ৰজাৰ প্ৰতি এই ব্যৱহাৰ বৰ নিৰ্দ্দয়—বৰ আচৰিত।

জয়—তই নিজৰ কামলৈ যা। কাকো কোনো কথা কবলৈ আৱশ্যক নাই। বৰ্ত্তমানে দুই দলপতিৰ মাজত মনোমালিন্য চলিছে। তাতকৈও ডাঙৰ দুঃসংবাদ এটা আজি এখন পত্ৰৰ পৰা জানিব

পাৰিলো। সেই পত্ৰৰ কথা প্ৰকাশ কৰাটোৱেই বিপদৰ কথা। মই যতন সেই চিঠি তালদৰে লুকুৱাই ৰাখিছো—কাকো সেই বিষয়ে জানিবলৈ দিয়া নাই। মহাৰাজৰ ওপৰত যি অত্যাচাৰ চলিছে - তাৰপৰেই তাৰ পোটক তুলিব। কমতাৰ যত সৈন্য-সামন্ত ইতিমধ্যে কামৰূপত সোমাইছেহি। আমি অৱশ্যে বুঢ়া ৰজাৰ পক্ষতেই থাকিম। তেওঁক বন্দে আছে তাৰ পৰা নিচাৰি উলিয়াব। যি কাম কৰিলে তেওঁৰ কষ্টৰ উপশম হয় তেনে কামকে নিশ্চয় কৰিব লাগিব। তই যা—কুঞ্জৰপতিৰ সকলো কথা হ'বগৈ। সাৱধান, এই কামৰ যেন কোনেও অলপো ভুট নাপায়। যদি তেওঁ মোৰ কথা কিবা সোধে তেন্তে মোৰ শয্যাশায়ী নৰিয়া হৈছে বুলি কবি। এই কামত যদি মোৰ মৃত্যু হয় সিও স্বীকাৰ। মৃত্যুৰ ভয় সিহঁতে নিজে দেখুৱাবই লাগিছে। মৃত্যু বৰণ কৰি হলেও মহাৰাজৰ কষ্ট লাঘৱ কৰিবই লাগিব। সোনকালেই কিবা এটা আচৰিত ঘটনা এক্ষণ ঘটিব। তই অলপ সাৱধানে থাকিবি দেই।

[প্ৰস্থান।]

বন—বেচ! উৰক লাগিছে ডেটাবৰীয়া। এইবোৰ কথা যি কোনো উপায়ে কুঞ্জৰপতিৰ কাণত পৰিবই। গুপুত পত্ৰৰ কথাও তেওঁ নজনাকৈ নাথাকে। মোৰ লাভৰ কাৰণে এটা সোণালী সুযোগ উপস্থিত হৈছে। সউভাগ্যই কি দেখুৱালে, মই হাকে উপাৰ্জন কৰিম। বৃদ্ধৰ পতন, যুৱাৰ উত্থান। এন মতে, পজাদি উঠে। বনমালীসিংহ। হচিয়াৰ। ঠিকভাবে ভই ভট্টি চলাবি।

[প্ৰস্থান।]

চতুৰ্থ দৰ্শন

খুকুলি পথাৰ—এটা পজা-ঘৰৰ সন্মুখ

[ৰজা, অভয়নূৰীয়া আৰু মহন্তাৰ প্ৰৱেশ।]

অভয়—এই পজা-ঘৰতেই আশ্ৰয় লব দেউতা! আৰু কলৈকো যাব নেলাগে। মই আপোনাৰ ওচৰত এই প্ৰাৰ্থনা জনাইছো। আপোনাৰ জিৰণিৰ নিতান্ত আৱশ্যক। হল বুলি মানুহৰ গঢ়া দেহে কিমান সহ কৰিব পাৰিব?

ৰজা—দীনদাস! ভালে আছো মই। অকলে থাকিব দিয়া—এসময়া আমনি।

অভয়—নহয় দেউতা! মহোকুৰি। এই জুপুৰিৰ ভিতৰলৈ বলক। কাৰো কৰি মাতিছো।

ৰজা—ভাবিছ দুৰ্বলা হই—ধুমুহাৰ প্ৰবল আঘাত
বৃদ্ধ শৰীৰত মোৰ হব অসহ?
হব পাৰে ওইতৰ বাবে।
বুকুৰ মাজত যাৰ যমৰ যাতনা
কি কৰিব পাৰে তাক নগণ্য ব্যাধিয়ে?
মনৰ মাজত মোৰ বলিছে ধুমুহা
অন্তৰ-শক্তি সেয়ে কৰিছে বিলোপ।
তাৰ তুলনাত হায়
একোকে নহয় এই নিশাৰ প্ৰলয়।
অন্তৰত এটা মাথোঁ জাগিছে আঘাত
—এনেকুৱা অকৃতজ্ঞ হয়নে সন্তান
মুখত আহাৰ দিয়া হাত দুখনিকো
খণ্ড খণ্ড কৰে যেয়ে হাতেৰে কামুৰি?

নিশ্চয়—নিশ্চয় মই মম প্ৰতিশোধ
আৰু মোৰ চকুপানী মোচাৰ ধুনাই।
এনেকুৱা মহানিশা—দুৰ্য্যোগৰ ৰাতি
যখন বাহিৰ কৰি পঠিয়ালে যেদি
জাকে জাকে বৰষুণ পৰিছে মূৰত
লগে লগে বতাহেও কৰিছে আঘাত।

বৰষুণ বতাহ মই সহিছো নিৰৱে।
এনেকুৱা দুৰ্যোগ-ৰাতি—জাহ্নবী-যমুনা!
নহওনে তইঁতৰ বৃদ্ধ-পিতা মই?
তাকে আজি এনে দশা কৰিলি শেষত?
সকল অন্তৰ লই বিভোৰ পিতাই
কৰিছিল তইঁতক যথা-সৰ্ব্বস্ব দান
নহওনে তইঁতৰ সেই পিতা মই?
নহয়, নহয়, এনে চিন্তা নিদিও আশ্ৰয়
উন্মাদ—উন্মাদ হব, যাম দূৰ হই
এনেবোৰ কথা আৰু নাই প্ৰয়োজন।

অভয়—ৰুমক দেউতা! ভৰিত ধৰিছো। ভিতৰত প্ৰবেশ কৰক।

ৰখা—তুমি কোৱা। লতাগছে জিৰণি নিলেই।
চিন্তা কৰিবৰ বাবে হিয়াৰ আঘাত
বজ্ৰ-দুখুহাই মোক নিদিয়ে আহৰি।
যোহ, বন্ধ। যাম মই।

(বহুভাৰ) প্ৰথমতে তই বা যোপাই!
গৃহহীন দৰিদ্ৰৰ প্ৰতিমূৰ্ত্তি তই
তই বা—দাঁপে পথাত আশ্ৰয়।

[বহুৱা দৈ পথাত প্ৰস্থান।]

পৃথিৱীত থিতিলাহি অতীৱ দৰিদ্ৰ
খাবলৈ ভাত নাই পিন্ধিব কাপোৰ
দুখ দুৰ্যোগৰ নাই এতুৰ্বাৰ পৰা
অনাহাৰী আধাপেটী লেকেলা ছেপেটা
আৰিছে গছৰ ছাল নতু ফটাকানি
আজি নিশা ধুমুহাৰ এই অত্যাচাৰ
সিবোৰে কৰিছে সত্য কিষাণৰে যাক ?
কোনেনো কৰিব ৰক্ষা আজি সিহঁতক ?
কতা ? আগেয়েতো এনে চিন্তা. মোৰ
হোৱা নাই কোনো দিনে মনত উদয় ।
আজি খাঁৰো দাৰিদ্ৰ্যৰ তিক্ত আস্বাদন
হাড়ে-হাড়ে শিৰে-শিৰে কৰো অনুভৱ ।
পাবোমানে নিজে আগে ভোগ কৰি লওঁ ।
তাৰ পিছে কৰি দান অতিৰিক্তখিনি
বিভুৰ ন্যায়ৰ ৰাজ্য কৰিম প্ৰচাৰ ।

সুবল (পজাৰ ভিতৰৰ পৰা)—ভূতৰ পানী জোখা কাম পাইছো মই । বাম মিলে না । বাম মিলে না । আঃ বাবা ঔ ।

বহুৱা (পজাৰ ভিতৰৰ পৰা ঠেলাই-ঠেকাই ওলাই আহি) –
মৰিলো ঐ । মৰিলো ঐ । খালে ঐ । খালে ঐ ।
ভূত দদাই ! ভূত । এই ঘৰৰ ভিতৰত লোসোমাযা ।

অজয়—মোৰ হাতত থকা, একো ভয় নাই ।
কোন আছ পজাৰত ?

বহুৱা (অজয়ৰ গাত ধৰি কঁপি)—ভূত, বাপৈ ! ভূত । সি আহিছো কয়—তাৰ নাম হেনো দুৰ্গাপীয়া ঔ ।

অভয়—কোন ? কোন তই ? কৰৰ ভিতৰত লুকাই গোঁ গোঁ শব্দ কৰিছ কিয় ? আঃ, ভালে ভালে ওলাই আহ ।

[বলিয়াৰ বেশেৰে সুবল পথাৰ ভিতৰৰ পৰা ওলাই আহে ।]

সুবল—পলা, পলা, লোণকাদে পলা । মোৰ পাছত ভূত লাগিছে । •খাব, খাব । সৌৱা সৌৱা—কেন্দু গছৰ ডাল মেৰমেৰাই ভাঙিছে । বা ভূত-কৰাই ! বুকে-পাই কাপোৰ লৈ গুই পাকটৈ । ওম্ ওম্ ।

বজ্ৰ—মমমৰ জীয়েকাইক

পিলিনে সৰ্বস্ব-দান মোৰ দৰে তই ?

সেইবাবে এনুৱা দুৰ্গতি ?

সুবল—ওমক তোমালোকে কিৰা-কিৰি দিয়া । মোৰ পাছত মজুৱা বীৰা লাগিছে । ধোৰাৰ খালত, পিতনি খালত ফুৰিছে ঘূৰাই, নাকী-জৰী লগাই । গৰৰ তলত কটাৰী, গোঁসাই-ঘৰত চিপজৰী । ওমক তোমালোকে ৰক্ষা কৰা । প্ৰাণটো যাবা, দিয় ভাত, বিহ মিহলাই দিয়া ভাত । ছায়াটোতে সি দেখিছে খাম, ভিয়াই ধৰি মাৰিছে জাপ । ভূতৰ তমত কপিছে লোম, ঠাণ্ডা হ ঠাণ্ডা হ বাধা ওম । হাঃ হাঃ হাঃ । হিঃ হিঃ হিঃ [ঘুমুহাৰ শব্দ] খবৰদাৰ গুষ্ঠ ভূত ! নপলিবে তই ?

বজ্ৰ—কি আছিলা তুমি ?

সুবল—গোলাম—গোলাম । কিন্তু মনে-প্ৰাণে অহঙ্কাৰী । চুলি কেকোৰা কৰি সুবাসিত তেলেৰে কৰিছিলো কেশৰ বিন্যাস । পিন্ধিছিলো মিহলাৰ সুৰঞ্জিত কামিনী-হস্তেৰে । ঘূৰাইছিলো এক্ষণ্টাৰ হিয়াৰ পিয়াহ আৰু পাতিছিলো তেওঁৰ সৈতে মদনৰ খেলা । ছিয়াত আছিল প্ৰৱঞ্চনা, কাণত আছিল আঙঠণাবা ভাৱ, হাতত তেজৰ ঢেকা, আলজত গাহৰি, চকুমতাত শিয়াল, নোতত কুকুৰনেটীয়া, থকত কুকুৰ, চিকাৰত সিংহৰ বিচিত্ৰ

মৃতায়। যমপুৰীৰ প্ৰেতপুৰৰ কন্দু কুহু জ্বলিছে, পাচীৰ বিলা-মেখেলায়, মৃদুল মধুৰ মৰ্মৰিত তানেৰে হিয়া উবুৰিয়াই দিলিবা। মঠিয়ৰ'ঘৰত পদাৰ্পণ নকৰিবা। আত্মগৰ্ব যাজলৈ হাত মেলি দিলিবা। মহাজনৰ খাতাত নাম নেলেখিবা। তেতিয়াহে মুক্তি এনো দিব। সোণা কেশু পদ্মজোপা মেঘমেঘাৰ লাগিছে। বাবা ওম্। কুতক যাবলৈ দে। সোণা যে সি। ওম্ ওম্ (ধুমুহাৰ শব্দ)

ৰবা—এনে অনাবৃত দেহেৰে দেৱতাৰ অত্যাচাৰ সহ্য কৰাতকৈ মৈষামত সোমাই থকাই ভাল। মানুহৰ দেহ। ইয়াতকৈ আৰু কিমান বেছি সহ্য কৰিব পাৰে সি? বেছ, বেছ। আমি তিনিও জনে ভুল কৰি ইয়াত কষ্ট পাইছো। বহুৱানে বাক? ওভই পশুৰ প্ৰতিকৃতি বস্ত্ৰহীন মানৱ। তোৰ দৰে হতভাগা দিগম্বৰ, নৰঘাতী পশুৰ বাহিৰে আন একোয়েই নহয়। আহ বহুৱা! মোৰ কাপোৰ খুলি দে। (গাৰ কাপোৰ খুলি দিয়ে)

বহুৱা—দোহাই দদাই! দোহাই। তেনে কাম নকৰিবা। বৰ অহৰ ৰাতি। এনে সাঁতোৰ দিব নোৱাৰিবা! এই চাৰি-ভনীয়া পথাৰৰ মাজ-ভাগত সোণা—একুৰা মাথোন জুই। ঠিক যেন বুঢ়া লম্পটৰ মুখুত চিৰিকচাৰাক দুটি আশাৰ পোহৰ বাকী গোটেইটো শৰীৰ দৰঙৰ শিল যেন চেচা। চোৱাচোন একুৰা জুই জোৰ কাঢ়ি এই ফাললৈকে আহিছে। যমদূতে নেকি? [হাতত জোৰ লৈ যমপুৰীয়াৰ প্ৰবেশ।]

সুবল—এইটো কুকুৰ চকুথকা মুৰাকন। তাৰ মুখৰ চকু দুটাই জুইৰ দৰে জ্বলিছে। মুথ-আঝাৰি লগাৰ পিছৰ পৰা কুকুৰটোৱে তাক দিয়াৰলৈকে গোটেই ৰাতিটো সি টহলি ফুৰে। মানুহক নবিয়াত পেলাই চকু দুটা খুঁচি কণা কৰে। ৰেঙিয়াতি নষ্ট কৰে। মাটিৰ কেচু-মুমটিকো কষ্ট দিয়ে। ওম্ ওম্।

অভয়—দোতাই এতিয়া কেনে পাইছে ?

প্ৰতাপ—এইটো কোন ?

অভয়—কোন ভাই ? ইয়াতে কি বিচাৰি আহিছ ?

জয়পুৰীয়া—তোমালোক কোন ? তোমালোকৰ নাম কি ?

সুমল—চৰ্ভসীয়া ওম—তাৰ খাদ্য পুখুৰীৰ বেং

মাখি-মকৰা, মাহু-কেকোৰা, ঘৰিয়ালৰ ঠেং ।
এন্দুৰৰ জোল, বান্দৰৰ ঘণ্ট, মেকুৰীৰ ভাজি
যাৰ ওমৰ সাত বছৰতে জমা আছে আজি !
শিক্ষিবলৈ তিনি সাত কাপোৰ, উঠিবলৈ ঘোৰা
পাত আছে দুই ভূত কেন্দু গছৰ বীৰা ।

জয়পুৰীয়া—মহাৰাজে ইয়াতকৈ ভাল সঙ্গী বিচাৰি নাপালেনে ?

সুমল—বাৰা ওম কিমত ঠেঙেঙা মাৰিছে ।

জয়—মোৰ লগত ঘৰৰ ভিতৰলৈ বলক মহাৰাজ । কৰ্ত্তব্যৰ অনুৰোধত হলেও মই আপোনাৰ জীয়াৰী দুজনীৰ অন্যায় আদেশ পালন কৰিব লোখোজো । এনে দুৰ্য্যোগত আপুনি কষ্ট ভোগ কৰিলে সিহঁতে আনন্দ পায় । সেইবাবে মোক ঘৰৰ দুৱাৰ জপাই ৰাখিবলৈ আদেশ দিছে আৰু এই বুলিও সাৱধান কৰি দিছে আপোনাক যেন একোতেই ভিতৰ সোমাবলৈ দিয়া নহয় । সেই আদেশ দুপাৰে অৱহেলা কৰি মই আপোনাক বিচাৰি আহিছো । জুই আৰু খোৱা-আহাৰ যুগুত কৰি যথা ঠাইলৈ মই আপোনাক লৈ যাম । এতিয়া অনুগ্ৰহ কৰি বলক মহাৰাজ !

প্ৰতাপ—তাৰ আগতে মই এই বৈজ্ঞানিকৰ লগত কেইটামান কথা আলোচনা কৰি লওঁ, যথা । কোঁৱাচোন বাৰু, বজ্ৰৰ কাৰণ কি ?

অভয়—দোতা ! এওঁৰ পাগলামত সম্মত হওক । তেওঁক ঘৰলৈকে বলক ।

প্ৰতাপ—নহয় । মই এই কামাখ্যানিবাসী পণ্ডিতৰ লগত দুআষাৰ কথা হওঁ । তুমি কি কৰা ?

সুবল—কইলে ? গাৰ ভূত আৰো আৰু ঋষি-মকৰা পৰুৱা-পিপৰা ধ্বংস কৰে ।

প্ৰতাপ—মোৰ তোমাৰ লগত নিৰ্জ্জনত অলপ কথা আছে ।

অভয়—ভাণ্ডৰীয়া ! নৌতাক আৰু এবাৰ অনুৰোধ কৰক । তেওঁৰ মগজু বিকৃতি ঘটাৰ উপক্ৰম হৈছে ।

নন্দ—মহাৰাজৰেই বা দোষ কি ? শ্ৰীয়েক ভূজনীয়ে তেওঁৰ মৃত্যু কামনা কৰিছে । হায় উদাৰমতি অভয়পুৰীয়া ! তুমি আজি ক'ত ? চাই যোৱাহি তোমাৰ ভৱিষ্যৎবাণী আজি সাৰ্থক হৈছে । হায় বন্ধু ! নিৰ্ব্বাচিত ৰজাক তুমি মৰিয়া-বুলিছা । সেইবাবে তোমাকেই বা কি দোষ দিম ? মই নিজেই বলিয়া হৈছো । মোৰো এটা সৰা আছিল । সি এৰিছি নিৰুদ্দেশ । মই তাক ত্যাগ কৰিছো । সি মোৰ প্ৰাণ লবলৈ চেষ্টা কৰিছিল । বন্ধু ! তোমাক আজি কেনেকৈ বুজাম মই তাক কিমান ভাল পাইছিলো । কোনো পিতাই কোনো পুত্ৰক কোনো দিনাই সিমান ভাল পোৱা নাছিল । সেই কথা কবলৈ লাজ কি ? ওঃ । (ধুমুহাৰ হোহোৱনি) মোৰে মগজুৰ থিৰ নোহোৱা হৈছে বন্ধু । মহাৰাজ ! মহাৰাজ ! আজি নিশা মহাপ্ৰলয়ৰ আগন্তুক হৈছে । ভগৱন্ত-বৰুক প্ৰাৰ্থনা জনাইছো—তেওঁ আপোনাক ৰক্ষা কৰক ।

প্ৰতাপ—পণ্ডিত । তুমিও মোৰ লগত থাকা ।

সুবল—বাবা ওমম যে মৰ ভাব ।

নন্দ—যোৱা, তুমি সৌ কুটিৰলৈ যোৱা । তাতে নিজকে সেকি-পুটকি তপত কৰাগৈ ।

প্ৰতাপ—আহা, সকলোৱে যাওঁ ।

অভয়—এই বাটেৰে আহক দেউতা !

প্ৰতাপ—মই আমাৰ পণ্ডিতৰ লগত হে যাম ।

তাকো আপোনাৰ লগত লওক দৌৰা !

জয়—ভাল কথা। সিও আমাৰ লগতে আহক যাক।

অভয়—থাঁহা তুমিও আমাৰ লগতে থাঁহা।

প্ৰতাপ—বলা কাৰাধ্যায পণ্ডিত !

সুবল—:গ্ৰামমাল মকবিধা, চুপ-চাপ—
তম বাবা, ভূতৰ বাপ।
চেই চেই চেই ! নাক হল বন্ধ
কামৰূপীয়াৰ তেজৰ গন্ধ। [সকলোৰে প্ৰস্থান।]

পঞ্চম দৰ্শন

জয়পুৰ—দুৰ্গকক্ষ

[কুণ্ডিলৰাজ আৰু বনমালীৰ প্ৰৱেশ।]

কুণ্ডিল—বিশ্বাসঘাতক জয়পুৰীয়া! আগে যে তাৰ অপৰাধৰ শোধক তুলিম। তাৰ পিছতহে এই দুৰ্গ পৰিত্যাগ কৰিম। প্ৰতিশোধ—তীব্ৰ প্ৰতিশোধ লম।

বন—একালে পিতৃভক্তি, আনকালে প্ৰভুভক্তি আৰু ৰাজভক্তি। ৰাজভক্তিতকৈ পিতৃভক্তি হীন কৰি দেখুৱালে মানুহে কি বুলিব—তাকে ভাবিছো।

কুণ্ডিল—এতিয়া মই বুজিব পাৰিছো—তোমাৰ ককায়েৰাই যে তাৰ মৃত্যু ঘটাব খুজিছিল তাৰ মূলত কেৱল তাৰ অসৎ অভিপ্ৰায়েই জগদীশ্বৰ মহন্ত। সেই পাপ অভিশপ্ত ইহন ভোগাইছিলা তুমি—তুমি বনমালীসিংহই।

বন—মোৰ ভাগ্য বৰ বেয়া। সেইবাবেহে প্ৰায় পঙ্গু থাকিও

ইয়ানবোৰ দুখ-কষ্ট ভুগিবলগীয়া হৈছে। এই পত্ৰতেই ক্ষমতা, সেনা আদিৰ কথা অল-অল-পট-পটকৈ ওলাই পৰিছে। ভগবান! তুমি দেখি আছা। এনেকুৱা ৰাজদ্ৰোহ ঘটনা হলে কিম্বা ঘটিলেও সেই বিষয়ে মই সুংসূত্ৰ নোপোৱা হলে বৰ ভাল আছিল।

কুণ্ডিল—তুমি এতিয়া মোৰ লগত ৰাণীৰ ওচৰলৈ বলা।

ধন—পত্ৰত লিখা কথা সঁচা হলে ইতিমধ্যে আপুনি কৰিবলগীয়া বহুত কাম আছে।

কুণ্ডিল—সঁচা হক, মিছা হক এই পত্ৰই তোমাক জয়পুৰৰ শাসনকৰ্ত্তা নিযুক্ত কৰিছে। এতিয়া তোমাৰ পিতাৰাক—সেই বিশ্বাস-ঘাতক বৃদ্ধক সোণকালে বিচাৰ কৰি উলিওৱা। সাৱধান—তাক বন্দী কৰোঁতে যাতে একো গোলমাল নহয়।

ধন (স্বগত)—যদি তেওঁক মহাৰাজৰ শুশ্ৰূষা কৰি থকা অৱস্থাতেই ধৰি দিয় যায় তেন্তে এওঁৰ সন্দেহ আৰু বাঢ়িব। (প্ৰকাশ্যে) কুণ্ডিলপতি! মই তৰোৱাল চুই শপত খাই কৈছোঁ—পিতৃৰ লগত বিৰোধ ঘটিবলগীয়া হলেও মোৰ ৰাজভক্তি অটুট থাকিব।

কুণ্ডিল—বেছ কথা। মইও তোমাক সম্পূৰ্ণ বিশ্বাস কৰিম। মোৰ মৰম—কুণ্ডিলপতিৰ কৃপা—পিতৃস্নেহতকৈ মূল্যবান বুলি তুমিও অনুভৱ কৰিব পাৰিবা। আহা। [প্ৰস্থান।]

ষষ্ঠ দৰ্শন

দুৰ্গ কাষৰীয়া জিৰণি-ঘৰ

[জয়পুৰীয়া, প্ৰতাপসিংহ, অভয়পুৰীয়া, বহুতো তাৰ সুৱলৰ প্ৰবেশ।]

জয়—মুকলি পথাৰতকৈ এই ঠাই বহুত ভাল। বিষাদৰে শত্ৰু হয়, ইয়াতে মহাৰাজে বিশ্ৰাম কৰক। আৰু প্ৰাণতিয়াল বজা বিশ্ৰাম-

যিমান পৰা যায় মই যিটাই আজি আপোনাৰ কথামতে কুমৰক বাচিবলৈকে চেষ্টা কৰিম। মই এতিয়া যাওঁ। বিদায় দেৱতাদেৱ পাৱে আকৌ দুখি আহিম। [জয়পুৰীয়াৰ প্ৰস্থান।]

যুৱক—ভাল-বেঙাৰে মোৰ কাণে কাণে কৈ গৈছে—খোৱা-বাকে মৰকৰ অগ্নপুৰীত বন্দী পেলাইছে। মূৰ্খ! খোৱা-বাকৰ হাতত সাজুৱাৰে থাকিবি।

ৰজা—মন্ত্ৰী! কোৱাচোন বাৰু—বিয়োৰ বলিয়া সিংহ ভাল-মানুহ নে বিয়োৰ হাতোৱা সিংহ ভাল-মানুহ?

মন্ত্ৰী—মহাৰাজ, সিংহ ভাল।

ৰজা—মহাৰাজ মন্ত্ৰী! একো নহয়। যাৰ পুতেক ভাল-মানুহ সি হয় হাতোৱা বিকেনো বলিয়া হাতোৱাই জীয়াই থাকোতে থাকো-তেই পুতেকক ভাল-মানুহ হোৱা দেখে।

মন্ত্ৰী—যাব পাব যুদ্ধৰ বিভিন্নভিত সিংহ ভয় হওক।

যুৱক—উঃ! দয়াবান ভূতে মোৰ পিঠিত কামুৰিছে।

মহ্বা—ধিও বলিতা! সি ভূতুৰাজেটীয়া বাঘে পোহ মানিব দুজি জানে। খোৱাৰ বাক্য দেখি, সৰু সৰাৰ ভাৱৰি কথাত বা বেঙাৰ পণতত বিশ্বাস কৰি ভোৰ যায়।

ৰজা—বুঝি, মজা পাবি। এতিয়াই বজাৰ আদেশত সকলোকে বন্দী কৰিম। (যুৱকক) আহক, আপুনি এজন বিজ্ঞ বিচাৰক। এই-বিলাক বহক। (মহ্বাক) ভাওৰীয়া! আপুনিও এজন জ্ঞানী পুৰুষ। ইয়াতে আসন গ্ৰহণ কৰক। ভাৱ পিছত, বাদিনীক! তইঁত এবাৰ আহচোন, চাই লওঁ।

যুৱক—তোমাচোন, একে চাইতে কিয় দৈ কেনেকৈ চকু দেখুৱাইছে, চাই আছে। দেৱী! কিয়নো কালে চকু দি দুটি পায়ুপিৰ কৰিছা

নহয় নে ? বেছ বেছ ! (সুৰ লগাই গায়)
নদীখনি পাৰ হৈ আহা সোণ কাষলৈ।

মহুৱা—পচা কাঠ উটা নাওখনি ফুটা,
সিপাৰৰ বাধা কথা কব বাধা।
মনত নপৰে তোমাৰে
আহে কিদৰে কাষলৈ ?

সুবল—কুলি-চৰাইৰ দৰে মাত মাতি মগধাজ ফুল ওমৰ গাস্ত লন্তিছে। ওমৰ পেটৰ ভিতৰত থকা মাছ খাবলৈ খোৱা-মাকে গো গো শব্দ কৰিছে। গো গো কৰি মাতি নেথাকিবি কৃত কৰাই! নিজেই মই একো খাবলৈ পোৱা নাই। তোক কি খাবলৈ দিম সোণ ?

অভয়—কি ভাবিছে মোতা ? চকু দুটা পোপোৱাই এনে অনু লগাকৈ কি চাই আছে? এই পেন্থেলিত বাপৰ মাৰি জিৰণি লওক।

ৰজা—ওহো, চব নোহাবে। আগেয়ে মই সিহঁতৰ বিচাৰ চাম। প্ৰমাণ আনা। (সুবলক) হে বিচাৰ-ভুখিত মানুহ! এই-খিনিতে তোমাৰ আসন গ্ৰহণ কৰা। (বকলাক) আৰু তুমি ? ন্যায়ৰ ভাৰবাহী হৈ তেওঁৰ কাষতে বহা। (অভয়ক) তুমিও এজন বিচাৰক। বহা, ইয়াতে বহা।

সুবল—বেছ বেছ। কোনো ভয় নাই। ন্যায় বিচাৰ হব। এতিয়া ন্যায় বিচাৰ হব।

ৰজা—প্ৰথমতে তাইক আগলৈ আনা। এই জনী—এই জনী জাহ্নবী। মই এই মহামান্য বিচাৰ-সভাৰ আগত শপত খাই কৈছো—তাই—তাই—তাইৰ শিশু হতভাগ্য ৰজাক ভৰিৰে লাথি মাৰি দিছিল।

সুবল—আহা, আপোনাটি আহা মা জহ্নুৰ্থী। তোমাৰ নাম জাহ্নবী দেৱী নহয়নে ?

বন্দা—হয়, তাইৰ নাম জাহ্নৱী হয়। সেই কথা অস্বীকাৰ কৰিবলৈ তাইৰ সাধ্য নাই।

মহন্তা—ক্ষমা-প্ৰাৰ্থনা খোজা-দেৱী! নহলে তোমাক মই দুটা অভিযোগত অপৰাধী কৰিম।

বন্দা—আৰু অভিযোগ তাইৰ বিৰুদ্ধে আছে। তাইৰ সৌ দুৰন্তীয়া মুখখনেই কৈ দিছে — কি পাষাণেৰে তাইৰ হৃদয় নিৰ্ম্মিত। তাতেই তাইক বন্দী কৰা। প্ৰহৰী! প্ৰহৰী! তৰোৱাল আন। দুই অসা। তাই গল। অপৰাধী পলাল। হায় হায় অপদাৰ্থ বিচাৰকৰ দল! কিয় তাইক পলাবলৈ দিলা?

অভয়—কি পৰিতাপৰ বিষয়। দেউতা। ধৈৰ্য্য নেহেৰুৱাব। আপোনাৰ ক্ষেত্ৰে অসীম ধৈৰ্য্য—সদায় তাকেই কয়। এতিয়া তাকে প্ৰমাণ কৰি দেখুৱাবৰ সময়।

সুবল (স্বগত)—মোৰ চকুৰ কোনত ইমান পানী জমিছে—সকলো কথা প্ৰকাশ হৈ নপৰিলেই ৰক্ষা এতিয়া।

বন্দা—বেচ্ছ। তাৰ পিছত যমুনাৰ দেহটো কাঢ়ি-চিৰি চোৱা তাইৰ মনৰ ভিতৰত কি ঘটিছে? কি কাৰণে মানুহৰ মন ইমান নিঠুৰ হব পাৰে? (সুবলক) তোমাক মোৰ এক জন অনুচৰ দলত ভৰ্ত্তি কৰিলো। কিন্তু তোমাৰ সাজপাৰটো চকে খৰ আপচু। এই সাজটো সলাব লাগিব।

অভয়—এতিয়া আপুনি শয়ন কৰি অলপ জিৰণি লওক দেউতা।

বন্দা—মায়াৱিনী-দল ৰক্ষিণী। বন্দা নিদ্ৰা যাব। কিন্তু, আইনা পেলাই দিয়া। সেই—সেই—সেই—সেই। (শোৱে।)

মহন্তা—আৰু মই দুপৰীয়াই ৰাতিৰ টোপনি মাৰিম।

[অন্তঃপুৰীয়াৰ পুনৰ প্ৰৱেশ।]

জয়—বাপু! এইকালে আহাচোন। মহাৰাজ কেনি?

অভয়—ইয়াতে আছে। অলপ বিশ্রাম দিয়ছে। আমনি নকৰিব। তেখেতৰ মগজুৰ বিকাৰ ঘটিছে।

জয়—বন্ধু! মহাৰাজক কোলাত তুলি লোৱা। তেওঁৰ বিৰুদ্ধে মৃত্যুৰ ষড়যন্ত্র মই মনে মনে শুনি আহিছো। এখন দোলা সাজু কৰি ৰাখিছো। সেই দোলাত তেওঁক মানাহমুখ ছাউনিলৈ লৈ যোৱা। তাত অভ্যৰ্থনা আশ্ৰয়—দুই বিধকে পাবা। তোমাৰ প্ৰভুক অপোৱা। সোণকালে অপোৱা। যদি আৰু এক দণ্ড পলম হয়— তেওঁৰ জীৱন, তোমাৰ জীৱন, আৰু যি যি তেওঁক বিপদত সহায় কৰি ৰক্ষা কৰিছে সেই সকলোৰে বিনাশ হব। তোলা, তোলা, মোৰ লগে লগে আহা। তোমাৰ হাতত অলপ ধন দিয়। সেই ধনৰ বলতেই বাটৰ সকলো বাধা-বিঘিনি অতিক্রম কৰিব পাৰিবা।

অভয়—তাপকৰা উত্তেজিত দেহ চোঁপনিত লাহকাল হৈ পৰিছে। ভালদৰে জিৰণি লবলৈ পৰা হলে অসংবৃত স্নায়ুবোৰ সংযত হলহেতেন। দৈব-দুৰ্ব্বিপাকত এইখিনি জিৰণিবো অভাৱ ঘটিল। এতিয়া আৰু জিৰণিৰ সময়েই বা ক'ত? আহা, মহাৰাজক তুলি লোৱাত মোক অলপ সহায় কৰা। (বহুৱাক) আহা, তুমি এতিয়া পাছফালেহৰা নিদিবা।

জয়—আহা, পীঘে আহা। মুহূর্ত পলম নকৰিবা।

[প্ৰস্থান। অভয়পুৰীয়া আৰু বহুৱাই ৰজাক দাঙি লৈ যায়।]

সূত্ৰল— অসংখ্য দুখৰ হেঁচাত
নিষ্পীড়িত সকলোটি প্ৰাণী।
আমাতোকে ওপৰৰ জনে
দুখ-কষ্ট কৰে যেনে আগতে বৰ্ণন
আমাৰ নিজৰ দুখ তাৰ তুলনাত
কম বুলি হয় অনুমান।

সুখ বহনৰ বাবে সখী নাই যাৰ
সেয়েহে অধিক দুখ পায় অন্তৰত।
সবাৰ সুখলৈহে চাই
মোৰ দুখ বেছি বুলি নহয় গণনা।
মোৰ ভাগ্যে যেনে পিতা
তেওঁ তেনে লভিছে সন্তান।
ওম্! বল, বল তই বহু দূৰলৈ
মহাকাৰ্য্য সাধনৰ বাবে— হ তই প্ৰস্তুত
কৰিবি পিছত তাৰ নিজকে প্ৰকাশ।
আজি এই মহানিশা দুৰ্য্যোগৰ ৰাতি
যিবা আছে দুৰ্দশা হওক আমাৰেই
মহাৰাজ থাকক কুশলে।
লুকাই থাকিম মই। [প্ৰস্থান।]

———×———

সপ্তম দৰ্শন

জয়পুৰ— দুৰ্গকক্ষ

[মুক্তিলপতি, মন্দুৰা, জাহ্নবী, বলধাৰী আৰু অনুচৰবিলাকৰ প্ৰবেশ।]

মুক্তিল— বাহিৰেন্তে! এতিয়াই তুমি তোমাৰ স্বামী দেৱতীৰাজৰ সমীপলৈ যাত্ৰা কৰা। তেওঁক এই পত্ৰ দিবা। কাৰণতাৰ সেনাই জয়পুৰত পদাৰ্পণ কৰিছে। দুৰ্জন জয়পুৰীয়া কত? সেই পাপিষ্ঠৰ অনুসন্ধান কৰা।

যমুনা—তাক নচচা পালত তুলি বধ কৰা হওক—এই মুহূৰ্তে।

জাহ্নৱী—তাৰ চকুৰ মণি আৰু আঠুৰ ফিলা কটা হওক।

কুণ্ডিল—সেই নৰাধমক শাস্তি দিয়াৰ ভাৰ মই লৈছো। বনমালী! তুমিও বাইদেউৰ লগত দৰঙলৈ যোৱা। নহলে—তোমাৰ বিশ্বাসঘাতক পিতাৰাৰ ওপৰত যি প্ৰতিশোধ লয়—তাক তুমি চকুৰ আগত চাই থকা সম্ভৱ নহব। দৰঙীৰাজক লৈ কৰা গুৰুতৰ কাম সাধনৰ বাবে তুমি তালৈ গৈছা। আমিও সাজু থাকিম। আমাৰ মাজত বা-বাতৰি অনানিয়া কৰিবলৈ দূত-যোৱাৰ ব্যৱস্থা কৰিবা। বাইদেউ—দৰঙৰ মহাৰাণী। আৰু জয়পুৰৰ নব-অভিষিক্ত ৰাজপ্ৰতিনিধি বনমালীসিংহ! যোৱা, তোমালোকক এতিয়া বিদায় দিলো। [ধনঞ্জয়ৰ প্ৰবেশ।]
কি বতৰা ধনঞ্জয়? বুঢ়া ৰজা কত?

ধন—জয়পুৰীয়াই বুঢ়া ৰজাক পলুৱাই পঠাই দিছে। প্ৰায় তেৰ-কুৰি জনমান অনুচৰো তেওঁৰ লগত গৈছে। সকলো কেইজনে জয়পুৰীয়াৰ কেইজনমান লগুৱাৰ লগত মানাহমুখৰ ফালে বাট লৈছে। সিহঁতে পথ ধাৰি কৈ গৈছে—মানাহত হেনো সিহঁতৰ বন্ধুবিলাক সশস্ত্ৰ হৈ আছে।

কুণ্ডিল—তোমালোকৰ বাণীৰ কাৰণে ঘৰ সুসজ্জিত কৰা।

জাহ্ন—প্ৰিয় কুণ্ডিলপতি! মৰমৰ ভনীটী! বিদায়।

কুণ্ডিল—বিদায়। [জাহ্নৱী আৰু বনমালীৰ প্ৰস্থান।]
বিশ্বাসঘাতক জয়পুৰীয়াক বধ কৰিবলৈ হলে বিচাৰৰ তেকো-তাওনা নাপাতিলে নচলিব। নহলে মানুহে মোক দোষ দিব পাৰে। কিন্তু সেইবুলি মোৰ ইচ্ছাত বাধা দিবলৈ কাৰো শক্তি নাই। কোন আহিছে? সেই বিশ্বাসঘাতক?

[অনুচৰৰ লগত জয়পুৰীয়াৰ প্ৰবেশ।]

যমুনা—অকৃতজ্ঞ শিয়াল !

কুণ্ডিল—বন্দী কৰ। বিশ্বাসঘাতকৰ হাত-ভৰি বান্ধি পেলা।

জয়—মই জানিব পাৰোনে কি উদ্দেশ্যে মোৰ লগত এনে বেয়া ব্যৱহাৰ কৰা হৈছে ? এই জয়পুৰ দুৰ্গৰ মই গৰাকী। আপোনা-লোক সকলোটি মোৰ অতিথি। মোৰ প্ৰতি এনে নিন্দনীয় কাম কৰা শোভন হৈছেনে ?

কুণ্ডিল – কি চাই আছা তহঁতে ? বন্দী কৰ। শীঘ্ৰে দুৰাত্মাক বন্দী কৰ।

[এজন অনুচৰে জয়পুৰীয়াক বন্দী কৰে।]

যমুনা—জোৰেৰে আৰু জোৰেৰে বান্ধ। নীচ বিশ্বাসঘাতক !

জয়—হে পাষাণী ! নকৰিবি তেনেকুৱা বাক্য উচ্চাৰণ।
নোহো—নোহো মই বিশ্বাসঘাতক।

কুণ্ডিল—বান্ধ, বান্ধ এই বহা-আসনেৰে।
হে দুৰ্জন ! দিম আজি বেছ শিক্ষা তোক।
বুজিবি আজি……

যমুনা—কুকুৰ ! (জয়পুৰীয়াৰ গোফত ধৰিলে।)

জয়—আকাশৰ দেৱতাসকল !
চকু মুদা—চকু মুদা। নাচাবা ইফালে।
অপমান কৰি মোৰ উঘালিছে গোফ
নাৰীৰ হাতেৰে এনে ঘৃণনীয় কাম।

যমুনা—এনে হেন ভণ্ড গোফ,
তথাপিতো বিশ্বাসঘাতক।

জয়—হে ঘৃণিতা নাৰী ! এই মোৰ শুভ্ৰ গোফ
কৰিলি হাতেৰে তুই কলুষিত তই।
জন্ম লই সেয়েই পুনৰ
পাপ কাৰ্য্য এই তোৰ কৰিব গঞ্জনা।

অতিথি-সৎকাৰ হত ই পবিত্ৰ মুখ
বন্ধুদ্ৰোহী হই তই কৰিলি আজো।

হুজিম—কমতাৰ পৰা কি পত্ৰ পাইছ ক সমাচাৰ?

যমুনা—আমি সকলো কথা গম পাইছো। তই চমুকৈ কৈ দে।

হুজিম—দেশদ্ৰোহী বিশ্বাসঘাতকবিলাকৰ লগত লগ লাগি তই কি ষড়যন্ত্ৰ কৰিব খুজিছ স্বীকাৰ কৰ।

যমুনা—উত্তৰ ৰজাক কাৰ জৰিয়তে পঠিয়াইছে কৈ দে।

জয়—মই এখন পত্ৰ পোৱাটো সঁচা। সেই পত্ৰ বোধকৰো শত্ৰু পক্ষৰ কোনোবা মানুহে লেখিছে।

হুজিম—প্ৰবঞ্চনা!

যমু—মিছা কথা।

হুজিম—ক, কাক কলৈ পঠিয়ালি ক।

জয়—শুনিব পাৰিবা? শুনা তেন্তে—মানাহযুৱলৈ।

যমু—কিয় মানাহযুৱলৈ পঠিয়ালি? তোক আমি কি আদেশ দিছিলো? সেই আদেশ অমান্য কৰাৰ শাস্তি কি জান?

হুজিম—কিয় তেওঁক মানাহ-যুৱলৈ পঠিয়ালি—আগেয়ে এই প্ৰশ্নৰ উত্তৰ দে।

জয়—হাত-ভৰি বান্ধি পেলাইছা, পলাবৰ উপায় নাই। তথাপি জানিবা, মই কামৰূপৰ বীৰ-সন্তান। নীচ কুকুৰৰ আক্ৰমণ মৃত্যু প্ৰাপ্তি সহ্য কৰিবলৈ প্ৰস্তুত আছো।

যমুনা—কিয় তেওঁক মানাহযুৱলৈ পঠালি? সেই কথা ক। উত্তৰ দে।

জয়—যদি শুনিব খোজ তেন্তে শুন পাষাণী! মৃত ৰজাৰ চকুৰ মণি ৰাক্ষসীয়ে তীক্ষ্ণ নখেৰে আচুৰি অনা পৈশাচিক দৃশ্য মই চাব নোৱাৰো আৰু এদিন দিব্য জ্যোতি তেজেৰে অভিষিক্ত মৃত পিতৃৰ দেহ তোৰ ৰাক্ষসী ভগিনীৰ লাথি-গচকিত আৱা-

তত ভূলুণ্ঠিত হোৱা দৃশ্য চাবলৈ মোৰ চকু অসমৰ্থ। অহংকাৰ নাৰকীয় ৰাতিৰ ধুমুহা-তাণ্ডৱতে সেই মত্ত পিশাচ অনাথ অত্যা-চাৰ কৰি তেওঁৰ যি মূৰ্ত্তি প্ৰকাশ কৰি দেখুৱালে সেয়েই আজি মাতৃভক্ত অন্নপূৰ্ণাৰাক ৰাজবিদ্ৰোহী হ'বলৈ উদগনি দিছে। সেই মহাপ্ৰলয়ৰ মূৰ্ত্তি দেখি বিশাল বাৰিধি-বক্ষ তল-ওপৰ হ'বলৈ ধৰিলে। সেই ঘোৰ আঘাতত আকাশৰ তৰাবোৰ পৰ্য্যন্ত খহাই পৰিল। সেই বৃদ্ধৰ দুখৰ সমভাগী হৈ দেৱতাসকলে দুখ দূৰ কৰিবলৈ শীতল বৰষুণ পঠিয়াই দিলে। সেই সময়ত সেই মহাপ্ৰলয়ৰ ৰাতিত ঘৰৰ বাবেও আশ্ৰয় বিচাৰি ঘূৰোঁতে দুখিয়া হলেও প্ৰহৰীয়ে দুৱাৰ মেলি · দিলেহেঁতেন। কিন্তু মানুহ হৈ পেটৰ পোৱালী হৈ—এনে নিষ্ঠুৰতা—এনে পাশৱিকতা বোধকৰো ইতিপূৰ্বে কোনো যুগতে কোনো মানুহৰ দ্বাৰাতে সম্ভৱ হোৱা নাছিল। এনে নিষ্ঠুৰতাই আকাশী বজ্ৰ হৈ তহঁতৰ মূৰলৈ লক্ষ্য কৰি খেদি আছিব। বচা নাপাবি—পুৰি মৰিবি—ধ্বংস হবি।

কুণ্ডিল—তেনে নিষ্ঠুৰতাৰ দৃশ্য আৰু তই চাব নালাগিব। আজিয়েই শেষ কৰিম তোক। মাৰ্, মাৰ্, ভালদৰে মাৰ্। এই তোৰ পঁজৰা বুকুৰ ওপৰত ভৰি মোৰ কৰিলো স্থাপন।

[অন্নপূৰ্ণাৰাক যন্ত্ৰেৰে মাটিত পেলাই দি বান্ধি পেলায়। কুণ্ডিল-পতিয়ে চকু কাঢ়ি উলিয়ায় আৰু বুকুৰ ওপৰত ভৰি থয়।]

অন্ন—ৰক্ষা কৰা, ৰক্ষা কৰা। দিনকলে বুঢ়া কাললৈ জীয়াই থাকিবলৈ ঈশ্বৰ কৰা মোক ৰক্ষা কৰা।

যমুনা—নিৰ্দয়ৰ এটা চকুৱে আনটো চকুক উপহাস কৰিব। সেইবাবে এটা চকুও ৰাখি নাৰাখিবা। দুইটা চকুকে কাঢ়ি পেলোৱা।

কুণ্ডিল—প্ৰতিশোধ যদি লৈছা—

প্ৰথম প্ৰহৰী—ক্ষান্ত হোৱা প্ৰভু! কেঁচুৱাৰ পৰা তোমাৰ চৰণ-সেৱা

কৰিছো। মোৰ কাৰণে সেয়েই পুণ্য কাম। তথাপি তোমাক কৈছো—এনে নীচ কাম নকৰিবা। এতিয়াও কাল হোৱা।

যমুনা—কি কৈছ কুকুৰ?

অন্ধ—থকা হলে দাড়ি-গোফ মুখত তোমাৰ ভনালোহেতেন আহ্বান কৰাৰ কাৰণে।

কুণ্ডিল—কি ইমান সাহ? কটা! ফিনা গোলাম!

[তৰোৱাল লৈ অনুচৰক আক্ৰমণ।]

অন্ধ—আহ ভেৱে: কুকৰ্ম্মৰ ফল গ্ৰহণ কৰ। ধৰ্ম্মৰ জয় হক।

[দুই জনৰ যুদ্ধ। কুণ্ডিলপণ্ডিত-আহত।]

যমুনা(আন এজন অনুচৰক)—দে তোৰ অস্ত্ৰ মোক দে। হালোৱাই আজি তৰোৱাল তুলিছে।

[পাছ ফালৰ পৰা অনুচৰক আঘাত কৰিলে।]

অনুচৰ—উঃ! প্ৰাণ যায় প্ৰভু! এই পাপৰ বিনাশ দেখিবলৈ এতিয়াও তোমাৰ এটা চকু ভালে আছে। ভগৱান! (মৃত্যু)

কুণ্ডিল—তেন্তে সেইখিনি দেখাৰ শক্তিও লুপ্ত হওক! পণ্ডিত পানীৰ ভড়াপ। চূৰ্ণ হ তই। (অন্ধপূৰীয়াৰ আনটো চকু কাঢ়ি মাটিত পেলাই) কেনে মজা! কত এতিয়া সেই জ্যোতি?

অন্ধ—উঃ! অন্ধকাৰ! আকাশ-পৃথিৱী অন্ধকাৰ! মোৰ পুত্ৰ বাছা বনমালী! কত তই? তোৰ বুঢ়া বাপেৰৰ চন্দনা চাই যাহি। তই এই অন্যায়ৰ প্ৰতিশোধ লহি।

যমুনা—হাঃ হাঃ হাঃ! বিশ্বাসঘাতক নৰাধম!
প্ৰতিশোধ লবৰ কাৰণে—যাক তই কৰিছ আহ্বান
সিজনেই ঘৃণা কৰে তোক
সিজনেই প্ৰজ্বলিছে
আঁধাৰ আগত তোৰ গুপ্ত কুমন্ত্ৰণা।

পুত্ৰ তোৰ যুৱৰাজ সকল সুন্দৰ
তোৰ প্ৰতি দয়া তাৰ নাই অন্তৰত।

অন্ধ—উঃ ভগৱান! শেষত এনে কথাও শুনিলোঁ। নিজৰ পুত্ৰয়ো মোক চলু চাই বুকুত খুচিলে। মূৰ্খ মই। তাৰ মিছা কথাত ভোল গৈ মোৰ মৰমৰ পুত্ৰ যুৱৰাজৰ সৰ্ব্বনাশ সাধন কৰিলোঁ। স্বৰ্গৰ দেৱতাসকল! মোক ক্ষমা কৰা। মোৰ পুত্ৰক সুখত ৰাখা।

কুণ্ডিল—লৈ যা, এতিয়া লৈ ৰৈ যোৱা হুৱাৰমুখত।

[এজন অনুচৰে অন্ধপুৰীয়াক লৈ যায়।]

যা, যা, দৃষ্টিৰ আগৰ পৰা বহু দূৰ হই
পোড়ে পোড়ে বিচাৰি বা আঁনাহৰ মুখ।

যমুনা—কিয় প্ৰিয়তম! বিষন্ন বদন?

কুণ্ডিল—ভীষণ আঘাত মই পাইছোঁ পিঠিত
বলা যমুনা! লওঁ গই শয্যাৰ আশ্ৰয়।

[যমুনাৰ কান্ধত ভৰ দি প্ৰস্থান।]

২য় অনুচৰ—এই হুতচিৰি-হোৱা বস্তাটো ভাল হব লাগিলে, কোনো যেয়া কামেই পৃথিবীত লোহোৱাকৈ থাকী নেথাকিব—বুজিছ কলিয়া?

৩য় অনুচৰ—নহয়নো আকৌ কি? এই বাৰেখাতী যমুনাজনী আৰু কিছু দিন পাতক হৈ থাকি বুঢ়ী হবলৈ হলে গোটেই পৃথিবীৰ তিৰোতা জাতিটোৱে হব ৰাক্ষসী।

২য় অনু—ঠিক কথা। বল, আমি এই পাপ-ৰাজ্য ত্যাগ কৰি বুঢ়া ৰজাৰ লগ লওঁগে। বলিয়া হৈ তেওঁ যলেকে নাযাওক আমিও তালৈকে যাম।

১ম অনু—হয়তোন, যাম, বল যাওঁকে। [প্ৰস্থান।]

—যৱনিকা—

চতুর্থ অঙ্ক

প্রথম দর্শন

প্রান্তর

[সুবলসিংহের প্রবেশ ।]

সুবল—সুন্দর ভাবেরে হল অন্তহা সকলি
এতদিনো কামিক ভাবং মম মনোহর ।
যদিও বা সকলোরে হইছো ঘৃণিত
তথাপিতো জানো মোর নিষ্পাপ অন্তর ।
সৌভাগ্য-লক্ষ্মীর কোলা বঞ্চিত বিজন
মোর দ্বারে ভাগ্যহীন লজিত ঘৃণিত
অন্তরত নাই তার লেশমাত্র ভয় ।
সেইজনে আশা মার্গো করে মনে মনে
কেতিয়াবা ভাগ্যলক্ষ্মী হব সুপ্রসন্না ।
উত্তম যেতিয়া নামে অধম থাপত
তাতকৈ দুর্ভাগ্যর শেষ সীমা কত ?
কিন্তু পুনুবার ধীতবিলে অন্তকার
দুর্ভাগ্যর শেষ হলে শনি হার জিলে
স্থান পায় আনন্দর কোমল কোলাত ।
তেন্তে মই সাদরেরে করিছো আহ্বান
আহা তুমি সারহীন পতন-প্রভাব !
তুমি মোক প্রেমরেরে দিয়া আলিঙ্গন ।

কোন আছে মোৰ ।

[এজন বুঢ়াৰ লাখুটিত ধৰি অন্ধ জয়পুৰীয়াৰ প্ৰৱেশ ।]

ইকি ! আহে মোৰ পিতৃ সউজনা
হতভাগ্য দীনহীন ভিক্ষুকৰ বেশে ।
সংসাৰ ! সংসাৰ ! এয়েনে সংসাৰ ?
দেখি তোৰ ভয়ঙ্কৰ বিচিত্ৰ আৱৰ্ত্ত
এক মাত্ৰ ঘৃণা ভাব ওপজে মনত
পৰম বিৰাগ জন্মে জীৱনৰ প্ৰতি ।
কোনে খোজে সংসাৰত থাকিব জীয়াই ?

বুঢ়া—ডাঙৰীয়া ! মই আপোনাৰ পিতাকৰ এজন গৰীব
প্ৰজা আছিলো । মোৰ বয়স চাৰি কুৰি ওপৰ ।

জয়—বৰা বন্ধু ! শুনা—
মই অতি মহাপাপী, মোৰ সঙ্গে তুমি
নেলাগে ভুগিব শাস্তি যমদূত হই ।
ইয়াতেই অকলই এৰি যোৱা মোক ।

বুঢ়া—কি মতে আপোনাক এৰি যাম ডাঙৰীয়া ? আপুনি যে অন্ধ—
চকুৰে অলপো দেখা নেপায় । আপোনাৰ উপায় কি হব ?

জয়—পৰকাৰা ভাগ্যকাৰা মই
আৰু আছে কি কাম চকুৰ ?
যেতিয়া আছিল চকু—পদে পদে ঠগিছো মাথোন ।
নাই যায় পৰিব অভাৱৰ সঙ্গে
নোৱাৰে যুজিব সিটো কষ্ট অভাৱৰ
দিনে দিনে এই শিক্ষা লভিছে জীৱই ।
সুখ পাই—কষ্ট পাই শিকো ভিক্ষি-যুৰি
অন্ত কি আছিল ভুল—স্বভাৱৰ ত্ৰুটি ।

হায় প্ৰিয়-পুত্ৰ মোৰ প্ৰাণৰ সুৰুজ!
তোৰ ওচৰত আজি অপৰাধী মই।
কিমান যাতনা তোক দিছো অজানত।
যদিহে বিচাৰি পাও জেনে তোক মই
দয় বাছা আশ্ৰয়েৰে বুকুত সাৱটি
অন্ধ মই—পাম চকু দান।

বুঢ়া—কোন? ইয়াত এই জন কোন?

সুৰুজ (স্বগত)—দেৱতা! দেৱতা!
দেখুৱালা মৰ্ম্মভেদী এনুৱা দৃশ্যও?
ভাবিছিলো পালো বুলি দুৰ্ভাগ্য চৰম
ভুল—ভুল—নহয় তেতিয়া
আজিহে—আজিহে মোৰ দুৰ্ভাগ্য চৰম।

বুঢ়া—এইটো দেখোন পগলা ওম! ঐ পগলা ওম।
হতভাগা ওম!

সুৰুজ—(স্বগত) বাকী মোৰ আৰু কিনো ঘটিব ভাগ্যত
কোনে হায় কব পাৰে মোক?
আছেনে ইয়াতো কবি দুৰ্ভাগ্য চৰম?

বুঢ়া—হেৰা ওম বাবাজী! মোলো. ইয়াত কৰিছা কি?

অন্ধ—কোন? ভিক্ষাৰী নেকি?

বুঢ়া—বলিয়াও বুলিব পাৰি, ভিক্ষাৰীও বুলিব পাৰি।

অন্ধ—আছে তাৰ জ্ঞান
সহজেনো ভিক্ষা মাক মাগিব কিমতে?
কালি নিশা ধুমুহা মাজত
দেখিছিলো ছাল্টচপা মানুহ এজন।
অতি ক্ষুদ্ৰ কীট বুলি ভাবি

মানুষ হৈয়ে মানুষকে করিছিলো ঘৃণা
মোরো আজি জেনে দশা দেবতা হাতত।
উঃ! কি যে ভয়ঙ্কর! কি নির্দয়!
সুরজ (স্বগত) হায় হায়! এদের দশা ঘটিল কিসবে?
মোর মতে সুস্থ লোকে ছন্ন বেশে যেয়ে
যব লাগে দুখতার গোপনে কুকৃত
কি ভীষণ দশা তার মনের অবস্থা?
(প্রকাশ্যে) দেউতা! কৃপাময়ে করুক কল্যাণ।
জয়—এয়ে নেকি বস্ত্রহীন হতভাগ্য জীব?
দুচা—হয় ডাঙরীয়া! আপুনি ঠিক ধরিছে।
জয়—জেনে বন্ধু! যোরা তুমি এবি এই ঠাই
আছে যদি অন্নবস্ত্র পূর্ব প্রকৃতস্থি
মানাচ্ছন্নত পুত্র কর সম্মিলিত।
দয়া করি দিয়া তুমি বস্ত্র এড়ুখনি
এইজন হতভাগা উলঙ্গ প্রাণীক।
অনুরোধ করা তাক—এই অন্নদাক
চাতক আশ্রয় দি লই যাবলই।
দুচা—হায় ডাঙরীয়া! সি যে বলিয়া?
জয়—ইয়াকেই বোলে লোকে বিধি বিড়ম্বনা
বাটত বলিয়া আজি কনায় লাঘুটি।
দুচা—মই ইয়াক এযোরা কর ভাল কাপোর আনি দিও।
ডাঙরীয়া! ইয়াতে অপেক্ষা কর। [প্রস্থান।]
জয়—হে উন্মত্ত জীব! শুনা মোর কথা।
সুরজ—ওসব সব জানছে—সব জায়। (স্বগত) আক্ যে আত্মগোপন
অসম্ভব।

জয়—কাৰণেই আহাঢোন তুমি।

সুৰুল—(স্বগত)—নিশ্চয় বাৰ। ভগৱান! চকু দুটা ভাল কৰি দিয়া।
দেহি ঐ! এতিয়াও তেজ ওলায়েই আছে।

জয়—তুমি মানাহমুখলৈ যোৱা বাট চিনি পোৱানে বাৰু?

সুৰুল—খুব চিনো। ঘোঁৰা-যোৱা বাট, মানুহ-যোৱা বাট—
গোটেইবোৰ বাট মই চিনি পাওঁ। দগাবাজ দুষ্টৰ হাতত পৰা
ভগৱানে মোক ৰক্ষা কৰক। কেঁচোৰা ওষধ পাত এটা নহয়, দুটা
নহয়, একেবাৰে পাঁচটাকৈ বীৰা লাগিছে। জয় হওক আপোনাৰ।

জয়—আহা! দেশতাৰ পাওপাত লাগি
বহু দুখে জৰ্জৰিত কৰিছে যাহাক।
হতভাগ্য মোৰ আজি দেখি এনে দুখ
ভাবো যে নিজৰ দুখ ভীষণ দুৰ্ভাগ্য
সিও আজি কম বুলি হয় অনুমান।
ভগৱান! কৰা এনে বিধান তোমাৰ—
ঐশ্বৰ্য্য মদত মও অনাচাৰী নৰে
সদৰ্পে তোমাৰ বিধি কৰে অৱহেলা,
লয় পায় সিহঁতৰ অনুতাপ-শক্তি
নোতাবো বুজিব সৱ তোমাৰ মহিমা;
সেইবাবে প্ৰভু! কৰা দান উচ্চৈশ্ৰবী
লভে যেন জনে জনে প্ৰচুৰ ভাগৰ্ত।
মানাহ-মুখৰ বাট—জানা জানো তুমি বাৰু?

সুৰুল—জানো, খুব ভালদৰেই জানো।

জয়—যাযৱৰ নামে তাত আছে উচ্চ গিৰি
চাই আছে একে ধৰে তুল পৃষ্ঠে যাৰ
ব্ৰহ্মপুত্ৰ-মানাহৰ মধুৰ মিলন।

লই বলা তুমি মোক সেই ঠাইলৈ।
তোমাৰ মোনাত মোৰ আছে যি ধন
গোটেইখিনিকে তুমি পাবা পুৰস্কাৰ
অভাগা পেটৰ ভোক দাৰিদ্ৰ্য তাৰেই।
সেইখিনি পালে আৰু নাগাৰিৰ লগ
তাতে মোক এৰি দিবা তুমি। বলা যাম!

মুকুল—আপোনাৰ হাত আগবঢ়াই দিয়ক। দুৰ্ভগীয়া ওমে আপোনাক বাট দেখুৱাই লৈ যাব।

[মুকুলৰ হাতত ধৰি অন্নপূৰ্ণাৰ প্ৰস্থান।]

দ্বিতীয় দৰ্শন

সুসজ্জিত লতামণ্ডপ

[এখন আসনত বনমালী বহি আছে। অলপ দূৰৈত জাহ্নৱী-কিয় হৈ এজোপা গছৰ গাত আউজি আছে। আগত নৰ্তকীবিলাকৰ নৃত্য-গীত।]

নৰ্তকীবিলাক— —গীত—

মধুৰ মিলন-গীতি গোৱাহে।
জুৱানি সজিয়া আজি তোৱাহে। ধ্ৰু।
ধূপ-দীপ সুবাসিত হৈ ভৱ সদনে।
বাজিছে বাঁহৰি-মধু পৱনে-পৱনে ॥
মধুপৰে মেলা আমি আনিছো কিতাপি।
মালতীৰে মালাখাবি লোৱাহে পূজাৰী ॥

আশীস-নির্ঝাৰিণি দিয়া হিয়াত শকতি ।
তুমি যে আমাৰ প্ৰিয় মোহন অতিথি ॥
চৰণতে দিছো তব্ হৃদয়ে আঁজলি !
জয় জয় বনমালী দিয়াহে উৰুলি ॥

[নৰ্ত্তকীবিলাকে জাহ্নবীৰ নিৰ্দ্দেশমতে বনমালীক মালা প্ৰদান কৰে আৰু উৰুলি দিয়ে ।]

জাহ্ন—স্বাগত হে মোহন অতিথি !
হিয়াভৰা অভ্যৰ্থনা জনাও তোমাক ।

বন—দেৱী ! লোৱা মোৰ শত ধন্যবাদ ।
এনে মধুময় ধাৰ—আতিথ্যে লোভালো হৃদিৰ ।

জাহ্ন—নৰ্ত্তকীসকল ! তোমালোক যোৱা । [নৰ্ত্তকীৰ প্ৰস্থান ।]
শুনা দেৱা কপহ কোঁৱৰ !
নিজে মই অতিশয় হইছো লজ্জিত ।
এতিয়াও স্বামী মোৰ দৰঙ্গ-নৃপতি
আহি নাই সম্বৰ্দ্ধনা জনাব তোমাক । [ধনঞ্জয়ৰ প্ৰবেশ]

ধন—ৰাণী-আই । মহাৰাজ অন্তঃপুৰত আছে । তেখেত মানুহজনৰ ভাবেশিনি পৰিবৰ্ত্তন ঘটিছে । মই তেওঁক সৈন্য-সমাগমৰ খবৰ দিলো । এবাৰ মুখ তুলি চাই মিচিকিয়াই হাঁহি এটা মাৰিলে মাথোন আৰু বিশেষ কাণ নিদিলে । আপুনি অতাৰ কথা জনোৱাত কলে—"বৰ অদ্ভুত সংবাদ" । বিশ্বাসঘাতক জয়পুৰীয়া আৰু তেওঁৰ ৰাজভক্ত পুত্ৰৰ কথা কোৱাত মোকহে মাতাল বুলি নতুন খিতাপ এটা দিলে । মুঠৰ ওপৰত উচিত কামত তেওঁৰ বিৰাগ জন্মা আৰু অনুচিত কামৰ কালে অনুৰক্ত হোৱা যেন দেখা গৈছে । সকলোৰোৰ ভাল কামকেই তেওঁ বেয়া ভাবি পৰিত্যাগ কৰিছে ।

জাহ্নবী—বাৰু তই যা । [ধনঞ্জয়ৰ প্ৰস্থান ।]

ৰণমালীসিংহ ! নহবানে অগ্রসৰ তুমি ?
অজকাৰ্য্য সাহসৰ বাবে
তীৰৰ বুকুত মাথোঁ সাহৰ অভাৱ ।
বাটে বাটে ফিৰা ইচ্ছা কৰিলো প্ৰকাশ
ঘটাব লাগিব তাক কাৰ্য্যত এতিয়া ।
কৰা তুমি পুনৰবাৰ কুণ্ডিল গমন,
সুসজ্জিত কৰি এক বিপুল বাহিনী
তুৰন্তে প্ৰবৃত্ত কৰা ৰণ-আয়োজন ।
সম্মিলিত হক সৈন্যগণ—আগবাঢ়া ৰণক্ষেত্ৰলৈ ।
স্বামীৰ হাতত এৰি গৃহকৰ্ম-ভাৰ
বীৰাঙ্গনা বেশে, মই সমৰ-ভূমিত
তুলি লম তৰোৱাল হলে প্ৰয়োজন ।
অনুগত ভৃত্য মোৰ ধনঞ্জয় নামে
দাবৰ বাতৰি দাবে ধৰিব যোগান ।
যদিহে বুকুত আছে সাহস তোমাৰ
নিজ হাতে মেলি লোৱা সৌভাগ্য-দুৱাৰ ।
মুহূৰ্ত এটিও আৰু নকৰা পলম
আখৰে আখৰে মোৰ পালিবা আদেশ ।
লোৱা তাৰ পুৰস্কাৰ এই হেমহাৰ । [হাৰ পিন্ধাই দিয়ে ।]
নাই আৰু কথাৰ সময় ।
চপৰাই দিয়া মুৰ দিওঁ জয়মালা । [আলিঙ্গন আৰু চুম্বন]
যদিহে চুৱাই মোৰ পাৰিছে বুজাব
অন্তৰত সাঁচি ৰখা অপ্ৰকাশ ভাব
সেই কথা জানি তব নাচিব অন্তৰ ।
ভাবি চাবা পিছে—বুজিবা মনৰ ভাব
বিদায় এতিয়া ।

বনমালী—হে সুন্দৰী! মৰণক উপহাস কৰি
কৰিম যিমান দিন জীৱন-যাপন
ততদিন বনমালী জানিবা তোমাৰ।
জাহ্নু—প্ৰিয়তম বনমালী জয়পুৰপতি! (পুনৰ আলিঙ্গন।)
বন—প্ৰিয়তমা জাহ্নৱী-দেৱী! বিদায়। [প্ৰস্থান।]
জাহ্নু—মানুহে মানুহে হায়—কত ভেদ কত ব্যৱধান!
নাৰীয়ে বিচাৰে নিজে
সঁপি দিব প্ৰিয়তম! সৰ্বস্ব তোমাক।
কিন্তু আজি হায়—এই দেহ মোৰ
ভাগ্যবশে উপভোগ কৰিছে মূৰ্খই। [দৰচীৰ প্ৰৱেশ।
দৰ—জাহ্নৱী।
জাহ্নু—আছিল এদিন এনে সবাৰ আগতে
কৰিছিলা তুমি মোক বৰণ যিদিনা।
কিন্তু আজি সেইবোৰ অতীতৰ কথা।
দৰ—জাহ্নৱী! জাহ্নৱী! বায়ুবেগে উৰে ধূলিকণা।
সেই ধূলিকণা সম তুচ্ছ—অতি তুচ্ছ তই
ধূলিৰ সমানো তোৰ মূল্য নাইকিয়া।
আজি মই দেখা পালে পাপ মুখ তোৰ
সঁচাকৈয়ে পাওঁ বৰ ভয়।
প্ৰকৃতিয়ে যাৰ ঘৃণা কৰে নিজ অন্তৰাৰ
সীমাহীন লজ্জাহীন অসংযম ভাব।
যি সন্তানে—কেনোৰে ছিঙিব পাৰে
বাপেকৰ মায়াৰ বন্ধন,
যিদৰে গছৰ ডালে
গছ এৰি ভাঙি পৰি হয় চূৰমাৰ
ঠিক তেনে ভয়াবহ পৰিনাম তোৰ।

জাম্বুৱতী—নাই, কল কলকিলে অসাৰ কথাত।
ৰৱ—ধিক তোৰ বাণী! মূৰ্খ নাৰী তই।
পৰ্পীয়া মূৰত তোৰ
জ্ঞান-বুদ্ধি সাধুতাৰ ভাল কথা কণে
যেন্না বুলি হয় অনুভৱ।
মন তোৰ আবৰ্জনা স্তূপ
তাৰ পৰা পূত গন্ধ হইছে বাহিৰ।
কি পাপ এৰিলি বাকী?
বাঘিনী—বাঘিনী
নোহ তই কদাপিতো মানবী-তনয়া।
মাননীয় পিতৃ তোৰ কামৰূপপতি
অৰ্দ্ধবিত্ত নিপীড়িত জৰা-বাৰ্দ্ধক্যত,
যাক দেখি শত্ৰু হব বনৰ ভালুক
সেই তোৰ স্নেহশীল পূজ্য জনকক
খেদি দিলি অন্যায়ভাৱে কৰিলি বাতুল।
পশুৰো অধম তই
আচৰিলি নিৰ্দয় ক্ৰূৰ আচৰণ।
মানুহ তেওঁ—তদুপৰি প্ৰতিষ্ঠিত ৰাজআসনত
যি তোৰ শত হিত কৰিলে সাধন
সেই ৰজা—সেই পূজনীয় পিতা
সিজনৰ প্ৰতি তোৰ—ঘৃণনীয় এনে ব্যৱহাৰ।
ইমান পাপতো তোৰ আকাশত সউ
থাকে যদি স্থিৰ হই দেৱতাসকল,
পপীয়া শিৰত তোৰ নোকে বজ্ৰাঘাত
তেন্তে এই পৃথিবীত মানুহে মানুহে

কাটাকাটি মারামারি করি
নিজে নিজে ধ্বংস হই ঘটাব প্রলয়।

রাহু—ভীরু ক্লীব কুলাঙ্গার মনুষ্যকুলের!
কপাল তোমার সত্ত আঘাতেও চূর্ণ হবেই
শির তব অপমান ভয়ের কারণে
আনিছ কলঙ্ক তুমি পুরুষ নামেও।
বিশেষ তোমারে বলে মূর্খ জ্ঞানহীন
কাপুরুষ—সিংহের হৃদয়ও মাঝে।
দুর্জন পিতার প্রতি অহৈতুক প্রীতি।
পিতাই লভিছে কষ্ট নিজ কর্মফলে
সেইবারে কিন্তু আমি কম অপরাধী?
কত তব বীর বেশ—কোথা বাসনা?
শান্তিময় কামরূপ স্বাধীন দেশও
বিচারিছে ফেরতাই উদ্ধার নিদান,
বিনা বাধা—বিনা যুদ্ধে এরি দিবা তুমি?
বিচারিছে সিংহাসন সুবর্ণ মুকুট
কিন্তু তুমি মূঢ়মতি ভীরুর অধম
বসে আছ স্থির হই রাজারি বিপদ
ধর্মশাস্ত্র—নীতিশাস্ত্র আলোচনা করি।

রেবতী—রাক্ষসী! নিজকেই বক্তা কর তুই।
নারীর চিত্তও বেশে জানিবি নিশ্চয়
ঠাই দয় এনেছুরা পৈশাচিক ভাবে
সেই নারী-মূর্তি হয় বিমান পিশাচ
পিশাচ-পিশাচী নিজে নরক নির্মাণ।

জাহ্নবী—মদমত্ত অহঙ্কারী অতি মূর্খ তুমি।

দমন্তী—জাহ্নুবী ! জাহ্নুবী । কইছো তাবো কৰি

স্বভাৱ দোষত তই ধৰি ভিন্ন ৰূপ
অন্তৰত ৰাক্ষসীক নিদিবি প্ৰশ্ৰয় ।
ক্ৰোধত নিজকে যই পাহৰি সমূলি
হাড়-গুৰি অস্থি-মাংস হাড়-মূৰ তোৰ
টুকুৰা টুকুৰ কৰি দিম কুকুৰক ।

জাহ্নুবী—দোহাই ভগৱানৰ । তোমাৰ পুত্ৰৰ—[কটকীৰ প্ৰৱেশ ।]

দমন্তী—কি সংবাদ কটকী ?

দূত -ক্ষমা প্ৰভু ! শোকৰ বাতৰি

নাই আৰু পৃথিৱীত কুণ্ডিল-নৃপতি ।
জয়পুৰীয়াৰ চকু কাঢ়িব ধৰোঁতে
এজন ভৃত্যই তেওঁক কৰিলে আঘাত
—মৃত্যু হল তাৰ ফলতেই ।

দমন্তী—কি জয়পুৰীয়াৰ চকু ?

কটকী—কুণ্ডিলপতিয়ে বৃদ্ধ জয়পুৰীয়া ডাঙৰীয়াক বান্ধিবলৈ নিজ হাতেৰে চকু কাঢ়িছিল । তেওঁৰে পালিত দণ্ডুৱা এজনে চকুৰ আগতে তেনেকুৱা করুণ দৃশ্য চাব নোৱাৰি বাধা দিব খুজিছিল । কুণ্ডিলপতিয়ে তাৰ শাস্তি দিবলৈ তৰোৱাল তুলি সেই দণ্ডুৱাক ভূপতিত কৰিলে কিন্তু তেওঁ আহত হল । সেই গুৰুতৰ আঘাততেই তেওঁৰ জীৱন-বন্তি নুমাল ।

দমন্তী—ইয়াতো অধিক আৰু নালাগে প্ৰমাণ

ওপৰত সৰ্ব্বদৰ্শী আছে ভগৱান ।
ইহলোকতেই নৰে
ভোগ কৰে প্ৰায়শ্চিত্ত নিজৰ কামৰ ।
হতভাগা জয়পুৰ ডাঙৰীয়া
হেৰুৱালে দুই চকু অমূল্য ৰতন ।

কট—মহাৰাণী ! এই পত্ৰখনি আপোনালৈ ভানুৱে দিছে। মই এতিয়াই ইয়াৰ উত্তৰ লৈ যাব লাগিব। (পত্ৰ দিয়ে।)

ভানু—মই পত্ৰ পঢ়ি সমিধান দিম।

দমন্তী—তেওঁৰ চকু কাঢ়িবৰ সময়ত পুত্ৰেক ক'ত আছিল ?

কটকী—মহাৰাণীৰ লগত তেওঁ ইয়ালৈকে আহিছিল।

দম—তেওঁতো এতিয়া ইয়াত নাই ?

কটকী—তেওঁ উলটি গৈছে। বাটতে তেওঁৰ লগত মোৰ দেখা হৈছিল।

দমন্তী—তেওঁ সেই দুঃসংবাদ জানিছেনে ?

কটকী—হয় প্ৰভু ! তেওঁৱেইতো পিতাকৰ বিৰুদ্ধে বাতৰি জোগাই আহিছিল। যাতে বাপেকক ইচ্ছামতে তাৰ শাস্তি দিব পাৰে সেইকাৰণেই তেওঁ স্বেচ্ছাৰে ঘৰ এৰি আহিছিল।

দমন্তী—জয়পুৰীয়া ডাঙৰীয়া ! তোমাৰ সত্ কামৰ সলাগ লবৰ বাবে মই এতিয়াও জীয়াই আছো। ধন্য তোমাৰ ৰাজভক্তি—মই তোমাক উচ্চকণ্ঠে প্ৰশংসা কৰিছো। আহা কটকী ! আৰু কি বক্তব্য আছে শুনোঁগৈ। [দমন্তী আৰু কটকীৰ প্ৰস্থান।]

ভানু—ভবামতে কাম মোৰ হইছে সাধন।
কিন্তু—যমুনা বিধবা হল
—আৰু যে লগত তাইৰ
আছে মোৰ প্ৰিয়তম বনমালীসিংহ।
তেনেহলে এই মোৰ শুষ্ক জীৱনত
আশাৰ কুসুম-কুঞ্জ ৰচিছো যিমান
ভাঙ্গিচিঙ্গি আলাসতে হব খানখান ?
দুৰ যাৰেঁ। হব মোৰ জীৱন-সঙ্গী !
যাক সেই কথা——সম্প্ৰতি বক্তব্য তাল। [প্ৰস্থান।]

——×——

তৃতীয় দৰ্শন

মাম্মাহ-যুদ্ধ

[অন্তঃপুৰীয়া আৰু এজন বিষয়াৰ প্ৰবেশ ।]

অভয়—কমতাৰাজ ভতাইতৰাকে উলটি গল কিয় ? আপুনি সেই বিষয়ে কিবা জানেনে ভাওৰীয়া ?

বিষয়া—কিবা বোলে আবশ্যক ৰাজকাৰ্য্য আছিল । ইয়ালৈ আহি সেই কথা মনত পৰিল । তেওঁৰ অনুপস্থিতিত ৰাজ্যত ভীষণ বেমেজালি হোৱাৰ আশঙ্কা । সেইকাৰণে তেওঁ ৰাজধানীমুৱা হল বুলি শুনিছো ।

অভয়—কোন সেনাপতিৰ অধীনত কমতাৰ সৈন্যবাহিনী এৰি গৈছে ?

বিষয়া—কমতাৰ ৰণবীৰ পৰীক্ষিতনাৰায়ণৰ অধীনত ।

অভয়—পত্ৰখন পাই ৰাণীয়ে দুখ কৰিলেনে ?

বিষয়া—এৰা । তেওঁ পত্ৰখন মোৰ আগতে পঢ়িবলৈ মেলি ললে । পঢ়াৰ লগে লগে তেওঁৰ দুই চকুৰে জৰ জৰ কৰে পানী ওলাবলৈ ধৰিলে । যেন তেওঁৰ মনে বিদ্ৰোহী হৈ গৰজি উঠিব খুজিছিল । কিন্তু আচৰিত মনৰ সংযম । সেই বিৰাগ ভাব তেওঁ মুটাই নেদেখুৱালে ।

অভয়—তেন্তে নিশ্চয় তেওঁ মনত বৰ আঘাত পাইছে ?

বিষয়া—অলপো অন্তৰ ভাব নাই । ধৈৰ্য্য আৰু দুখৰ মাজত ৰণ আৰম্ভ হল । কেতিয়াবা একেলগে ৰ'দ আৰু বৰষুণ দেখিছেনে ? ঠিক তেনে । মুখত হাঁহি, চকুত চকুলো । তাতকৈও সুন্দৰ । চকুলোক ৰখাবলৈ হলে অন্তৰৰ দুখে বাহিৰত মনোহৰ মূৰ্ত্তি ধাৰণ কৰিলে ।

অভয়—তেওঁ আৰু কিবা কথা সুধিছিলনে ?

বিষয়া—এবাৰ নে দুবাৰ দেউতা দেউতা বুলি দীঘল হুমুনিয়াহ পেলালে দেখিলেই বুজিব পাৰি শোক-বেজাৰত অন্তৰত তেওঁৰ শক্তিশেল সোমাইছে—বুকু ভাগি গৈছে। আকৌ নিজকে নিজে চিঞৰি উঠিল—'ৰাইদেউ ! ৰাইদেউ। দুইজনী কলঙ্কিনী ওহঁত। অভয়-পুৰীয়া ! দেউতা !' ইত্যাদি। ৰগীয়া চকুৰ পৰা দুনাই গঙ্গাজলৰ দৰে পানী দুধাৰ ওলাই আহিল। সেই পানীয়ে শোক-দগ্ধ দুই-পথালি উটুৱাই নিলে। তাৰ পিছতে তেওঁ সেই ঠাইৰ পৰা আঁতৰ হৈ গুচি গল—নিভৃত অকলশৰে শোকৰ ভাৰ বুকু পাতি লবলৈ।

অভয়—মানুহৰ ভাগ্যচক্ৰ জীৱন-নাটৰ
ঘূৰে তাত গ্ৰহগণ ৰাহু-কেতু-শনি
সেইকাৰণেই মাথোঁ সন্তান-সন্ততি
জন্মৰ পিছত হয় বিভিন্ন প্ৰকৃতি।
তাৰ পিছে ডাঙৰীয়া !
অ.. একো কথা কোৱা নাছিলনে ?

বিষয়া—ওহোঁ, নাই।

অভয়—নিপীড়িত শোকাৰ্ত্ত বন্ধ বৰ্ত্তমান এই অঞ্চলতে আছে। যেতিয়া তেওঁৰ মন ভালে থাকে, সেই সময়ত আমি অন্তৰ কথা বুজি পায়। কিন্তু জীয়েক কমতা-ৰাণীক দেখা দিবলৈ একোতে মান্তি নহয়।

বিষয়া—কিয় ডাঙৰীয়া ?

অভয়—লাজ—লাজতে দেখা দিবলৈ টান পাইছে। নিষ্ঠুৰ নিয়ৰ-মিথ্যাল ব্যৱহাৰ কৰি সৰু জীয়েক সৰবুক ৰাজ্যৰ পৰা খেদি দিছিল। জীয়েকৰ প্ৰাপ্য অধিকাৰ তেওঁ কুকুৰৰ নিচিনা নীচ

তাঁওৰ জীয়েক স্বৰ্ণশ্ৰী মাজতে বিলাই দিছিল। এইবোৰ কথা মনত পৰি এতিয়া তেওঁৰ মনত বৰ বিকাৰ জন্মিছে। কোনটো মাকেৰেনো সৰযুদেৱীৰ আগত মুখ দেখুৱায় ?

বিজয়া—অহহ! বৰ দুখৰ কথা।

অভয়—এবং আক তুৰ্কিসকলৰ সৈন্য-সংখ্যা কিমান আপুনি জানেনে?

বিজয়া—একো নাজানো। মাথোন তেওঁলোক বহুত নহয় বুলিহে শুনিছো।

অভয়—যেয়ে ডাঙৰীয়া। সেৱা-শুশ্ৰূষাৰ বাবে আপোনাকেই মহাৰাজৰ ওচৰত থম। এটা খন্দ ডাঙৰ কথাৰ বাবে মই ইয়াত লুকাই থাকিব লাগিব। মই কোন জানিব পাৰিলে মোৰ লগত যোগ্য আজিব এই কথাৰ বাবে আপুনি বেজাৰ কৰিব নালাগিব। এতিয়া আপুনি মোৰ লগত আহক।

[দুয়োৰো প্ৰস্থান।]

চতুৰ্থ দৰ্শন

কমতা-শিবিৰ

[ভেৰী-নিনাদ! কমতাৰ পতাকা লৈ সৈন্যবিলাক, সৰযুদেৱী আৰু বেজবৰুৱাৰ প্ৰৱেশ।]

সৰযু—তেৱে মোৰ পূজনীয় দেউতা নিশ্চয়।
এই খাণ্ড দেখিছো তেওঁক
ভৰিজিত সাগৰৰ দৰে

কেতিয়াবা উত্তাল অগ্নিৰে ভৰা
কোনো সময়ত পুনৰ
হাবি-বন লতা-পাত আনি
তাৰেই মুকুট সাজি পিন্ধিছে মূৰত।
নিহাদিহি পঠোৱা মানুহ,
এজন দুজন নোহে
শই শই হাজাৰে হাজাৰে
এতিয়াই—এই মুহূর্ত্তে।
দেউতা—দেউতা কত মোৰ ?
তাডি-চিডি হাবি-বন, পৰ্ব্বত-পাহাড়
ঢোলা সৰে পিত পিত কৰি
আনি দিয়া দেউতাক মোৰ আপনই।
এয়ে কাম আজিৰ কাৰণে
সৈন্যদল। কৰ্ত্তব্যত হোৱা অগ্রসৰ।

[সৈন্যবিলাকৰ প্ৰস্থান।]

বেজবৰুৱা ভাঙ্গীয়া ! তোমাচোন মোক
মানুহৰ বিক্ষিপ্ত ইন্দ্ৰিয়
পাৰি জানো পুনৰায় কৰিব সংযত ?
শিশুক আৰোগ্য তুমি পাৰিলে কৰিব
পাবা আশতীভৰণে পুৰস্কাৰ দান।
বেজবৰুৱা—মহাৰাণী ক্ষমতা-ঈশ্বৰী !
আছে তাৰ আৰোগ্য উপায়।
বিষাদদায়িনী নিদ্ৰা ধাত্ৰী প্ৰকৃতিৰ
ঘটিছে অভাৱ—দেয়ে মৃদু কৃশতিৰ
টোপনিয়ে ই ৰোগৰ পৰম ঔষধ।

সেইমতে মৃত্যুঞ্জয় বিবিধ জাতীয়
তার সঙ্গে সংগৃহীত দ্রব্য মূল্যবান
শাস্ত্রের বিধানমতে করি সংযোজিত
এক্ষণে ঔষধি মই করিব প্রস্তুত
সেবন করিলে হবে নিদ্রার সঞ্চার।
মনু—তাকে তেজে করো শোণকালে।
জগতের অজ্ঞাত দুষ্প্রাপ্য
আছে যত ঔষধি তোমার,
মানুষের কল্যাণের তরে
চরক সুশ্রুতে যাক করিছে বিধান
তাকে আজি ব্যবহার করি
অসুস্থ শিশুর করো রোগ উপশম।
নিরাময় হয় যেন দেহ,
অসংযত ক্রোধে যেন রুদ্র মূর্তি ধরি
নষ্টার জীবন সংশয়
করে যেন সুস্থ হই জীবন ধারণ। [দূতের প্রবেশ।]
দূত—মহারাণা ! বিষম সংবাদ।
আগরাচি এইস্থানে আছিছে বহুত
রণমত্ত কামরূপী-সেনা।
মনু—সেই কথা শোনে অবিদিত।
সুসজ্জিত আছে মোর ক্ষমতা-বাহিনী
অপেক্ষিছে আদেশের তরে।
দেবতা ! দেবতা ! স্নেহময় প্রাণের দেবতা !
ব্রতী মই তোমার সেবাতে।
দয়াশীল মহামতি ক্ষমতা-নৃপতি

জানি অন্তৰ কথা—দেখি চক্ৰপাণী
কৰিছে সহায় মোৰ নিজ কৃপাগুণে।
পাপ-আশা, পৰ-ৰাজ্য অধিকাৰ আশা
সমূলিতে নিৱৰ্ত্তাৰ নাই অন্তৰত।
যাবোঁ মোৰ প্ৰিয় অতি পিতৃৰ কাৰণে
আজি আমি অনিচ্ছাৰে নামিছো ৰণত।
অতি শীঘ্ৰে পিতৃ-সেৱা, পিতৃ-দৰশন
একমাথোঁ কামনা সতত।
আহা বেজবৰুৱা। [প্ৰস্থান।]

—৲—•——

পঞ্চম দৰ্শন

জয়পুৰ—দুৰ্গ-কক্ষ

[যমুনা আৰু ধনঞ্জয়ৰ প্ৰবেশ।]

যমুনা—সমস্ত সেনা বাহিৰ ওলাইছেনে ধনঞ্জয়?

ধন—হয় মহাৰাণী।

যমু—মহাৰাজে নিজে যোগ দিছেনে নাই?

ধন—মহন্ত কাবো-কোকালি কৰি তেওঁক ৰণত নযোৱা হৈছে। তেওঁতকৈ আপোনাৰ বাইদেৱেকেই ভাল যোদ্ধা।

যমু—ভাল তোৰ মতাৰ সমস্ত মনবাণীৰ একো কথা হোৱা নাছিলনে?

ধন—নাই মহাৰাণী।

যদু—তেওঁলৈ বাইদেৱে চিঠি দিয়াৰ কাৰণ কি তই জাননে ?

ধন—ওহো, একো নেজানো।

যদু—ভুলপূৰীয়াৰ চকু কলা কৰি জীৱিত অৱস্থাত এৰি দিয়াটো ভুল হৈছে। সি মৰিলেকে গৈছে তাতেই সেই কলা চকু দেখুৱাই মানুহৰ মনত আমাৰ বিপক্ষে বিহ ঢালি দিছে। বনমালীয়ে বোধকৰো পিতাকৰ দুৰ্দ্দশাত দুঃখিত হৈ তেওঁৰ সুখহীন জীৱন একেবাৰে অন্ত পেলাও বুলি বিচাৰি গৈছে। তদুপৰি বিপক্ষত কিমান সেনা আছে তাৰো খাঁতিজৰি লব পাৰিব।

ধন—মই এই পত্ৰ লৈ তেওঁক বিচাৰি যাম।

যদু—আমাৰ সৈনাবাহিনী কাৰ্য্য কাৰণে কালিলই যাত্ৰা কৰিব। আজি তই ইয়াতেই থাকিব পাৰ। বাটত বিপদৰ ভয় আছে।

ধন—মই অলপ সময়ো অপব্যয় কৰিব নোৱাৰো মহাৰাণী। মোৰ প্ৰভুপত্নীৰ এই কাম সমাধা কৰিব নোৱাৰিলে কৰ্ত্তব্যৰ অৱহেলা কৰা হব। সেয়ে হলে বিশেষ অনিষ্ট হব পাৰে।

